
# সোণালী




সম্পাদক-শ্ৰী বিশ্বজিৎ গগৈ

সোণাৰি মহাবিদ্যালয়
তেজস্বি নাবধীতমস্তু
SONARI COLLEGE

# সোণালী

সম্পাদক — শ্ৰী বিশ্বজিৎ গগৈ

**বাৰ্ষিক প্ৰকাশ — ১৯৯৮ - ৯৯**

## SONALI (Sonali)

Sonali 1998-99 edited and Published by Sri Biswajit Gogoi on behalf of Sonari College Students Union.

**সম্পাদনা সমিতিঃ**

উপদেষ্টা ঃ শ্ৰীযুতা ৰতি প্ৰভা গগৈ
শ্ৰীযুতা দিপাঞ্জলী গগৈ

সম্পাদক ঃ শ্ৰী বিশ্বজিৎ গগৈ

সদস্য / সদস্যা ঃ শ্ৰী বিপুল গগৈ
শ্ৰী দ্বীপজ্যোতি বৰা
শ্ৰী দেবজিৎ লাহন
শ্ৰী নলীন গগৈ
শ্ৰী গিৰিণ গগৈ
শ্ৰীমতী জ্যোতি ৰেখা গগৈ

অংগসজ্জা ও পৰিকল্পনা ঃ বিশ্ব / বিপুল

**সোণালী**
বাৰ্ষিক প্ৰকাশ ঃ ১৯৯৮ - ৯৯

প্ৰচ্ছদ ঃ উত্তম চাংমাই

মুদ্ৰণ ঃ অপৰূপ অফ্ছেট প্ৰিণ্টাৰ্চ, যোৰহাট


## উচৰ্গা

সোণাৰি মহাবিদ্যালয়ৰ বিগত
২৮ বছৰীয়া ইতিহাসত যি সকল
মহান ব্যক্তি আৰু কৰ্মীয়ে বিভিন্ন
সময়ত বিভিন্ন ধৰণৰ ত্যাগ আৰু
শ্ৰমৰ যোগেদি মহাবিদ্যালয়খনি
পূৰ্ণাংগ ৰূপে গঢ় দিয়াত অৰিহণা
যোগাইছে, সেইসকল ব্যক্তি আৰু
মহাবিদ্যালয় খনিত আৰম্ভণিৰে পৰা
আজিলৈকে শিক্ষা গ্ৰহণ কৰা সমূহ
ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহ পাঠকৰ
হাতত এই সংখ্যাৰ "সোণালী"খন
উছৰ্গা কৰিলো ।

# শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ



*আয়ে দিয়া মোৰ*
*বিহু গামোচাৰে*
*গুলি খোৱা তেজ মচি*
*ৰণ দেৱতাৰ ৰঙা থাপনাত*
*জ্বলাও শলিতা গছি ।*

জ্যোতি প্ৰসাদ আগৰৱালাৰ এই অমোঘ মন্ত্ৰ সাৰোগত কৰি যিসকল জাতীয় শ্বহীদে স্বদেশ আৰু স্বজাতিৰ বাবে নিজৰ জীৱন আহুতি দিলে সেইসকলৰ পবিত্ৰ স্মৃতিত আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।


**VICE - CHANCELLOR** **DIBRUGARH UNIVERSITY**
Prof. Devdas Kakati
Dibrugarh Pin - 786004 (Assam)

☎ 70239 (O)
23557 (R)
Fax No. : 0373 - 70323


NO. DU/ VC/ 98 / 640

*Date* ..........................

To
Shri Biswajit Gogoi,
Magazine Secretary.
Sonari College Students' Union.
P. O. Sonari.
Dist. Sibsagar.
Pin : 785690 Assam

Dear Shri Gogoi,

I am very happy to learn that you are going to bring out the annual issue of your college magazine. A College magazine gives lot of scope for creative activities amongst the students as well as the faculty members. I am sure you would have received enthusiastic co-operation from all concerned in this endeavour. I extend my good wishes to the teachers, students and staff of your college and hope the magazine would be a great success.

Yours sincerely,

(Prof. Devdas Kakati)
Vice - Chancellor,
Dibrugarh University.

## শুভেচ্ছাবাণী

সোণাৰি মহাবিদ্যালয়ৰ মুখপত্ৰখনি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য সংস্কৃতি তথা কলা সাধনাৰ জুইশালৰ পৰা ভবিষ্যত জীৱনৰ কমাৰ শাললৈ উত্তৰণৰ কামনা কৰিলোঁ ।

শ্ৰীগোলাপ বৰগোঁহাই
প্ৰাক্তন অধ্যক্ষ
সোণাৰি মহাবিদ্যালয় ।

## সূচীপত্ৰ


সম্পাদকীয়

**প্ৰবন্ধ**

- আত্মজীৱনী হিচাপে বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' — জ্যোতি ৰেখা গগৈ/ ১
- লাচিত বৰফুকন নাটকৰ পটভূমিৰ অন্তৰালত থকা বুৰঞ্জীৰ ঘটনাৰাজি — বিনন্দ মহন / ৪
- The Process of Learning English as a Second Language — Sunil Dutta / 9
- ভাৰতত তৈল উদ্যোগৰ বিকাশ — মিণ্টু গগৈ / ১২
- অসমীয়া জাতি গঠনত চুকাফাৰ অৱদান — কাশ্মিৰী গগৈ / ১৪
- 'মাদক দ্ৰব্য' মানৱ সমাজৰ বাবে এক অভিশাপ — ৰাজলক্ষী গগৈ(ৰাজা) / ১৬
- অসমীয়া সংস্কৃতিত তামোল পানৰ স্থান — জয়ন্ত গগৈ / ১৯
- মোমাই তামুলী বৰবৰুৱা — ৰাতুল মহন / ২১
- বৰ্তমান ছাত্ৰ সমাজৰ দুৰাৰোগ্য ৰোগ স্বৰূপ ৰেগিং আৰু ইয়াৰ প্ৰতিকাৰ — ধৰ্মজ্যোতি বৰুৱা / ২৩

**বিশেষ ৰচনা**

- প্ৰাচ্য বিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈ — বিপুল গগৈ / ২৬
- The Status of Women in India — Swapnali Gogoi / 28
- বৰ্তমান সমাজ ব্যৱস্থাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসঙ্গিকতা — নিপন ৰাজখোৱা / ৩০
- শিশুৰ অপৰাধ প্ৰৱণতা আৰু ইয়াৰ প্ৰতিকাৰ — দীপাঞ্জলী গগৈ / ৩২

**গল্প**

- নৈশ যাত্ৰা — বিতু সোণোৱাল / ৩৫
- গোন্ধ — আশাপূৰ্ণা শইকীয়া / ৩৭
- এটা গল্পৰ জন্ম যান্ত্ৰনা — দ্বীপজ্যোতি বৰা / ৪০
- অভিশপ্ত সেই ২৪ ফেব্ৰুৱাৰী — সীমান্ত বুঢ়াগোঁহাই / ৪৪
- ৰিক্সাৱালা — ৰতি প্ৰভা গগৈ / ৪৬

## উপন্যাসিকা


এখন নদীৰ সিপাৰে — নৃপেন বৰগোঁহাই / ৫০


## কবিতা


ৰৌদ্ৰ দগ্ধ আকাশৰ তলত — ৰবী গগৈ / ৫৭
প্ৰতীক্ষা — অঞ্জনা গগৈ / ৫৭
মতিভ্ৰম — বিশ্বজিৎ গগৈ / ৫৮
"The Voice of God" — Nobiur-Rohman Borah / 58
'প্ৰতিচ্ছবি' — পূৰবী শইকীয়া / ৫৯
মানুহৰ ছবি — যোগেশ্বৰ সোণোৱাল / ৬০
শৰতৰ আগমন — মিনাক্ষী কটকী / ৬০
আগবাঢ়, আগবাঢ় — উজ্জ্বল ফুকন / ৬১
আমাৰ জন্মভূমি — বিজন্ত বৰা / ৬১
ডাৱৰে আৱৰা বিষাদত — নিজুমণি চাংমাই / ৬২
বসন্ত — লোহিত গগৈ / ৬২
নতুনৰ অপেক্ষাত — মানসী ৰাজখোৱা / ৬৩



**সাধাৰণ সম্পাদকৰ প্ৰতিবেদন** / ৬৪


# আমাৰ কৃতজ্ঞতা


☆ অধ্যক্ষ সুৰেশ দাস
☆ উপাচাৰ্য্য দেৱদাস কাকতি
☆ প্ৰাক্তন অধ্যক্ষ গোলাপ বৰগোঁহাই
☆ ঔপন্যাসিক ধীৰেণ বৰুৱা
☆ ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী
☆ সমূহ অধ্যাপক - অধ্যাপিকা,প্ৰবক্তালৈ
☆ কাৰ্য্যালয়ৰ সমূহ কৰ্মচাৰীসমূহ
☆ কাৰ্য্যকালৰ আৰম্ভণিৰে পৰা অন্তিম মুহূৰ্ত্তলৈকে ছাঁটোৰ দৰে লাগি থাকি সহায় সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা বিপুল গগৈ, জ্যোতিৰেখা গগৈ আৰু দীপজ্যোতি বৰালৈ বিশেষভাৱে আন্তৰিক কৃতজ্ঞতা আৰু শলাগ জনাইছোঁ ।
☆ লগতে গিৰিণ গগৈ, বিতু সোণোৱাল, নৃপেন গোঁহাই, ৰাজীৱ পুৰি, উৎপল, শেনচোৰা, ভূবন নেওগ, নলীন গগৈ, দেৱজিৎ লাহন, অপূৰ্ব্ব বসুমতাৰী, পৰাণ শ্যাম, শুভ্ৰজিত সোণোৱাল, মনোজ চেতিয়া, ৰাতুল, লৰণ, নিৰঞ্জন আদিলৈ – শুভাকাংশী সতীৰ্থ বৃন্দলৈ।
☆ বিভিন্ন সময়ত লেখনি সমূহ প্ৰতিলিপি কৰি দিয়াত ভন্টী দীপ (দীপাঞ্জলী), মিনাক্ষী কটকী আৰু উত্তম চাংমাইলৈ ।
☆ বিভিন্ন সৰস লেখনিৰে আলোচনীখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰা সকলো লেখক লেখিকালৈ ।
☆ যি সকলে সময়ৰ অভাৱৰ হেতুকে সহায় কৰিব নোৱাৰিলে আৰু যি সকলৰ অফুৰন্ত সময় থাকিও ইচ্ছাকৃত ভাৱেই সহায় নকৰিলে সেই সকললৈও
☆ অপৰূপ অফছেট প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰ শ্ৰীযুত অৰুণ দত্ত দেৱ আৰু কৰ্মচাৰী বৃন্দলৈ, যি সকলৰ সহায় সহযোগ আমাৰ সদায়ে স্মৰণীয় হৈ ৰ'ব ।

সম্পাদকীয় ঃ

সাম্প্ৰতিক সময়ৰ কিছু প্ৰাসংগিক চিন্তা ঃ

# একবিংশ শতিকাৰ দুৱাৰদলিত অসম আৰু অসমীয়া জাতি

সময় এখন বোৱঁতী নৈ, ই চিৰ প্ৰবাহমান । ই কাৰো বাধা নামানে মাথো নিজস্ব মন্থৰ গতিৰে আগবাঢ়ে । এই সময়ৰ প্ৰভাৱতেই আজি আমি পৃথিৱীৰ ইতিহাসৰ বহু যুগ অতিক্ৰম কৰি বৰ্তমানৰ অৱস্থাত উপনীত হৈছোহি। বৰ্তমান প্ৰস্তৰ যুগ, প্ৰত্ন প্ৰস্তৰ যুগ আৰু নৱপ্ৰস্তৰ যুগ আমাৰ পৰা বহু দূৰত । এই যুগবোৰ আৰু বৰ্তমানৰ মাজত যি পাৰ্থক্য পৰিলক্ষিত হয়, সেই পাৰ্থক্য নিশ্চয় সময়েই আনি দিছে। এইদৰেই সময়ৰ কোবাল গতিত আহি আহি আজি বিংশ শতিকাৰ অন্তিম দশকৰ অন্তিম মুহূৰ্তত ভৰি দিছোহি। একবিংশ শতিকা আৰু বৰ্তমানৰ মাজত পাৰ্থক্য মাথো এটা বছৰ। তাৰ পিছতেই সকলোৱে প্ৰৱেশ কৰিম এক নতুন শতিকাত – একবিংশ শতিকাত। বৰ্তমান বিশ্বৰ প্ৰায় সকলোবোৰ জাতিয়েই একবিংশ শতিকাৰ বাবে ন ন উদ্যমেৰে প্ৰস্তুত হৈছে। সকলোবোৰ দেশেই নিজৰ কুঞ্চিত ৰাজমেৰুদণ্ড পোন কৰি থিয় হ'ব বিচাৰিছে। কিন্তু বৰ্তমান সময়ত ভাৰতবৰ্ষৰ প্ৰতি লক্ষ্য কৰিলে দেখিবলৈ পাওঁযে ভাৰতবৰ্ষৰ পূৰ্বৰ অৱস্থা আৰু বৰ্তমানৰ অৱস্থাৰ মাজত কোনো প্ৰভেদ নাই । কেৱল কিছু যান্ত্ৰিকতাহে আহি পৰিছে ।

ভাৰতবৰ্ষৰ বিভিন্ন খিলঞ্জীয়া জনসমষ্টিৰ সমাৱেশস্থলী। সেয়ে বিভিন্ন জাতি-উপজাতিৰ বিষয়ে আলোচনা কৰিবলৈ আজি মানৱৰ আহৰি নাই । গতিকে বিচিত্ৰ জাতি-উপজাতিৰ সমন্বয় সংস্কৃতি আৰু অলেখ প্ৰজাতি-উপপ্ৰজাতিৰ সংমিশ্ৰণেৰে গঠিত অসমীয়া জাতিটোৰ কথাকেই আলোচনা কৰিব বিচাৰিছো ।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৫০ বছৰ পাৰ হৈ গ'ল । ভাৰতবৰ্ষৰ লগতে অসমেও স্বাধীনতা লাভ কৰিছিল। গতিকে ভাৰতৰ লগতে অসমৰো এই ক্ষেত্ৰত অৰ্ধ শতিকা অৰ্জন কৰাৰ অভিজ্ঞতা হৈছে । কিন্তু আজি ৫০ বছৰৰ পিছত আমি কি কৰিছো ? আমাৰ আছে কি ?ভালকৈ লক্ষ্য কৰিলে দেখিবলৈ পাওঁ যে আজি অসমৰ অৱস্থা তথৈবচ । কোনেও কাৰোলৈ চাব নোৱাৰা অৱস্থা । কি আছিল আৰু কি হ'ল এই কথা আজি ফঁহিয়াই চাবৰ হ'ল । আজি অসমীয়া জাতিৰ যি অৱস্থা সেইয়া বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰণেতা চুকাফাই নিশ্চয় সপোনতো কল্পনা কৰিব পৰা নাছিল । বৰ অসমৰ প্ৰণেতা চুকাফাই বহু আশাৰে এক বৃহৎ অসমীয়া জাতি গঠন কৰিছিল । কিন্তু বৰ্তমান সময়ত অসমত অসমীয়া বুলি জাতি নাই । আছে মাথো বড়ো, কছাৰী, আহোম, মিছিং আদি কিছুমান জনগোষ্ঠীহে । আজি সকলো জনগোষ্ঠী নিজক লৈয়ে ব্যস্ত । এটা সময়ত সকলোৱে নিজকে অসমীয়া বুলি পৰিচয় দিবলৈহে ভাল পাইছিল, কিন্তু আজি সকলোৱে পৰিচয় দিয়ে বড়ো, কছাৰী, আহোম, মিছিং বুলিহে । তাৰ ফলত এই জনগোষ্ঠীসমূহৰ মাজত ভ্ৰাতৃত্ববোধৰ অভাৱ ঘটিছে আৰু ইজনে সিজনৰ স্বাৰ্থক মহতীয়াবলৈ কুণ্ঠাবোধ নকৰা হৈছে । আজি অসমত বিৰাজ কৰা হত্যা, লুণ্ঠন, হিংসা, গোষ্ঠীগত সংঘৰ্ষ আদি এইবোৰৰে ফলশ্ৰুতি । প্ৰকৃততে এইবোৰৰ বাবে দায়ী এই জনগোষ্ঠী সমূহ নহয় । ইয়াৰ বাবে দায়ী হৈছে হৃদয়হীন ৰাজনীতিবিদৰ ক্ষমতা সন্ধানী কছৰৎ বা ভাৱমূৰ্তি পিয়াসী বুদ্ধিজীৱিৰ সুবিধাবাদী আচৰণ । তেওঁলোকে আজি একমাত্ৰ নিজস্ব সুবিধাৰ বাবেই এই জনগোষ্ঠীসমূহৰ আৱেগক মাধ্যম হিচাপে লৈ তেওঁলোকক বিপথে পৰিচালিত কৰিবৰ বাবে সংযম হৈছে আৰু নিজৰ সুবিধা আদায় কৰিছে । আজি আমি এইবোৰৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবৰ হ'ল । আৱেগক আগস্থান নিদি নিজস্ব বিচাৰ বিবেচনাৰে সঠিক দিশটো থিৰাং কৰি অসমীয়া জাতিৰ ভাঙোন প্ৰক্ৰিয়াক বাধা দিবৰ সময় হ'ল ।

ইয়াৰোপৰি আন এটা কথা প্ৰণিধানযোগ্য যে যি মহৎ উদ্দেশ্য আগত ৰাখি অসমীয়া ৰাইজে ইংৰাজৰ বিৰুদ্ধে আন্দোলন কৰি স্বাধীনতা অৰ্জন কৰিছিল, সেয়া যেন এক ভেকো ভাওনাতহে পৰিণত হ'ল। স্বাধীনতাৰ পঞ্চাচ বছৰৰ পিছতো অসমৰ কোনো উন্নতিয়েই নহ'ল । অসমৰ এনে কিছুমান ঠাই আছে য'ত আধুনিক সভ্যতাৰ ন্যূনতম পোহৰো পৰা নাই । প্ৰায় সকলোধৰণৰ সা-সুবিধাৰ পৰা এই ঠাইবোৰ বঞ্চিত। ফলত অসমীয়া জনসাধাৰণৰ ক্ষোভৰ দাবাগ্নিত সকলো ফালৰ পৰা পৰিস্থিতি উত্তপ্ত হৈ পৰিছে । অসমৰ বৰ্তমানৰ অৱস্থাৰ বাবে প্ৰশাসনৰ লগতে জনসাধাৰণো সমানেই জগৰীয়া । অসমত নবীনেই হওঁক বা প্ৰবীণেই হওঁক কাৰো কৰ্মস্পৃহা নাই । শাসনকৰ্তাই যাচি দিয়া সা-সুবিধাবোৰ গ্ৰহণ কৰাৰ প্ৰতিও কোনো সচেতন নহয় । গতিকে এইবোৰৰ প্ৰতি সচেতন হোৱাৰ সময় আহি পৰিছে ।

বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থাৰ দিশটো অতি দুখলগা । ন্যূনতম আখৰ শিকা জনকেই প্ৰকৃত শিক্ষিত বুলি ক'ব নোৱাৰি । গণতন্ত্ৰৰ পূৰ্বৰ্স্বত্ব শিক্ষাৰ উদ্দেশ্য হৈছে এচাম শিক্ষিত স্থিৰ শাসক গোষ্ঠীৰ সৃষ্টি কৰা । কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থাই তথাকথিত কিছুমান নৈতিকতাহীন শিক্ষিত লোকৰহে জন্ম দিছে । সকলোৱে জানো যে "আজিৰ ছাত্ৰ কালিলৈ দেশৰ নাগৰিক"। সেয়েহে শিক্ষা ব্যৱস্থাই কিছুমান সচেতন নাগৰিকৰ জন্ম দিয়াটো প্ৰথম আৰু প্ৰধান কৰ্তব্য। কিন্তু এই ক্ষেত্ৰত আজিৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণ ব্যৰ্থ । আজিৰ শিক্ষা ব্যৱস্থা যিহেতু পুথিসৰ্বস্ব সেইবাবে পুথিকেই আওৰাই কিছুমান ছাত্ৰ-ছাত্ৰী পৰীক্ষাত উত্তীৰ্ণ হৈ গৈ আছে । এনে শিক্ষাৰ উদ্দেশ্যই হৈছে কিছুমান পদবীধাৰী চাকৰিয়ালৰ সৃষ্টি কৰা । সেয়েহে এনে এক শিক্ষা ব্যৱস্থাৰ সৃষ্টি কৰিব লাগে, যাৰ সহায়ত জনসাধাৰণ শিক্ষিত হোৱাৰ লগতে সকলোফালৰ পৰা সচেতনো হয় ।

এটা সময়ত অসমৰ সংস্কৃতি বিশ্বৰ দৰবাৰত আদৰণীয় আছিল। কিন্তু আজি সেই সংস্কৃতিৰ ওপৰত অপসংস্কৃতিয়ে বিৰাজ কৰিছে । পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱৰ ফলত আমাৰ সংস্কৃতিত ঘূণে ধৰিছে । যাৰফলত লোক নৃত্য, লোকগীত আদি আমাৰ মাজৰ পৰা হেৰাই গৈছে । আনকি সংস্কৃতিৰ প্ৰথম চিনাকি অতি চেনেহৰ গামোচাখনিও দক্ষিণ ভাৰতৰ পৰা আমদানি কৰা আৰু আজিৰ বিহুৱাৰ গাত দক্ষিণ ভাৰতৰ গামোচখনিয়েহে শোভা পায় । ঠিক তেনেদৰে বাঁহ, বেত আদি কুটি শিল্পসমূহো আমাৰ মাজত লুপ্ত পায় । আনকি অতিথি আহিলেও অন্ধ্ৰপ্ৰদেশৰ সফুঁৰাৰে আদৰণি জনোৱা হয় । মুঠতে ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে আমাৰ সংস্কৃতি অধঃ পতিত হৈছে ।

আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল আমি নিজৰ ভাষাটোক বিতৰ্কৰ মাজলৈ লৈ গৈছো । যি ভাষাৰ বাবে এটা

সময়ত আন্দোলন হ'ল সেই ভাষা আজিও বিৰ্তকৰ পৰা উদ্ধত নহয় । আজি আমাৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব নে ইংৰাজী হ'ব তাকলৈয়ো আলোচনা । যি অসমীয়া ভাষাক ৰাজ্য ভাষা ৰূপে প্ৰতিষ্ঠা কৰিবৰ বাবে বহুশ্বহীদে প্ৰাণত্যাগ কৰিলে সেই ভাষাই ৰাজ্যভাষা ৰূপে কাগজে পত্ৰইহে ঠাই পালে। প্ৰকৃতাৰ্থত আজিও অসমৰ স্কুল, কাৰ্য্যালয়বিলাকত ইংৰাজী ভাষাইহে প্ৰাধান্য পায় । আজি বিদ্যালয়, মহাবিদ্যালয়সমূহৰ শিক্ষাৰ মাধ্যম সম্পূৰ্ণৰূপে ইংৰাজী কৰাৰ এটা প্ৰক্ৰিয়া চলি আছে । ইংৰাজী এক শ্ল' পয়জনৰ নিচিনাকৈ চলি আছে ।

উপৰোক্ত বিভিন্ন দিশ বিশ্লেষণ কৰি আমি দেখিলো যে বৰ্তমান সময়ত অসম আৰু অসমীয়া জাতিৰ অৱনতি ঘটিছে। আজি একবিংশ শতিকাৰ দুৱাৰ দলিত আমি আজি পঙ্গু হিচাপে জীয়াই আছো । জনগোষ্ঠীসমূহৰ মাজত বিভেদৰ ধ্যান ধাৰণা মেলি দি 'অসম' আৰু 'অসমীয়া' এই শব্দ দুটাৰ অস্তিত্ব বিপন্ন কৰি পেলোৱা নাইনে? আজি অসমীয়া জাতিৰ কৰ্মস্পৃহাৰ অভাৱৰ বাবে অসমৰ উন্নয়ণৰ গতি স্থবিৰ হৈ গৈছে । আমাৰ শিক্ষা ব্যৱস্থাত ইতিহাস আৰু ভূগোল এই বিষয় দুটিৰ ওপৰত অৱহেলা কৰি অহা হৈছে । যি জাতিয়ে নিজৰ অতীত নাজানে, সেই জাতিয়ে নিজৰ ভৱিষ্যত গঢ়িব কেনেকৈ ? যি জাতিয়ে নিজৰ ভূখণ্ডৰ বিষয়ে নাজানে, সেই জাতিয়ে নিজ ভূখণ্ড কেনেকৈ ৰক্ষা কৰিব ? যদি আমি নিজৰ সংস্কৃতিকে পাহৰি যাওঁ, তেন্তে ভবিষ্যতে অসমীয়া বুলি কি দৰে চিনাকি দিম ? সেয়েহে আমি শিক্ষাৰ মাধ্যম হিচাপে অসমীয়াভাষাক আগস্থান দিবই লাগিব। যদি আন ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ল'বলৈ যাওঁ, তেন্তেআমাৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হ'ব । সেইবাবে আমি আমাৰ সম্পাদকীয়ৰ শিৰোনামা 'একবিংশ শতিকাৰ দুৱাৰদলিত অসম আৰু অসমীয়া জাতি' বুলি উল্লেখ কৰিছো। আজি অসম আৰু অসমীয়া জাতি ক্ৰমাৎ জাতি হেৰাই যোৱাৰ উপক্ৰম হৈছে । বৰ্তমান অসম আৰু অসমীয়াৰ অস্তিত্ব যি ধৰণে লুপ্ত হ'ব ধৰিছে সেই সময়লৈ হয়তো বেছি দিন নাই যেতিয়া আমি 'অসমীয়া' ৰ প্ৰকৃত ধাৰণা বিচাৰি মিউজিয়ামলৈ যাব লাগিব। গতিকে আজি আমি সকলো জনগোষ্ঠীৰ লোকেই সাজু হবৰ হ'ল যাতে আমি একবিংশ শতিকাত আমি 'অসমীয়া'ক বিচাৰি সংগ্ৰাহালয়লৈ যাব লগা নহয় । সেয়ে শিল্পী ভূপেন হাজৰিকাৰ গীতৰ কথা কওঁ, "আমি অসমীয়া নহও দুখীয়া, বুলি সান্তনা লভিলেই নহ'ব। গতিকে আমি আজি অসমীয়া বুলি যি সান্তনা লভিছো, সেই প্ৰৱণতা বাদ দি অসম আৰু অসমীয়াৰ প্ৰকৃত দায়িত্ব পালন কৰিব লাগে । আমি আশাবাদী যে বৰ্তমান অসম আৰু অসমীয়াৰ ভাঙোনৰ যি প্ৰক্ৰিয়া হৈছে সি নিশ্চয় সোনকালেই মহীমূৰ হ'ব আৰু একবিংশ শতিকাত আমি নিজ মেৰু দণ্ড পোন কৰি থিয় দিব পাৰিম ।

বিনীত –
বিশ্বজিৎ গগৈ

# আত্মজীৱনী হিচাপে বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'

জ্যোতিৰেখা গগৈ
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ।

সাহিত্যৰথী বেজবৰুৱা সাহিত্য জগতৰ এক ভোটাতৰা সদৃশ। কি কবিতা, কি উপন্যাস, কি গল্প, কি হাস্যৰস সকলোতে তেওঁৰ স্থান বিদ্যমান।

বৰ্তমান কালত অসমীয়া আত্মজীৱনীমূলক সাহিত্যৰ ভিতৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' অধিক মনোমোহা । নিজৰ জীৱনৰ কথা অকপটে কৈ যোৱাটো ইমান সহজ নহয় । এনে লেখা দিনলিপি আৰু সাহিত্য দুয়োটাৰে দুমোজাৰ বস্তু । য'ত দিনলিপিৰ যথাৰ্থ বিৱৰণ থাকে তাত সাহিত্যৰ সোৱাদ কম আৰু য'ত সাহিত্যৰ সোৱাদ বেছি তাত দিনলিপিয়ে সংৰক্ষণ কৰা সঁচা তথ্য কিছুমান লুকাই যোৱাৰ আশংকা বেছি । ফলত উন্নত সাহিত্যৰ ভিতৰত পৰা আত্মজীৱন কাহিনীৰ মহত্ব হ'ল কেৱল নিজৰ কথাতে ব্যস্ত নাথাকি প্ৰয়োজন সাপেক্ষে দুটি এটি অন্য চৰিত্ৰৰ কথাও দাঙি ধৰা, সমসাময়িক সমাজ সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশৰ এচমকা পোহৰ পেলোৱা, অতি বিনয় নাইবা অতি উচ্চাত্মিকা এটাও নথকাকৈ যথাযথ নিজৰ কথা কৈ যোৱা ইত্যাদি । স্পষ্টভাষিতা এনে ৰচনাৰ এটি গুণ । হেমচন্দ্ৰ বৰুৱাৰ 'আত্মবৃত্তমূলক', পদ্মনাথ গোহাঞি বৰুৱাৰ 'মোৰ সোঁৱৰণী', শৈলধৰ ৰাজখোৱাৰ 'অতীত সোঁৱৰণ', বেণুধৰ ৰাজখোৱাৰ 'মোৰ জীৱন দাপোণ' -- এই আটাইবোৰ আত্মজীৱনীৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' অতিৰিক্ত গুণেৰে সমৃদ্ধ ।

'মোৰ জীৱন সোঁৱৰণ' আধুনিক অসমীয়া সাহিত্যৰ এখন শ্ৰেষ্ঠ গ্ৰন্থ । বেজবৰুৱাৰ পৈণত সাহিত্যিক মনে য'তেই হাত দিছিল তাতেই সাহিত্যৰসৰ সোৱাদ দিব পাৰিছিল । গতিকে বেজবৰুৱাৰ আত্মজীৱনীখনিও বিচিত্ৰ সোৱাদেৰে উপাদেয় হৈ উঠিছে । 'মোৰ জীৱন সোঁৱৰণ'ৰ আৰম্ভণিতে বেজবৰুৱাৰ বিচিত্ৰ ষ্টাইলে ভুমুকি মাৰিছে । পোনতে তেওঁ কৈ ছে – "কোন শকৰ কোন তাৰিখে মোৰ জন্ম হৈছিল, মোৰ মনত নাই । পিতৃ-মাতৃৰ মুখৰ পৰা সেইটো সৰুতে শুনিছিলো যদিও পাহৰিলো । মই ডাঙৰ হলো যেতিয়া মনতে এটা শক ভাবি সাজি লৈ মোৰ জন্মৰ শক তাৰিখ নিদিলে নচলা কাৰ্য্যবোৰৰ নিমিত্তে সেইটোকে ব্যৱহাৰ কৰিছিলো। কাৰোবাক লাগিলে সেই শক তাৰিখটোকে এইখিনিত দিব পাৰোঁ। যথা ১৮৬৮ খৃষ্টাব্দ, নবেম্বৰ মাহ ।" এইদৰে নিজৰ জন্মৰ প্ৰকৃত তাৰিখ নিদিয়া কোনোবা আত্মজীৱনী বেলেগ আছে নে তেওঁ নাজানে । এইদৰেই বেজবৰুৱাই প্ৰকৃত তাৰিখ নজনাৰ বহল ব্যাখ্যা এটা দি গৈছে ।

গোটেইখন আত্মজীৱনীতে য'তেই তৰ্ক বা প্ৰশ্নৰ অৱকাশ আছে তাতেই তেওঁ ব্যাখ্যা একোটা দি সমালোচকৰ মুখ মাৰি থয়। তেওঁ শৈশৱৰ বৰ্ণনাখিনিয়ে আত্মজীৱনীখনৰ সৰ্বাতোতকৈ মনোৰম অংশ । ল'ৰালিৰ ৰং-ধেমালি, কোমল মনৰ সপোনৰ ৰঙীন ছবি এই অংশত পৰিস্ফুট হৈছে । শৈশৱৰ পৰা কৈশোৰ, কৈশোৰৰ পৰা যৌৱন, তেওঁ মনজগতৰ বিচিত্ৰ পৰিবৰ্তন ধীৰে ধীৰে ফুটি উঠিছে ৰচনাৰ মাজত । সকলো সময়তে এই ৰচনা সুখ পাঠ্য। কেতিয়াবা ৰহন বঢ়ায় হাস্যৰসৰ ছিটিকনিয়ে, কেতিয়াবা মনোৰম কৰে কাব্যিক পৰিভাষাৰ প্ৰকাশ ৰীতিয়ে ।

বেজবৰুৱাৰ আঁৰত সদায় কৃপাবৰ ৰূপটোৱে ভুমুকি মাৰিবলৈ সুযোগ বিচাৰি থাকে। ফলত হাস্যৰসৰ ৰচনাৰ এৰাব নোৱাৰা লগৰী হৈ পৰে। ঠিক সেইদৰে 'মোৰ জীৱন সোঁৱৰণ'ত হাস্যৰসে কোনো সময়তে সীমা পাৰ হৈ মূল বক্তব্যৰ সৌন্দৰ্য্য কমোৱা নাই। বৰঞ্চ কাহিনীৰ আকৰ্ষণ বঢ়াইছেহে। বেজবৰুৱাৰ হাস্যৰসৰ ইয়াত নিৰ্মল, ব্যংগৰ ছিটিকনি নাই। যিবোৰ অংশত সমাজ ব্যৱস্থাৰ অথবা কোনো বিশেষ ব্যক্তি শ্ৰেণীলৈ কটাক্ষপাত দেখা যায় -- তাত সামান্য ব্যংগ হয়তো আছে। কিন্তু বাকী অংশৰ হাস্যৰস নিৰ্মল আৰু অনাবিল। উদাহৰণস্বৰূপে নিজৰ জন্মৰ প্ৰসংগত তেওঁ কৈছে "আমাৰ অসমত ল'ৰা উপজিলে উৰুলি দিয়ে, শঙ্খ-ঘণ্টা বজায়, বৰ-কাঁহ কোবায়; ছোৱালী উপজিলে ঢেকী কোবায়, কুলা বজায়।" প্ৰবসুৱা বালিৰ ওপৰত মোৰ জন্মোৎসৱ উপলক্ষে কোনে কি কৰিছিল ক'ব নোৱাৰো; কিন্তু মোৰ এজন ককাইদেৱে হেনো "আজিৰ পৰা আমি পাঁচোটা হ'লো" এই বুলি আনন্দত টিকা চপৰিয়াই চপৰিয়াই বালিৰ ওপৰত দেও পাৰি নাচি ফুৰিছিল। এইদৰেই বেজবৰুৱাৰ প্ৰতিটো বাক্যৰ মাজতে হাঁহিৰ পৰশ আছে, তাক ভাঙি-ছিঙি ব্যাখ্যা কৰি দেখুওৱাই টান।

বেজবৰুৱাৰ নিপুন হাতত সৰু-বৰ সকলো চৰিত্ৰ সমানে জীৱন্ত হৈ উঠে। চৰিত্ৰ চিত্ৰণৰ দক্ষতাৰ বাবে তেওঁৰ বিশেষত্বহীন কাহিনী একোটাও মনোৰম কৈ জিলিকি উঠে। কিছুমান সৰু অথচ সজীৱ চৰিত্ৰ আত্মজীৱনীখনিৰ অন্যতম সম্পৰ্ক। তাৰে ভিতৰত লগুৱা ধনী অন্যতম। সি উটনুৱা, তজবজীয়া আৰু দুষ্ট। তাৰ কথাই কামে চেঙেলীয়া বয়সৰ চঞ্চলতা বিৰাজমান। ঠিক সেইদৰে সৰুতে চোৰাচিতা কৰাৰ ৰবি ককাৰ শাসন, মৰম আৰু সাধুকথাৰ সোৱাদো নিজৰ কালৰ লক্ষ্মীনাথে পাহৰা নাই। ৰবিককাৰ চৰিত্ৰ স্পষ্ট আৰু আমোদজনক। এইদৰে অসংখ্য বিচিত্ৰ চৰিত্ৰৰে ভৰা আত্মজীৱনীখনি মাজে মাজে উপন্যাসৰ দৰেই সুখ পাঠ্য হৈ উঠে।

বেজবৰুৱাৰ নিজ মাতৃভূমিলৈ গভীৰ প্ৰীতি তেওঁৰ সকলো ৰচনাৰ অবিচ্ছেদ্য অংগ বুলিও ক'ব পাৰি আৰু তাৰ লগে লগে থাকে এক তীব্ৰ স্বদেশ- চেতনা, অসমীয়া সাহিত্যত এক সোণালী যুগৰ সৃষ্টি কৰে 'জোনাকী কাকত'ৰ যোগেদি। চন্দ্ৰকুমাৰ আগৰৱালাৰ উৎসাহ, কৰ্মনিষ্ঠা আৰু সদিচ্ছাৰ কথাও এই প্ৰসংগতে ওলাই পৰিছে। মাতৃভূমিৰ পৰা বহু আঁতৰত থকা অসমীয়া ছাত্ৰসকলৰ মনত স্বদেশ-চেতনা জগাই দিছিল ঘাইকৈ পাশ্চাত্য চিন্তাধাৰাৰ সুফলে। মাতৃভাষাৰ দীন-হীন বেশে অন্তৰত আঘাত দি এওঁলোকক ব্যথিত কৰাৰ ফলস্বৰূপে জন্ম হৈছিল 'জোনাকী' কাকতৰ। এই যুৱকসকলৰ আশাবাদী মনোভাৱ আৰু অকৃত্ৰিম স্বদেশ প্ৰেমৰ কথা বেজবৰুৱাৰ ৰচনাত আভাসে ইংগিতে ফুটি উঠিছে। অসমীয়া ভাষা সাহিত্যৰ পূজাৰীসকলৰ বিষয়ে কৰা এই তথ্য সংৰক্ষণে আত্মজীৱনীখনৰ মূল্য বৃদ্ধি কৰিছে।

বেজবৰুৱাৰ ৰচনাৰ অন্যতম মোহিনী গুণ হ'ল তেওঁৰ সুন্দৰ সাৱলীল ভাষা। নিজৰাৰ দৰে স্বচ্ছন্দ-প্ৰৱাহী আৰু ফটিকৰ দৰে নিৰ্মল সেই ভাষা তেওঁৰ প্ৰতিবিধ সাহিত্য কৰ্মৰে ঘাই আকৰ্ষণ। তেওঁৰ ৰচনাত যি নিজস্ব ষ্টাইল বৰ্তমান -- সি অতিশয় সুখ পাঠ্য। ৰচনাৰ কৌশলেৰে পাঠকক তেওঁ মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। তদুপৰি এইবোৰৰ মাজেদি ফুটি উঠে সমসাময়িক সমাজৰ বহুৰঙী ছবি--যিবোৰৰ আকৰ্ষণ মূল কাহিনীতকৈ কোনো গুণে কম নহয়।

বেজবৰুৱাৰ বাকীবোৰ ৰচনাৰ দৰে আত্মজীৱনীখনিৰ মাজেদিও তেওঁৰ বৈষ্ণৱমনৰ পৰিচয় ফুটিছে। ইয়াৰ মুখ্য কাৰণ হৈছে তেওঁলোকৰ শিৱসাগৰৰ ঘৰখন আছিল প্ৰকৃতাৰ্থতেই মহাপুৰুষৰ সেৱক। বিহিত নীতি-নিয়মেৰে নাম-প্ৰসংগ অবিৰাম চলিছিল। সেয়েহে এনে পৰিস্থিতিত ডাঙৰ হোৱা লক্ষ্মীনাথৰ মনত মহাপুৰুষীয়া ধৰ্মৰ প্ৰতিটো শিক্ষা আৰু উপদেশ দকৈ সোমাই পৰা স্বাভাৱিক। ইয়াৰ বাহিৰেও নানা উপমা আৰু পটন্তৰৰ মহাপুৰুষৰ গীত-মাত নাইবা অন্য ভকতীয়া মাত উপচি আছে। কেতিয়াবা এইবোৰে কথাৰ গুৰুত্ব বৃদ্ধি কৰিছে আৰু কেতিয়াবা সুন্দৰ কৌশলেৰে নিৰ্মল হাস্যৰসৰ মাজতো সোমাই পৰিছে।

এই আটাইবোৰ লক্ষণৰ মাজত মিলাই লৈ বিচাৰ কৰিলে 'মোৰ জীৱন সোঁৱৰণ'ক এক আগশাৰীৰ সাহিত্য-



কৰ্ম বুলি নিশ্চিতভাৱে ক'ব পৰা যায়। এই ৰচনাখনিৰ মাজত অতিৰিক্তভাৱে আৰু এটি গুণ দেখা যায়। সেইটো হ'ল আত্ম সমালোচনা। নিজৰ দোষ অথবা ভুলৰ কথাও তেওঁ হাঁহিৰ মাজতে উনুকিয়াই গৈছে। কবি বেজবৰুৱাৰ কাব্যিক মনটোৱেও মাজে মাজে ভুমুকি মাৰি ৰচনাখনিৰ বহন চৰাইছে।

'মোৰ জীৱন সোঁৱৰণ' এইবোৰ বৈশিষ্ট্যৰে সমৃদ্ধ বাবেই এখনি উপভোগ্য আত্মজীৱনীত পৰিণত হৈছে। আত্মজীৱনীখনিৰ মহত্বৰ বিষয়ে কবলৈ গলে মনলৈ আহে বাণীকান্ত কাকতিৰ মন্তব্য ঃ 'বেজবৰুৱা ডাঙৰীয়া সকলো বিদেশী প্ৰভাৱৰ বিৰুদ্ধেই বিদ্ৰোহী' কবিয়ে কবৰ নিচিনা-- My heart is in the Highland wherever I go -- বেজবৰুৱা ডাঙৰীয়া যতেই থাকক তেওঁৰ হিয়া পৰি আছে অসমৰ হাবি-বননিৰ মাজত তেওঁ বঙালী সন্দেশ, মিঠৈ খাই থাকিলেও তেওঁৰ জিভাৰ পানী পৰে এতিয়াও অসমীয়া কাহুদি-খাৰলিৰ সোঁৱৰণিত। এই সুগভীৰ স্বদেশানুৰাগ, স্বদেশ প্ৰীতি বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা।"

এই আত্মজীৱনীখনিতো স্বদেশ প্ৰীতিৰ এই মহৎ সুৰ ধ্বনিত হৈ ৰচনাখনিৰ সৌন্দৰ্য্য বঢ়াই তুলিছে। সেয়েহে বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'খনে আত্মজীৱনী হিচাপে সফলতা লাভ কৰিছে। ❑

*সামগ্ৰিক ভাৱে মানুহৰ আচৰণৰ মান নিৰ্ভৰ কৰে তেওঁৰ তিনিটা সম্পৰ্কৰ ওপৰত। সমাজৰ লগত তেওঁৰ সম্পৰ্ক, নিজৰ কামৰ লগত তেওঁৰ সম্পৰ্ক আৰু বিপৰীত লিংগৰ লগত তেওঁৰ সম্পৰ্ক -- এলফ্ৰেড এডলাৰ--*

# লাচিত বৰফুকন নাটকৰ পটভূমিৰ অন্তৰালত থকা বুৰঞ্জীৰ ঘটনাৰাজি

*বিনন্দ মহন*
প্ৰবক্তা ঃ সোণাৰি মহাবিদ্যালয়।

আহোম ৰজা জয়ধ্বজ সিংহৰ দিনত ১৬৬৩ খ্ৰীষ্টাব্দত ২৩ জানুৱাৰীত টিপামৰ ঘিলাজাৰী ঘাট নামে ঠাইত মুছলমান সেনাপতি মিৰজুম্‌লা আৰু আহোম ৰাজবিষয়াবিলাকৰ মাজত এখন চুক্তিপত্ৰ সম্পাদন হয় । এই চুক্তিত মিৰজুম্‌লাৰ চৰ্ত্ত আছিল -- "ভাল ৯০ হাতী, ৩০০০০০ লাখ টকা দিব, পাম, মহাৰাজাৰ জীয়েক এটি পাৎশাৰ বেটালৈ দিয়ক, তেবেসে সমস্ত কাৰ্য্য হাচিল হৈবেক।" এতেকে জয়ধ্বজ সিংহয়ো দেশখন ৰাখো বুলি এই প্ৰস্তাব মানি ল'বলৈ বাধ্য হৈছিল । তিপাম ৰজাৰ জীয়েক এগৰাকীৰে সৈতে নিজৰ জীয়েক ৰমণী গাভৰুক মোগলৰ হেৰেমলৈ উলিয়াই দিব লগা হ'ল । এই চুক্তিমতে মোগলে আহোমক "দক্ষিণে কাজলী, উত্তৰে ভৰৰী এই সীমনা " -- এৰি দিলে । নবাব মিৰজুম্‌লাই চুক্তি সম্পাদনৰ পিছত গড়গাঁও এৰি স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কৰিলে । বাটতে গুৱাহাটীত কিছুদিন থাকি সেইখণ্ডৰ শাসনভাৰ চলাবৰ বাবে ৰচিদ খাঁ- ক গুৱাহাটীৰ ফৌজদাৰ পাতি ভটিয়াই গ'লগৈ।

মিৰজুমলাৰ আক্ৰমণৰ সময়ত ৰাজধানী এৰি পলাই যাব লগীয়া হোৱাৰ বাবেই কোনো কোনো বুৰঞ্জীত এইজনা ৰজাক 'ভগনীয়া ৰজা'--- বোলা হৈছে । বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞাৰ মতে "লাজ অপমান আৰু শোকত নিৰন্তৰে চকুপানী টুকি ১৬৬৩ খ্ৰীষ্টাব্দৰ নবেম্বৰ মাহত জয়ধ্বজ সিংহ স্বৰ্গদেৱে ইহলীলা সম্বৰণ কৰিলে ।" এওঁৰ ৰাজত্বকাল ১৬৪৮/১৬৬৩ খ্ৰীষ্টাব্দ । জয়ধবজ সিংহৰ মৃত্যুৰ তিনিদিনমানৰ অন্ততহে বকতাৰ বাহৰত চাৰিং ৰজা চকৰা কোঁৱৰ ৰাজপাটত উঠে। হিন্দুমতে নাম ললে চক্ৰধ্বজ সিংহ। ৰাজপাত আৰোহণৰ দুদিনমান পাচতে গুৱাহাটীৰ ফৌজদাৰে দিল্লী বাদছাহৰ উপহাৰ স্বৰূপে শিৰপাও বঁটা লগত দি আহোমে মোগলক দিবলগা বাকী পেচ্‌কচ্‌ বিচাৰি কটকী পঠালে। "পাচে ঁদেৱে বকতাৰ পৰা আহি লেচাঙ্গত বাহৰ কৰি বঙালৰ কটকী তুলিলে।" চক্ৰধ্বসিংহৰ ৰাজসভালৈ মোগল কটকীৰ এই আগমনেই শৰাইঘাট ৰণৰ এক অন্যতম কাৰণ বুলিব পাৰি। বুৰঞ্জীবিদ ভূঞাদেৱৰ মতে --- "মোগলৰ পেচ্‌কচ্‌ দিয়াত যৎসামান্য হীনডেৰী হোৱাত মোগল কৰ্মচাৰীৰ আইচতি বৰকথা শুনিব লগাত স্বৰ্গদেৱে কলে --" বঙ্গালৰ অধীন হৈ থকাতকৈ মৰণেসে উচিত।" এইবুলি ৰজাই হেৰুৱা ৰাজ্য উদ্ধাৰৰ বাবে এখন ৰণকে কৰোঁ বুলি স্থিৰ কৰিলে। প্ৰথম অৱস্থাত আতন বুঢ়াগোঁহাইকে প্ৰমুখ্য কৰি অন্যান্য ডা-ডাঙৰীয়া সকলেও ৰজাৰ এই সিদ্ধান্তৰ লগত একমত হ'ব পৰা নাছিল । কিয়নো সেইটো বছৰত ( ১৬৬৫ চন) এক অভূতপূৰ্ব অনাবৃষ্টিৰ ফলত দেশত এটা ডাঙৰ আকাল হৈছিল আৰু এনে কাৰণতে ৰাজভঁৰালো প্ৰায় উদং হৈ পৰিছিল। অৱশেষত কিন্তু ৰজাৰ উৎসাহ দেখি বুকুত সাহ গোটাই বিলম্ব পন্থা এটা লৈ হলেও মোগলৰ লগত ৰণ এখন কৰাৰ কথাত হয়ভৰ দিলে আৰু সেই মতে সকলো প্ৰস্তুতিও চলালে।

সেনাপতি পাতিবলৈ ৰজাই মানুহ বিচাৰি আছিল। এদিন -- "পৰ্বতলৈ ঁদেৱ যাওঁতে সৰুজনাক বৰফুকন পাতিবৰ মনে দোলাৰ কাষলৈ আনি বলবুদ্ধি চাবৰ কাৰণে বোলে-- 'আগে দুলীয়া বৰুৱা আছিল, দুলীয়াই শিখা দোলা কেনেকৈ বব লাগে।' আৰু ঁদেৱে বোলে -- 'বঙাল শত্ৰু ওচৰত আছে; কেনেকৈ ছৈদ পীৰোজ, ছৈদ চালাক ধৰিব পৰা যাব ? অধিকাৰী যাক দিম সিও গাঢ় হব লাগে ।' পাচে সৰুজনাএ বোলে, -- ঁদেৱৰ ৰাজ্যত নো মানুহ নাই নিকি ? বঙ্গাল নো সি কি, মানুহহে। আমাৰ ৰাজ্যত নোলাবনিকি তেনে মানুহ ? ঁদেৱে ধুলা দিবহে লাগে, মন কৰি চাওক।' এইৰূপে মন চাই ঁদেৱে সৰুজনা লাচিতক বৰফুকন পাতি পঠালে।" সূৰ্য্যকুমাৰ ভূঞাদেৱে লাচিতক সেনাপতি নিৰ্বাচন কৰাৰ প্ৰসংগত কৈছে --

"Lachit Phukon was appointed commander -in-chief of Ahom army, the selection being made after a regular trial of his courage and leadership."

চক্ৰধ্বজসিংহই ৰণুৱা দল সংগঠনত নিজেই বহুখিনি কৰিছিল। এই সম্পৰ্কেও ভূঞাদেৱে কৈছে--

" The king personally attended the parade held on the end of the deparature of the army and satisfied himself as to their mettle and equipment."

এইদৰে সৈন্য বাহিনী প্ৰস্তুত হোৱাৰ পাচত-- "পুনৰ্ব্বাৰ বঙালৰ লোক গুৱাহাটীত থকা শুনি ছৈয়দ জাফৰক ৰাখি ঁদেৱে বাহগড়ীয়া বুঢ়াগোহাঁইপ্ৰমুখ্যে ডাঙৰীয়া সকলৰে আলচি বৰবৰুৱাৰ পুতেক লাচিত বৰফুকন ... এইসকলক ইটাখুলি মাৰিবলৈ পঠালে ১৫৯০ শকৰ ভাদ্ৰত ।" এই অনুক্ৰমে তেওঁলোক গৈ -- "শক ১৫৯০ আহিন মাহত আচামে মানাহ ভেটি ধৰি ছৈয়দ পীৰোজ নবাব প্ৰমুখ্যে ধৰি আনিলে ।"-- "সেই সময়ৰ পৰাহে বঙালৰে আচামৰে মানাহ নৈ সীমা হ'ল। .... ঁদেৱে বঙাল খেদিবৰ বাৰ্ত্তা পাই আনন্দ হুই বোলে,-- 'এতিয়াহে মঞি সুখে ভাত এক গৰাহ খাও।" চক্ৰধ্বজ সিংহই আত্মসন্মান ৰাখি এইখন ৰণত জয়ী হ'ল সেয়েহে ৰজাৰ মনৰ সন্তোষৰ কথা উল্লেখ কৰি ভূঞাদেৱে কৈছে --

On hearing of the recovery of Kamrup the King Chakradhwaj Singha was overwhelmed with joy and said, 'Now it is that I eat my morsel of food with peace and happiness' .. He further expressed his regret that the Mugals has exacted tributes from Assam by making presents of sewn robes, referring to the customary khelas and Sirpaos, presented by the Mugal Emperors to tributary Rajas."

ঘিলাজাৰী ঘাটৰ চুক্তি , মোগলৰ 'জৰীদাৰ খেলাত' আৰু 'শিৰপাও বঁটা'ৰ অপমানজনক উপহাৰ দলিয়াই মানাহলৈকে আহোম ৰাজ্যৰ স্বাধীনতা ঘোষণা হ'ল ।

এই ৰণজয়তে ক্ষান্ত নাথাকি লাচিত, আতন আদি আহোমৰ দা-ডাঙৰীয়া সকলে আলচ কৰি গুৱাহাটী সুৰক্ষাৰ ব্যৱস্থা ল'লে । প্ৰথমতে চামধৰাত কোঠ পতাৰ কথা ভাবিও পিচত লাচিতৰ পৰামৰ্শমতে গুৱাহাটীকহে যুঁজৰ বাবে সুৰক্ষিত ঠাই বুলি গণ্য কৰি তাত কোঠ পতা হ'ল । এইক্ষেত্ৰত লাচিতৰ পৰামৰ্শ আছিল-- "চামধৰাত হুঁহকি ধৰাত কৰি ঐয়াত হ'লে বহাত থাকি যুদ্ধ কৰিব পাৰি।"

এই বন্দোবস্ত অনুসৰি গুৱাহাটীত বাহৰ পাতি ভাগে ভাগে থকা আহোমৰ বা-বিষয়াসকল আছিল -- "দক্ষিণে ইটাখুলিৰ নামে বৰবৰুৱা সৰুপুত্ৰ লাচিত বৰফুকন সেনাপতি, অমৰাজুৰিৰ পৰা পাণ্ডুত বৰগোঁহাই -- ফুকন খহোৱা, ... উত্তৰে জুৰিয়াৰ পৰা শৰাইঘাটলৈ বৰ অভয়পুৰীয়া ৰাজখোৱা আছিল । ... লঠিয়াৰ পৰ্বতত বাঁহগড়ীয়া বুঢ়াগোঁহাই আছিল। .. এই ৰূপে সকলো বৰহিলৈ পাতি সাৱধানে থাকিল । গড়ত বেএঃত মানুহটো, পৰ্বতত তিনি বেএঃত মানুহ দুটাকৈ দিলে।"

"দেবো গজপুৰৰ পৰা কলীয়াবৰলৈ গ'ল । .. তাতে থাকি ঁদেৱে একদিনা চামধৰা গড় চাই আহিলগৈ। তৰে পৰা আয়াযাত কৰি বিশ্বনাথত যজ্ঞো কৰিলে।"

"পাচে অৰঙ্গজ পাৎশাত বঙালে ক'লে বোলে, -- 'আচামে গুৱাহাটী ল'লে, লোক-লস্কৰ বহুত পৰিল।' পাচে পাৎশা শুনি উজীৰ - নবাব সকলৰে সমালোচন হুই জয়সিংহৰ বেটা ৰামসিংহক পঠালে, বোলে -- 'আচামক উপায়ে মন্ত্ৰণায়ে ধৰগৈ .. ।"

ৰামসিংহই আহি প্ৰথমতে ধুবুৰীৰ ওচৰৰ ৰঙামাটিত কোঠ মাৰিলেহি । ১৬৬৯ চনৰ ফেব্ৰুৱাৰী মাহত। সেই সময়ত গুৱাহাটীত যুদ্ধৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱাই নাছিল । গতিকে বৰফুকনে সময় উলিয়াবলৈ কটকী পঠাই যুদ্ধখন পিচুৱাবৰ কৌশল ললে। অসম বুৰঞ্জীত লাচিত আৰু ৰামসিংহৰ মাজত

হোৱা কটকী বিনিময়ৰ এটা দীঘলীয়া পৰ্ব আছে। বুৰঞ্জীত আছে -- "পাচে সকলোৱে সমালোচন কৰি বোলে , -- 'বঙালক দিনাচাৰেক থমাই বালি গড় কিছু দিবলৈ পালে ভাল।" এই বুলি মন্ত্ৰণা কৰি লাচিতে ৰামসিংহৰ ও চৰলৈ কটকী পঠালে। আৰু সুধি পঠালে এইবুলি -- "তাঞিঙ কি কাৰ্য্যে আহিছে আৰ্মিও জান পাব লাগে .. ।" ৰামসিংহয়ো প্ৰত্যোত্তৰত কটকীৰ মুখেৰে কৈ পঠালে -- "আহলাৰখাঁয়ে বৰবৰুৱা সহিত যি নিবন্ধ (১৯৩৯ খ্ৰীঃ) অসুৰালি, বৰনদী যি সীমা কৰি গৈছে সেই নিবন্ধকে লৈ গুৱাহাটী ছাৰি দিয়ক তেৱে গো-ব্ৰাহ্মণ ৰক্ষা পৰিব। আমি ৰাজা মান্ধাতাৰ নাতি ৰামসিংহ আহিছো। .. আৰু যদি চৰমজান নাই মোলৈ কৈ পঠাব , দি পঠাম। ভাই ফুকনে এক ঘৰি লেঢ়াই দিয়ক ।"

এইখিনিৰ উত্তৰত লাচিতে পুনৰ কৈ পঠালে -- "আহলাৰখাঁ বৰবৰুৱাৰ প্ৰীতিকথা যি কৈছে, গুৱাহাটী তাঞিঙৰ নহয়। পূৰ্বে কোঁচক খেদি লোৱা গৈছে। দৈবগত্যিয়ে গোটাচাৰেক দিন আমাৰ পৰা গৈছিল । ইদানী ঈশ্বৰে দিলত আমি পাইছো । ... আৰু এক ঘড়ি লেঢ়াই দিবৰ যি কথা কৈছে শৰীৰ থাকে মানে যুদ্ধ কৰা যাব। আৰু যুদ্ধৰ সামগ্ৰী দিম বুলি যি কৈছে তাঞিঙ পথশ্ৰমে আহিছে, আপোনাকে নোজোৰে । "দেৱৰ কোন বস্তু অপ্ৰাপ্য আছে ? যদি নাই তাঞিঙ খুজিব , মই দিম ।"

কটকীৰ মুখে লাচিতৰ কথাবোৰ শুনি ৰামসিংহই বিনাযুদ্ধে ৰণজয় নহব বুলি বুজি পাই উজাই আহি হাজোত কোঠ মাৰিলেহি । তাৰ পৰাই আকৌ শেষ চেষ্টাৰূপে আফুগুটি এটোপোলা কটকীৰ হাতত দি কথাৰেও কটাক্ষ কৰি ফুকনলৈ বুলি গুৱাহাটী খুজি পঠালে । লাচিতে তাৰো প্ৰত্যোত্তৰত আফুগুটিখিনিৰ লগতে এখন পটা দি ৰামসিংহলৈ কৈ পঠালে এই বুলি " আৰু মনুষ্যৰ যি প্ৰমাণ কৈছে এইখন পটা দিছো, পোস্তাৰ গুটি ইয়াত বাটিলে পানী হব। আৰু ঘোঁৰা যি পশু, তাক মানুহে চলায় । আৰু বালি এটোপোলা দিলে, বোলে, - - 'আমাৰ সৈন্যৰ এনয় লক্ষণ ।'

"১৫৯০ শকৰ চৈত্ৰ মাহত ২১ গতে ৰামসিংহ আহি আগিয়াঠুটিত বহিল।" ইয়াত থাকোতেই ৰামসিংহৰ লগত পালি সেনাপতি ৰচিদখাঁৰ মনোমালিন্য ঘটিল। বুৰঞ্জীত তাৰো বিৱৰণ আছে এইবুলি -- "ৰামসিংহ পঞ্চশব্দ নহবত বজায়, ৰচিদখাঁও বজায় । পাচে ৰামসিংহে বোলে,— 'সি মোৰ সমানে নহৱত বজাব নাপায়, মই দুইবাৰ বজালে পাচে একবাৰ বজাব।' ৰচিদখাঁ বোলে, - মোকো পাৎশাই পঠাইছে তাকো পঠাইছে, মই নহৱত কিয় নবজাম ?' এই এক বিৰোধৰ কথা। .. পাচে ৰোহ কৰি তাৰ সৈন্য সহিতে ৰচিদখাঁ হাজোলৈ ভটিয়াই গ'ল। পাচে ৰামসিংহে বাৰ্তা পাই মাতিলত নাহিল।"

সেইটো বছৰৰে 'বৈশাগ, জেঠ, আহাৰৰ এক পক্ষলৈ যুদ্ধ কৰিলে ।" এই খণ্ড যুদ্ধবোৰত ৰামসিংহই আহোমৰ গড় অতিক্ৰম কৰাৰ অপ্ৰাণ চেষ্টা চলাইছিল । ভূঞাদেৱে কৈছে -

" The conflicts continued for a couple of years without any decisive result. King Chakradhwaj Singha being anxious for a speedy victory pressed for the launching of offensive measures against the enemy. The Barphukan had against his will, to attack the Mugal army mainly consisting of Rajputs, in the Alaboi plain near Hajo."

এইখিনিতে অসম বুৰঞ্জীত আলাবৈ ৰণৰ বিষাদজনক পৰিণতিৰ বৰ্ণনা আছে এই বুলি "সেইবেলা ঘোঁৰাকোঁৱৰে সঘনে বাতৰি লৈ আছিল ।" তাত থকা বিষয়াসকলে ভাবিলে আহোমে গড়ৰ বাহিৰ হৈ মোগলক ধৰাহে ভাল হব। "চাৰিওফালে পানী হৈছে , গড়ৰ পৰা ওলাই ধৰিলে পাৰি।" এইকথাত লাচিতৰ সন্মতি নাছিল । অৱেশষত বাকীসকলে স্বৰ্গদেবৰ আজ্ঞা বিচাৰি জনাই পঠালত -- "দেৱে বোলে , - - জান যে এনে ছল আছে নধৰ কিয় ? এতিয়াও যা।" লাচিতৰ হাক-বচন নুশুনি তেওঁলোকে গড়ৰ বাহিৰ হৈ যুদ্ধ ধৰিলেগৈ। বঙালে ছিদ্ৰ পাই বিস্তৰ মানুহ কাটিলে । বুৰঞ্জীমতে এইখন ৰণ ১৫৯১ শকৰ ফাগুন মাহত হৈছিল । এই ৰণে লাচিতক বৰকৈ মনত আঘাট দিছিল । সেয়েহে লাচিতক প্ৰবোধ দি বুঢ়াগোঁহায়ে কৈছিল -- "বাৰীৰ ভিতৰত পুখুৰী এটা সিচিলে আঠ-দহোটা মানুহক শিঙিয়ে ফুটে। এখন ৰণত যেনিবা আঠ দহ হাজাৰ মানুহ পৰিল, সিনো কি বৰ কথা হ'ল ।"



১৫৯১ শকৰ ফাগুনত আলাবৈ যুদ্ধৰ পিচত সেই ৰণৰ বাতৰিয়ে চক্ৰধ্বজ ৰজাক বৰকৈ মনত আঘাট দিলে । সেয়েহে সেইবছৰৰে ভাদলৈ ৰজা জলসাৰ ব্যাধিত মৃত্যু হ'ল।

ইফালে গুৱাহাটীত মোগলৰ আক্ৰমণ আসন্ন হৈ পৰাত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে এটা গড় নিৰ্মাণ জৰুৰী হৈ পৰিল । লাচিতে সেই গড় বান্ধিবলৈ নিজৰ মোমায়েকক এৰাতিৰ সময় দিলে । পিচে পুৱতি নিশা গড় চাবলৈ গৈ লাচিতে গড় বন্ধা লোকসকল শুই থকা দেখি মোমায়েকৰ ওপৰতে খং উঠি - - 'দেশতকৈ মোমাই ডাঙৰ নহয় বুলি মোমায়েকক দুছেওকৈ কাটিলে ।

চক্ৰধ্বজ সিংহৰ মৃত্যুৰ পিচত হাইঠাগুৰি বাহৰৰ শিঙৰি ঘৰত উঠি উদয়াদিত্য সিংহ ৰজা হ'ল । চক্ৰধ্বজৰ অন্তিম ইচছা পুৰণ কৰিব নোৱাৰি লাচিতৰ মন এইসময়ত বিমৰ্ষ হৈ পৰিছিল । এনেতে ৰামসিংহই লাচিতৰ ওচৰলৈ কেইবাটাও শপত খাই গুৱাহাটী খুজি পঠালে আৰু লাচিতৰ লগত মিত্ৰতাৰ প্ৰস্তাবো আগবঢ়ালে এইবুলি -- "মোক গুৱাহাটী ছাৰি দিয়ক, আৰু ছৈয়দ পিৰোজৰ বেটা ছৈয়দ চালাক এৰি দিয়ক । আতকৈ যদি বঢ়া খোজোঁ", হাতৰ তৰোৱাল উলিয়াই বোলে , মোক পৰমেশ্বৰীয়ে খাব।'... এই কথাত যদি সঞ্জাত নাযায় লোহিতৰ সমীপত মাধ গোঁসাই আছে তাতে শপত কৰি কব। ভাই ফুকনে যদি এই কথা গাত লব, যেই খোজে মই তাকে দিম ।' .. পাচে বৰফুকন প্ৰমুখ্যে সকলোৱে গুৱাহাটী এৰি দিবলৈকে চিত্ত হ'ল ।" এনেবোৰ কথাৰ পৰাই বুজা যায় যে হয়তো ইয়াতেই শৰাইঘাট ৰণৰ অন্ত পৰিলহেতেন কিন্তু আতন বুঢ়াগোঁহাইৰ বুদ্ধি পৰামৰ্শ পাই এইবাৰলৈও সন্ধি ন'হল। সকলোৱে শেষ ৰণখনৰ বাবে কঁকালত টঙালি বান্ধিলে।

এইখিনি সময়তে আন এটা ঘটনাও ঘটিল । দিল্লীৰ বাদশাহে ৰামসিংহৰ যুদ্ধৰ পলম গতিলৈ চাই এই বুলি মন্তব্য কৰিলে -- "তাক মই আচামৰ যুদ্ধলৈ পঠালো, আচামৰ সহিতে প্ৰীতি কৰিবলৈ পঠোৱা নাই।" এইখিনি কথাৰ লগতে ৰামসিংহই নিজ পৰিয়ালৰ পৰা গোপনে পঠোৱা এটা মৰ্ম্মান্তিক বাৰ্ত্তাও পালে এই বুলি-- "পাৎশাই ৰামসিংহক খং কৰি পুতেক কৃষ্ণসিংহক বোলে , --- 'মোক বাঘৰ তামাচা দেখাব পাৰ?' সি বোলে , --- ভালা, দেখাব পাৰোঁ।' এনেতে জীয়া বাঘ দুটা আনি জালৰ ভিতৰত মেলিলে । ঢাল-তৰোৱাল লৈ পাৎশাক চালাম কৰি দেও মাৰি জালৰ ভিতৰত সোমালত জাম্প মাৰি ধৰিলত বাৰুপাতি এৰাল। পুনৰ্ব্বাৰ জাম্প মাৰি আহোতে তৰোৱালৰে কোব মাৰি ২ ডোখৰ কৰিলে । খেদি গৈ সিওটো কাটিলে । পাচে সকলো লোক দেখি বোলে, -- 'ধন্য ৰামসিংহৰ বেটা কৃষ্ণসিংহ, ক্ষেত্ৰিয়ৰ বেটা হয়।' পাৎশা বোলে , -- তাক ধৰ্ম্মে ৰাখিলে।' ৰামসিংহৰ মাকে ঘৰিণীয়েকে এক লিখা দি বোলে, -- 'কৃষ্ণসিংহক পাৎশাই বাঘৰে যুঁজাই মাৰিব খুজিলে , এনে মিত্ৰ পাৎশা আন ৰাজ্যসকল মাৰি বশ কৰি দিছে ঃ তাৰ যশ - ধৰ্ম্মে আমাক আটিছে। পূৰ্ব্ব দেশ মাৰি মোগলৰ তল কৰি দিলেহে আমাক আটিব। আৰু শুনিছোঁ সি দেশত নাম কীৰ্ত্তন অনেক প্ৰকাশ হৈ আছে, তাক মাৰি মজুমখাঁ নবাব কতকাল বঞ্চিল ? আকে চাই যেখান কৰে।"

এই বাতৰিয়ে ৰামসিংহক বিমৰ্ষ কৰি তুলিলে। তথাপি -- "যুদ্ধত বিমুখ হৈ যাবৰ উচিত নোহে।"-- এইবুলি আহোমক শেষ ৰণখন দিবলৈ প্ৰস্তুতি ললে। অমৰাজুৰিলৈ উজাই আহি আন্ধাৰু বালিত গড় নাই বুলি বাৰ্ত্তা লৈ সেইফালেদিয়েই নৌ যুদ্ধৰ প্ৰস্তুতি চলালে । পিচে তাতো আহোমৰ বালি গড় আছিল। সেয়েহে উত্তৰে জুৰিয়ালৈ পাৰ হ'ল । লাচিত বৰফুকন তেনেতে নৰিয়াত পৰিল। আনফালে ৰামসিংহও উজাই আহিবৰ বতৰা শুনি আহোমৰ বাকী বিষয়াসকলৰ মনোবল ভাগিল। সকলোৱে আলোচনা কৰি পলোৱাৰ কথাহে চিন্তা কৰি নাৱত বস্তু-বাহানি তুলি সাজু হৈ থাকিল। লগতে এনে অৱস্থাত ফুকনকো পলাবলৈ বুলি লগ ধৰিলে। লগৰীয়াসকলৰ এনে আচৰণ দেখি লাচিতে তেওঁলোকলৈ বুলি দুখ মনেৰে কৈ পঠালে -- "কবি চিলাৰ পৰ্ব্বতত চাৰি কড়াৰ মাটি কিনিছোঁ, মঞিঙ নাযাঞা, ল'ৰাৰ কাল আছে, যদি যাই ৰাজ্যতকৈ পাচতহে যাব।"

আহোমৰ বা-বিষয়াসকলে এইদৰে ৰণলৈ পিঠি দিলত বঙাল আহি জুৰিয়া পালেহি। ফুকনে বাতৰি পাই বোলে,-- - "মোক পীৰাৰে বাটঘৰলৈকে নে, বঙাল কিমান পাইছেহি চাওঁ।" চাৰিটা ভূঞা পোৱালিয়ে ফুকনক বাটঘৰলৈ আনিলে।

ফুকনে দেখি খেদি গৈ বঙ্গালক ধৰিব খুজিলে। এনেতে অচ্যুতানন্দ দলৈয়ে ক্ষণ ভাল নহয় বুলি লাচিতক বাধা দিলে। বঙ্গাল আহি অমৰাজুৰি পাৰ হ'ল । তাকে দেখি ফুকনে দলৈক কলে-- 'বঙ্গাল দেখো অমৰাজুৰি পাৰ হ'ল ; গণক তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল-কানি মাৰিলি।" পিচে গণকে পুনৰ গণনা কৰি বোলে -- "স্বৰোদয়ত উত্তম পাইছোঁ, এতিয়া বঙ্গালক ধৰিবলৈ উঠিব লাগে।"

বাটঘৰৰ পৰা খৰঙিৰ গাত ধৰি ফুকন নাৱত উঠিলহি। নাৱৰ চহিয়ালে বাকীবোৰ পলোৱা দেখি আৰু বুঢ়াগোঁহায়ে আগতে ইঙ্গিত দি থোৱা কথামতে ফুকনৰ নাওখনো ৰণলৈ পিঠি দি উজাই মেলিলে । তাকে দেখি ফুকনৰ খং উঠিল আৰু চাৰিটা চহিয়ালক নাকৈয়েৰে গদিয়াই পানীত পেলালে। আৰু ক'লে বোলে , -- "মোকে ँদেৱে বঙ্গালক যুদ্ধৰ নিমিত্তে এই থলখানৰ সকলো লোক মোৰ হাততে দি থৈছে; নুযুজি ল'ৰা তিৰোতাৰ লগলৈ যাম নিকি ? বন্দী চহিয়ালে মোত নুসুধি নাও কিয় উজাই মেলিব?" বাকীসকলে ফুকনক এইকথাৰ বাবে বুজনি দিলত তেওঁ পুনৰ ক'লে, -- "বঙ্গালে মোক ধৰি নিয়ক, ৰাজ্য সুখে যা।' এইবুলি লগত সাতখন নাও লৈ ফুকন যুদ্ধৰ সন্মুখে আগবাঢ়ি গ'ল ।

শৰাইঘাটৰ এই নৌ যুদ্ধত মোগলৰ নৌ-সেনাপতি ৰচিপখাঁ "... আমাৰ দিকিলৈ পিঠি কৰি হোকা টানি আহিছিল, বোলে , --- 'অচমক বিমুখে ভঙ্গাম।" পিচে আহোমৰ গুলী লাগি ৰণত পৰিল। লুইতৰ বুকুত দুইপক্ষৰ নাও আহি লগ লাগিলত গোটেইখন ভৰি পৰিল । নাওৰ টিং ঘুৰাবলৈ সন্ধি নাইকিয়া হ'ল । ৰণত ৰচিপখাঁ পৰা দেখি বঙ্গালে পৃষ্ঠভঙ্গ দিলে । লাচিতে খেদি নি পাণ্ডুৰ নামনি পোৱালেগৈ। তাতে ৰাতি হ'ল । ৰাতিৰ বিৰতি পাই তাতে বঙালে এসাজ খাই পুৱালৈ ভটিয়াই গ'লগৈ । বুৰঞ্জীমতে " ১৫৯২ শকত চৈত্ৰৰ ২৩ গতে ৰামসিংহ ভটিয়াই গ'লগৈ ।"

ৰামসিংহই শৰাইঘাট ৰণত আহোম ৰণুৱাৰ বীৰত্ব দেখি যিখিনি কথা প্ৰশংসা কৰি কৈ গৈছিল সেই সম্পৰ্কে বুৰঞ্জীৰ পৰা তথ্য গ্ৰহণ কৰি সূৰ্য্যকুমাৰ ভূঞাদেৱে লিখিছে --

"Ram Singha expressed his admiration of the adhersaries by saying --- Glory to the king! Glory to the Counsellors ! Glory to the commander! Glory to the Country ! One single individual leads all the forces! Even I Ram Singha, being personally on the spot, do not find any loophole and opportunity."

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ইয়াৰ অন্তৰ্গত কলেজ সমূহৰ স্নাতক শ্ৰেণীৰ অসমীয়া পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰা প্ৰবীন ফুকনৰ লাচিত বৰফুকন নাটখনিৰ ঐতিহাসিক বিচাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰত অহাকৈ প্ৰবন্ধটি যুগুত কৰা হৈছে। ইয়াত স্বৰ্গীয় ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ সম্পাদিত সুকুমাৰ মহন্তৰ ঘৰত পোৱা 'অসম বুৰঞ্জী', শৰৎকুমাৰ দত্তৰ সম্পাদিত 'অসম বুৰঞ্জী', সাতসৰী অসম বুৰঞ্জী আদি কৰি আৰু দুই এক আধুনিক বুৰঞ্জীৰ আলম লৈ প্ৰবন্ধটি যুগুটোৱা হৈছে ।)

তোমাৰ মত আৰু তোমাৰ বিচাৰ একে বস্তু নহয় ।
তোমাৰ মতৰ দ্বাৰা তোমাৰ বিচাৰক প্ৰভাৱিত
হ'বলৈ নিদিবা -- ছেম গণ্ডুইন ।



*Education*

# The Process of Learning English as a Second Language.

SUNIL DUTTA
Dept. of English.

It is a humble attempt to show the process of learning English as a second language on the basis of my little experience and study of the subject. The choice is prompted by my desire to motivate the young learners to learn English courageously and effectively and to eliminate their notion that English is a difficult language. Here I do not like to re-emphasise the increasing awareness of the importance of English as a world language. We know that English Education in India began in the first three decades of the nineteenth century and has been dominating our education system since then. It is now treated not as a foreign language like French or Russian, but as a second language for its strong influence on our culture as well as its historical associations. The motivation behind learning English is of two kinds -- instrumental motivation and integrative motivation. In other words, the learners should develop an ablility to speak and write English fluently and correctly and to understand the cultural patterns of English people. The Kothari commission suggested that no student should be awarded a university degree unless he has acquired some proficiency in English.

As we are not the native speakers of English , our process of learning English is not easy and natural. Ours is a conscious and deliberate effort. It is seen that a child acquires his mother tongue through the process of imitation. He is constantly exposed to the sounds of his language from the time of his birth. The adults describe him everything in a very simple language and help him by correcting his mistakes encouragingly so as to enable him to acquire the language. In this way, the child internalizes the grammatical system of his language easily and unconsciously.

But this is not the process of learning English as a second language. The learners have to learn English in formal situations. It is introduced as a subject of study in non-English Medium schools in the fifth class only and continued upto the Third year class of college Education. That is to say, the learners are introduced to English at the age of ten years or so. By this time they have already acquired their mother tongue. Now they have to learn a few words and one or two structures in English besides the 26 letters of the alphabet. They are also required to learn to count. What is most important is abundant exposure to English in well organised linguistic forms. But it is taught in a class of forty five minutes duration in a day. Thus it is found that the learners are not adequately exposed to the language. It is the primary reason why the standard achieved is very poor. The skill and personality of the teacher are absolutely vital in creating conducive conditions for learning English and in motivating the learners rightly to that effect.

The objectives of the courses on English designed for secondary, Higher secondary and undergraduate classes in Assam aim to enable the students to use English for communication purposes. At the secondary level, students are expected to develop their ability to communicate through English. They are also required to understand the text on their own and do grammatical exercises.

The Higher Secondary course on English aims at helping students acquire reasonable competence in English so as to enable them to use English in real life situations, to pursue undergraduate course in Arts, Science, Commerce, etc,. and to undertake professional courses such as Medical Science and Engineering.

In order to check the falling standard of English at all levels of formal education , the Board of studies in English, Dibrugarh University introduces a language-based course entitled "Remedial Grammar and Composition" for undergraduate classes. This course also requires students to learn the skills of simple appreciation of English prose, poetry and drama through the study of the prescribed texts. The B. Com, students should develop an ability to write simple, clear and accurate English for business activities. Similarly, the students of B. Sc. course need to develop an ability to write correct and accurate English for Scientific writing.

In order to achieve these objectives the students at all levels need to do a lot of intensive oral work and written practice. They have to acquire the ability to use the four basic language skills -- listening, speaking, reading and writing. Listening means listening with understanding. It is of two types -- extensive listening and intensive listening. Extensive listening provides ample exposure to the different sounds and structures. The students should be able to recognise the meaning of words, phrases and sentences, follow the sequence of ideas and recongnise the stress and intonation of spoken English. In this connection the students may be advised to listen to the radio broadcasts and to watch television news and other programmes in Englih since other facilities are not yet easily available.

Speaking means articulating the sounds with appropriate stress and intonation. The students should be able to speak English intelligibly in diverse situations. They should not be over-conscious of committing mistakes. While speaking English they should overcome the speech habits of their mother tongue. They need to pay special attention to the differences in the sounds and structures of both the two languages. They should try to narrate events and describe objects fluently.

Reading means reading with understanding. This complex skill is of two types-- loud reading and silent reading. The students should be able to read English at reasonable speed understanding meanings of words, phrases and sentences. They should try to grasp the important facts and ideas of their texts. They should also develop the habit of reading English books, newspapers, magazines on their own. It is better to understand the words and structures in English rather than in the mother tongue.

Writing is a process of thinking. The students should be able to write English correctly and elegantly. They should try to present the ideas logically and write narrative and descriptive pieces, letters, reports, etc. properly. We find that these skills can be acquired only through practice and practice of one skill reinforces the learning of other skills. The students should therefore, make ample practice of these skills.

We should bear in mind that learning the grammar of English is not the basic language activity. Knowing a language and knowing about a language are two different activities. Knowing the language means the ability to speak the language in diverse



situations. An illiterate person can speak his native language fluently. But he does not know anything about his language. Similarly, a grammarian may know much about the grammar of a foreign language. But he may not acquire fluency in speaking the language. Language is basically speech and English is to be learnt as speech. In this regard practice plays a predominant role. According to the linguists, motivation, imitation, exposure, habit, repetition, memory , attention , aptitude, application, analogy, reinforcement, audio-visual aids, drills and exercises, experience, age, etc. are significantly vital factors. All these factors facilitate the process of language learning. Students should make proper use of them.

The students should make use of dictionaries and other reference books for learning English properly. The skill of consulting a good dictionary , I think, will go a long way towards the achievement of the objectives mentioned above. The dictionary provides with phonological, morphological, syntactic and semantic information. The students should readily consult it when they come across an unfamiliar word or phrase. In this context the students may be advised to have a personal copy of **Oxford Advanced Learner's Dictionary** (New Edition) for regular use. Besides all others, its Indian English supplement will help the students to see the differences between British English and Indian English. They may of course, need help from the teachers to use the book effectively.

To sum up, English is a very interesting language and it could be learnt effectively by using the four basic skills with due interest and proper self-confidence. □

**Sources :**

1. The English Teacher's Handbook T. C. Boruah.
2. Syllabuses designed for the courses cited.

Success depends on previous preparation, and without such preparation there is sure to be failure.- Confucius

অৰ্থনীতি

# “ভাৰতত তৈল উদ্যোগৰ বিকাশ”

মিণ্টু গগৈ
প্ৰৱক্তা , অৰ্থনীতি বিভাগ

ভাৰতৰ উদ্যোগিক বিকাশৰ ইতিহাসত তৈল উদ্যোগৰ বিকাশৰ ইতিহাসত তৈল উদ্যোগৰ বিকাশ এটা গুৰুত্বপূৰ্ণ অধ্যায়। আজিৰ পৰা প্ৰায় ১০০ বছৰৰ পূৰ্বে উজনি অসমৰ ডিগবৈত ১৮৬২ চনত প্ৰথমে তৈল ভাণ্ডাৰ আৱিষ্কাৰ হয় আৰু ১৮৮৯ চনত বাণিজ্যিক ভাৱে উৎপাদন কাৰ্য্যৰ আৰম্ভণিৰে ভাৰতত তৈল উদ্যোগৰ ভেঁটি নিৰ্মাণ কৰা হয়। ইয়াৰ পিছৰ পৰাই বিভিন্ন তৈল কোম্পানীৰ প্ৰচেষ্টাত তৈল উদ্যোগে আজিৰ এই অৱস্থাত উপনীত হৈছেহি।

প্ৰথম অৱস্থাত ডিগবৈত উৎপাদিত হোৱা তেল কেৱল প্ৰজ্বলন কাৰ্য্যত ব্যৱহাৰ কৰা হৈছিল যদিও দ্বিতীয় বিশ্বযুদ্ধৰ পিচতহে ইয়াৰ বহুল ব্যৱহাৰ হয় । সেয়েহে স্বাধীনোত্তৰ কালত "Petroleum Concession rules " পুনঃ বিন্যাস ঘটাই ১৯৫৩ চনত নাহৰকটীয়াত খনন কাৰ্য্য আৰম্ভ কৰে আৰু সেই কোপটোৰ নাম “নাহৰকটীয়া - ১” নামেৰে নামকৰণ কৰা হয় । এই সময়তে ভাৰত চৰকাৰে "The Oil India Limited" নামেৰে এটা নতুন তৈল কোম্পানী গঠন কৰাৰ প্ৰস্তুতি চলাই আৰু সেই মৰ্মে ১৯৫৮ চনত বাৰ্মা তেল কোম্পানী (B. O. C .) আৰু ভাৰত চৰকাৰৰ যুটিয়া খণ্ডত "OIL" গঠন কৰা হয় । সেই সময়ৰ পৰাই কোম্পানীটোৱে বিশেষ ভাৱে অসম আৰু অৰুণাচলৰ বিভিন্ন ঠাইত খনন কাৰ্য্য সম্পাদন কৰিছে। ১৯৮১ চনত ভাৰত চৰকাৰে বাৰ্মা তেল কোম্পানীৰ অংশ সম্পূৰ্ণভাৱে ক্ৰয় কৰি "OIL মালিকীস্বত্ব নিজলৈ হস্তান্তৰিত কৰে ।

ভাৰতত ভূতত্ত্ববিদসকলে দেশৰ বিভিন্ন প্ৰান্তত জৰীপ চলাই ২৬ টা অঞ্চলৰ প্ৰায় ১.৭৮ নিযুত বৰ্গ কিঃ মিঃ এলেকা তৈল ভাণ্ডাৰ এলেকা হিচাপে চিনাক্ত কৰিছে। এনে এক বহুল ক্ষেত্ৰত OIL ৰ দ্বাৰা খনন কাৰ্য্য সম্পাদন কৰাত দেখা দিয়া সমস্যাসমূহ আলোচনা কৰি ১৯৫৯ চনত ভাৰত চৰকাৰে খনন কাৰ্য্য আৰু হাইড্ৰকাৰ্বন উৎপাদন কৰিবৰ বাবে "Oil and Natural Gas Commission" (O.N.G.C.) গঠন কৰে। এইদৰে স্বাধীনোত্তৰ কালত OIL আৰু ONGC এই দুটা প্ৰধান অনুষ্ঠানৰ প্ৰচেষ্টাত ভাৰতত “ক'লা সোণ” (Black Gold) খনন আৰু উৎপাদনৰ যোগেদি আজিৰ পৰ্য্যায়লৈ উন্নিত হৈছে ।

ভাৰতত ১৮৬৭ চনতেই তেলৰ কোপ আৱিষ্কাৰ হৈছিল যদিও প্ৰকৃততে তৈল উদ্যোগৰ বিকাশ স্বাধীনোত্তৰ কালৰ পৰাহে আৰম্ভ হয় । ইয়াৰ পূৰ্বে ভাৰতে তেলৰ ঘৰুৱা চাহিদা পূৰণ কৰিবলৈ তেল আমদানিৰ বাবদ এক বুজন পৰিমাণৰ ধন খৰচ কৰিব লগা হৈছিল । কিন্তু বৰ্তমান তেলৰ ঘৰুৱা চাহিদা পূৰণ কৰাত OIL আৰু ONGC য়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে আৰু অসম, গুজৰাট, মুম্বাই আদি ঠাইত তেল খনন কাৰ্য্যত ব্ৰতী থকাৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত নতুন তৈলক্ষেত্ৰ আৱিস্কাৰৰ বাবে অনুসন্ধান জাৰি ৰাখিছে ।

ভাৰতত তৈল উদ্যোগ সমূহ কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰলিয়াম মন্ত্ৰালয়ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয় । OIL আৰু



ONGC ক তেল, প্ৰাকৃতিক গেছ আদি খনন আৰু উদঘাটনত বিশেষ ভাৱে কৰ্তৃত্ব দিয়া হৈছে । ONGCL ভাৰতৰ আটাইতকৈ ডাঙৰ তৈল উদ্যোগ । এই উদ্যোগত বছৰি ৩৫০০ নিযুত ডলাৰ মূল্যৰ তেল উৎপাদন কৰা হয় আৰু প্ৰায় ৩৫,০০০ ব্যক্তিয়ে কৰ্মসংস্থান লাভ কৰিছে । এই উদ্যোগত বছৰি প্ৰায় ৩১ নিযুত টন খাৰুৱাতেল আৰু ৮ হাজাৰ নিযুত কিউবিক মিটাৰ (১৯৯৭/৯৮) প্ৰাকৃতিক গেছ উৎপাদন কৰা হৈছে । আনহাতে Oil India Limited (OIL ) ভাৰতৰ আন এটা অন্যতম তৈল উদ্যোগ। প্ৰাৰম্ভিক স্তৰত এই কোম্পানীটোৱে যদিও সীমিত পৰিসৰত অসম আৰু অৰুণাচলত খনন কাৰ্য্য চলাইছিল । বৰ্ত্তমান ৰাজস্থান মহানদী আন্দামান নিকোবৰ আদি ঠাইতো খনন কাৰ্য্য চলাইছে। OIL বছৰি প্ৰায় ৩ নিযুত টন খাৰুৱা তেল উৎপাদন কৰাৰ লগতে ডিগবৈ পৰা বাৰাউনি পৰ্য্যন্ত প্ৰায় ১৪০০ কিঃ মিঃ দৈৰ্ঘ্যৰ পাইপ লাইন নিয়ন্ত্ৰণ ও আভিযান্ত্ৰিক পৰিচালনাৰ দায়িত্ব বহন কৰি উত্তৰ পূৰ্বাঞ্চলৰ শোধনাগাৰ কেইটাৰ সংযোগ স্থাপন কৰিছে। এই দুয়োটা তৈল উদ্যেগৰ মুখ্য কাৰ্য্যালয় ক্ৰমে ডেৰাদুন আৰু দুলিয়াজানত স্থাপন কৰা হৈছে ।

ভাৰতত খাৰুৱা তেল শোধন কৰিবলৈ বৰ্ত্তমানলৈকে ১৪ টা শোধনাগাৰ স্থাপন কৰা হৈছে আৰু বছৰি প্ৰায় ৫৭ নিযুত টন খাৰুৱা তেল ইয়াত শোধন কৰা হয় । অৱশ্যে চৰকাৰে এই শোধনাগাৰ কেইটাৰ সম্প্ৰসাৰণ কৰাৰ লগতে ৩ টা নতুন শোধনাগাৰ স্থাপন কৰি বছৰি মুঠ ৬৭.৫ নিযুত টন খাৰুৱা তেল শোধন কৰাৰ পৰিকল্পনা হাতত লৈছে। Indian Oil Corporation (IOC ) তেল ব্যৱসায়ত জড়িত আটাইতকৈ বৃহৎ প্ৰতিষ্ঠান । IOC দ্বাৰা ৯ টা শোধনাগাৰ নিয়ন্ত্ৰণ ও পৰিচালনা কৰা হয় । উল্লেখযোগ্য যে এই শোধনাগাৰ সমূহত তেল শোধনৰ লগতে প্ৰাকৃতিক গেছত উৎপাদন কৰা হয় । অৱশ্যে প্ৰাকৃতিক গেছৰ ব্যৱসায়ৰ লগতে অন্যান্য দিশসমূহ তদাৰক কৰাৰ বাবে GAIL অৰ্থাৎ The Gas Authority of India Limited স্থাপন কৰা হৈছে।

ভাৰতত তেল আৰু প্ৰাকৃতিক গেছ উদ্যোগক আধাৰ হিচাপে লৈ গঢ়ি উঠা পেট্ৰকেমিকেল প্ৰকল্প, থাৰমেল প্ৰকল্প, গেছটাৰবাইন আদিয়ে তৈল উদ্যোগৰ বিকাশৰ এক নতুন দিশৰ সূচনা কৰিছে আৰু ভৱিষ্যতে তৈলখণ্ডৰ উদ্যোগ সমূহে দেশৰ অৰ্থনীতিক অধিক সবল কৰিব বুলি আশা কৰিব পাৰি। □

আমি এনে শিক্ষা বিচাৰোঁ যি শিক্ষাই আমাক চৰিত্ৰবান হবলৈ শিকাব, মনৰ দৃঢ়তা বৃদ্ধি কৰিব, মেধাৰ প্ৰসাৰ ঘটাব আৰু নিজৰ ভৰিত থিয় হবলৈ সক্ষম কৰাব । — স্বামী বিবেকানন্দ

ইতিহাস

# “অসমীয়া জাতি গঠনত চুকাফাৰ অৱদান”

*কাশ্মিৰী গগৈ*
প্ৰবক্তা, বুৰঞ্জী বিভাগ

অসমীয়া জাতি হিচাপে অসমত বাস কৰা সকলো লোককে আমি বুজোঁ । অৰ্থাৎ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বিত সমষ্টিয়েই হৈছে অসমীয়া জাতি। চুকাফা অসমলৈ অহাৰ পূৰ্বে এচীয়া মহাদেশৰ এই ভূখণ্ডত অসম বুলি কোনো দেশ বা ৰাজ্য নাছিল। অসমীয়া বুলিও কোনো জাতি বা ভাষা নাছিল। সেই সময়ছোৱাত এই ভূখণ্ডৰ পূৱৰ অংশক সৌমাৰ পীঠ, মাজৰ অংশক ৰত্নপীঠ আৰু পশ্চিমৰ অংশক কাম পীঠ বুলি জনা গৈছিল। ৰাজ্য হিচাপে ব্ৰহ্মপুত্ৰৰ উপত্যকাত চুতীয়া ৰাজ্য, কছাৰী ৰাজ্য, মৰাণ-বৰাহী ৰাজ্য, ভূঞা ৰাজ্য আদি বিলাক আছিল। তদুপৰি এই ভূখণ্ডৰ বিভিন্ন অংশত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় অঞ্চল আছিল। প্ৰত্যেকৰে নিজা নিজা ভাষা সংস্কৃতি - ৰীতি-নীতি আছিল । গতিকে সেই সময়ছোৱাত ঐক্যবদ্ধ হৈ এখন ৰাজ্য প্ৰতিষ্ঠাৰ অনুভৱ কেতিয়াও হোৱা নাছিল । কিন্তু চুকাফাই এই ভূখণ্ডৰ বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্যবদ্ধৰ চানেকি দাঙি ধৰি এক নতুন আদৰ্শৰ প্ৰতিষ্ঠা কৰিছিল আৰু সেই আদৰ্শ আগত ৰাখিয়ে তেওঁৰ বংশধৰ সকলে এই ভূখণ্ডত এখন অসম দেশ আৰু এটা অসমীয়া জাতি গঠন কৰি অসমীয়া ভাষাক ৰাষ্ট্ৰ ভাষা কৰিলে।

এখন নতুন ৰাজ্য প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে চুকাফাই ১২২৮ খ্ৰীষ্টাব্দত সৌমাৰ খণ্ডত প্ৰবেশ কৰিছিল। চুকাফাৰ নেতৃত্বত এই ভূখণ্ডত প্ৰবেশ কৰা তাই সকলক আহোম বোলা হৈছিল আৰু তেওঁলোকৰ নামেৰেই এই দেশৰ নাম অসম হয়। এখন নতুন ৰাজ্য প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰে এই ভূখণ্ডত প্ৰবেশ কৰা চুকাফাই আছিল প্ৰথম ব্যক্তি যিজনে এক বৃহৎ জাতি গঠনৰ প্ৰক্ৰিয়াত আগভাগ লৈছিল। সৌমাৰখণ্ডত প্ৰৱেশ কৰি চুকাফাই প্ৰথমে মৰাণ আৰু বৰাহী সকলক লগ পাইছিল। এখন নতুন ৰাজ্য প্ৰতিষ্ঠাৰ উদ্দেশ্যে এই ভূখণ্ডত প্ৰবেশ কৰা তাই ৰজা চাওলং চুকাফাই এই থলুৱা লোকসকলৰ লগত বিৰোধ ভাৱৰ সৃষ্টি কৰাৰ পৰিবৰ্তে সহযোগিতাৰ নীতি গ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ লগত আত্মীয় সম্পৰ্ক গঢ়ি তুলিছিল। চুকাফাই মৰাণ আৰু বৰাহী সকলৰ সহযোগত দিহিং আৰু দিখৌ নদীৰ মাজৰ এডোখৰ ক্ষুদ্ৰ অঞ্চলৰহে ৰজা হৈছিল আৰু সেই অঞ্চলৰ পৰাই এক বৃহৎ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। ৰাজনৈতিক সুবিধাৰ বাবেই হওঁক বা নিজৰ প্ৰতিৰক্ষাৰ বাবহে হওঁক চুকাফাই থলুৱা লোকসকলৰ ওপৰত কোনো ধৰণৰ হেঁচা প্ৰয়োগ কৰা নাছিল। সেই সকলৰ লগত বন্ধুত্বভাৱৰ সৃষ্টি কৰি ঐক্যবদ্ধৰে এক জাতি গঠনৰ প্ৰক্ৰিয়াত তেঁৱে পোন প্ৰথমে এই ভূখণ্ডত আগভাগ লৈছিল। গতিকে চুকাফাই আছিল এক বৃহৎ জাতি গঠনৰ পথ প্ৰদৰ্শক। তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হৈয়ে অসমত অতীজৰে পৰা বাস কৰি অহা বিভিন্ন জাতি জনগোষ্ঠীসমূহে জাতিগঠনৰ প্ৰক্ৰিয়াত আগভাগ লৈছিল যাৰ বাবে এই ভূখণ্ডত এক বৃহৎ অসমীয়া জাতি গঢ় লৈ উঠে। চুকাফাৰ নেতৃত্বত এই ভূখণ্ডলৈ অহা আহোমসকলৰ নিজা ধৰ্ম, সামাজিক ৰীতি-নীতি, ভাষা আৰু লিপি আছিল আৰু এই প্ৰতিটো দিশতে থলুৱা লোকসকলৰ পৰা তেওঁলোক পৃথক আছিল। অৱশ্যে এটা কথা ঠিক যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ থলুৱা লোকসকলৰ ধৰ্মীয় বিশ্বাস বা সামাজিক ৰীতি-নীতিৰ মাজতো কোনো মিল নাছিল। গতিকে এই অনৈক্যতাৰ সুযোগ লৈ চুকাফাই সহজতে থলুৱা বাসীন্দাসকলৰ ওপৰত নিজৰ ধৰ্ম-সংস্কৃতি জাপি দিব পাৰিলহেঁতেন। কিন্তু তাৰ বিপৰীতে এই ভূখণ্ডৰ অনৈক্যৰ মাজত ঐক্য স্থাপনৰ প্ৰথম প্ৰচেষ্টা চলাইছিল তাই ৰাজকোঁৱৰ চুকাফাই । চুকাফাই এটা কথা বুজিছিল যে এই বৈচিত্ৰময় ভূখণ্ডত এখন ৰাজ্য স্থাপন কৰি এটা জাতি গঢ় দিবলৈ হ'লে বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য আৰু ভাতৃত্ববোধৰ সৃষ্টি কৰিব লাগিব। সেয়েহে তেওঁ প্ৰথমৰ পৰাই এই দিশত মনোযোগ দিছিল আৰু তাৰ ভিত্তিতে এই ভূখণ্ডত জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। চুকাফাই এক বহল সামাজিক দৃষ্টিভংগী গ্ৰহণ কৰিছিল আৰু নিজা ধৰ্ম সংস্কৃতি বিজিত থলুৱা বাসীন্দা সকলৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰা নাছিল বা থলুৱালোকৰ সামাজিক ৰীতি-নীতি আৰু ধৰ্ম বিশ্বাসৰ ওপৰতো হস্তক্ষেপ কৰিবলৈ চেষ্টা কৰা নাছিল। চুকাফাই থলুৱা ভাষা সংস্কৃতিক সন্মান জনাইছিল আৰু তাৰ যোগেদি ঐক্যবদ্ধৰ এক মহান আদৰ্শৰ গঢ় দিছিল। চুকাফাই সমতা আৰু সমমৰ্য্যদা নীতি অনুসৰণ কৰিছিল আৰু এই নীতিৰ জৰিয়তে তেওঁ থলুৱা লোকসকলক নিজৰ প্ৰশাসন আৰু অন্যান্য কামত নিয়োগ কৰিছিল। সমন্বয়ৰ অবিহনে এটা জাতি গঠন হ'ব নোৱাৰে। চুকাফাই যি আদৰ্শ আগত ৰাখি এখন ৰাজ্য প্ৰতিষ্ঠাৰ কামত আগবাঢ়িছিল সেই আদৰ্শই বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ ভাৱ গঢ়ি তোলাত অৰিহণা যোগাইছিল। চুকাফাৰ মিত্ৰতা আৰু সহযোগিতা নীতিয়ে বিজিত লোক সকলক অনুপ্ৰাণিত কৰিছিল আৰু তেওঁলোকে চুকাফাৰ বংশধৰ সকলক আকোৱালি লৈছিল। ৰাজনৈতিক ভেটি স্থায়ী আৰু সুদৃঢ় কৰিবলৈ হ'লে সমাজৰ ভেটিও সুদৃঢ় হ'ব লাগিব। সেয়েহে চুকাফাই এই ভূখণ্ডত এখন ৰাজ্য প্ৰতিষ্ঠা কৰি সমাজৰ ভেটিটোও সুদৃঢ় কৰিবলৈ চেষ্টা কৰিছিল। থলুৱা ধৰ্ম সাংস্কৃতিক আদৰণি জনোৱাৰ উপৰিও বৈবাহিক সম্বন্ধৰ যোগেদিও চুকাফাই থলুৱালোক সকলৰ লগত আত্মীয়তা গঢ়ি তুলিছিল। চুকাফাৰ এনে ব্যৱস্থাই বিভিন্ন জনগোষ্ঠীৰ মাজত বন্ধুত্ব আৰু সদ্ভাৱ গঢ়ি উঠাত সহায় কৰিছিল আৰু তাৰ আধাৰতে লাহে লাহে গঢ় লৈ উঠিছিল বৃহৎ অসমীয়া জাতি।

শেষত এটা কথা উল্লেখ কৰিবই লাগিব যে চুকাফা আৰু তেওঁৰ অনুগামী সকলে গঢ় দিয়া অসমীয়া জাতিটোৰ অৱস্থা আজি অতি দুখ লগা। আজি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিশ্বাসহীনতাৰ জন্ম হৈছে আৰু এই বিশ্বাসহীনতাই বিভিন্ন জনগোষ্ঠীৰ মাজত দ্বন্দ আৰু সংঘাটৰ সৃষ্টি কৰি আজি অসমীয়া জাতি সত্বাক কপাঁই তুলিছে। বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰনত গঢ় লৈ উঠা অসমীয়া জাতিটোৰ বাবে ই নিঃসন্দেহে মাৰাত্মক । সেয়েহে ১৩ শতিকাৰ আগভাগতে চুকাফাই দেখুৱাই যোৱা আদৰ্শ আৰু নীতিক পুনৰ সজীৱ কৰি তোলাৰ সময় আহি পৰিছে। সেয়েহে আজি প্ৰতিজন অসমীয়াই এই দিশলৈ মনোযোগ দিয়া উচিত। ❑

*এখন সমাজৰ ভৱিষ্যত সেইখন সমাজৰ অনুষ্ঠান আৰু প্ৰতিষ্ঠানবোৰৰ কৰ্মদক্ষতাৰ ওপৰত নিৰ্ভৰ নকৰে, সি নিৰ্ভৰ কৰে সমাজৰ প্ৰতিজন সদস্যৰ প্ৰতিভা আৰু যোগ্যতাৰ ওপৰত* —— এলবাৰ্ট স্বোৱেইত জাৰ

চিন্তন

# “মাদক দ্রব্য” মানৱ সমাজৰ বাবে এক অভিশাপঃ

*ৰাজলক্ষ্মী গগৈ (ৰাজা)*
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান শাখা)

জীৱনেই মানুহৰ আটাইতকৈ প্ৰিয় সম্পদ। গতিকে এই জীৱনটোক উপযুক্তভাৱে গঢ়ি তোলাটো প্ৰত্যেক নাগৰিকৰে কৰ্তব্য। কিন্তু আধুনিকতাৰ নামত বীভৎস ৰূপ ধাৰণ কৰা বৰ্ত্তমানৰ মানৱতাবোধহীন সমাজ ব্যৱস্থাই বহুটো কুমলীয়া জীৱনক ড্ৰাগছ বা মাদক দ্ৰব্যৰ সেৱনৰ প্ৰতি আকৰ্ষিত হ'বলৈ সুবিধা দি ভয়াবহ অন্ধকাৰলৈ ঠেলি দিছে। বৰ্ত্তমান মাদক দ্ৰব্যৰ সমস্যাটোৰ সম্পৰ্কত গোটেই পৃথিৱীত যি চৰ্চা হোৱা দেখা গৈছে, আন কোনো সমস্যাক লৈ ইমান তৎপৰতা পৰিলক্ষিত হোৱা নাই । কেইবছৰমান আগলৈকে হিৰোইন; কোকেইন, ব্ৰাউন চুগাৰ, জাতীয় অতিৰিক্ত নিচাযুক্ত দ্ৰব্য নিষিদ্ধ আছিল যদিও বৰ্ত্তমান বিড়ি, মদ, চিগাৰেটৰ দৰে ইয়ো বজাৰৰ এটি সহজলভ্য দ্ৰব্যত, পৰিণত হ'বলৈ ধৰিছে। এই ভয়ংকৰ ড্ৰাগছ তৃতীয় বিশ্বত অৰ্থাৎ সদ্য স্বাধীনতা প্ৰাপ্ত দেশসমূহতো অনুপ্ৰৱেশ কৰিছে। ই সাম্ৰাজ্যবাদী ক্ৰূৰতাৰ জঘন্যতম নিদৰ্শন আৰু বিপুল সম্ভাৱনাময় ভাৰতৰ যুৱসমাজ এই দুৰ্ভাগ্যজনক সৰ্বনাশৰ চিকাৰ । উন্নয়নশীল দেশসমূহৰ যুৱসমাজেই আশা ভৰসাৰ স্থল। তেওঁলোকেই হ'ল দেশৰ ভৱিষ্যত ধৰণী। গতিকে দেশৰ ভৱিষ্যত স্বৰূপ যুৱসমাজ বিপথগামী হ'লে তৃতীয় বিশ্বৰ সৰ্বনাশ নিশ্চিত বুলি ধৰি ল'ব পাৰি।

অতীতৰ পৰাই সুৰা আসক্তি এটা সামাজিক সমস্যা হিচাপে পৰিগণিত হৈ আহিছে। বৰ্ত্তমান ইয়াক এটা ৰোগ বুলি ভবাৰো বহুখিনি থল আছে। ড্ৰাগছ বা মাদকদ্ৰব্য এনে এবিধ সামগ্ৰী যে শৰীৰ বা মনৰ স্বাভাৱিক ক্ৰিয়া-প্ৰক্ৰিয়াবোৰৰ বাবে ইয়াৰ কোনো প্ৰয়োজন নাই । অথচ এই অপ্ৰয়োজনীয় সামগ্ৰীবিধৰ অনিষ্ট সাধক গুণৰ কথা জানিও তাৰ বাবে হামৰাও কাঢ়ি ফুৰা , ইপ্সিত মূহুৰ্ত্তত তাক নাপালে দেহ মন বিকল হৈ পৰাটো জানো ৰোগ নহয় ? যথাৰ্থতে মদ এবিধ ঔষধি আৰু উপযুক্ত ক্ষেত্ৰত ঔষধি হিচাপে তাৰ প্ৰয়োগ সীমিত হোৱাহেতেন আৰু নিচাযুক্ত দ্ৰব্যৰূপে তাৰ অপব্যৱহাৰ হোৱাহেতেন আজিৰ ব্যক্তি তথা সমাজ বহুটো অপায় অমংগলৰ পৰা হাত সাৰিব পাৰিলেহেঁতেন। প্ৰতিজন সুৰাপ্ৰেমীয়েই ভাৱে যে মাদকদ্ৰব্য সেৱনৰ ফলত দুখ নিবাৰণ হয়, ক্লান্তি দূৰ হয়, বান্ধৱ বৰ্দ্ধন হয় ইত্যাদি । কিন্তু এনে ভুল বিশ্বাসৰ বশৱৰ্তী নহৈ তেওঁলোকে সুৰাই মানৱ দেহ সেৱনকাৰীয়ে সেৱনৰ মাত্ৰা কমালে বা বন্ধ কৰিলে এক বিশেষ ৰোগত ভোগে যাক চিকিৎসা বিজ্ঞানত 'প্ৰত্যাহাৰজনিত অসুস্থতা' বুলি কোৱা হয়।

সাধাৰণতে ১৫ বছৰৰ পৰা ২০ বছৰৰ ল'ৰা ছোৱালীয়ে কৌতুহল নাইবা প্ৰলোভনৰ বশৱৰ্ত্তী হৈ ড্ৰাগছৰ নিচাত জড়িত হৈ পৰে। ড্ৰাগছ, আসক্তিৰ লক্ষণসমূহ হ'ল ভোক নলগা, ৰক্তহীনতা দেহৰ ওজন কমি যোৱা, চকু ৰঙা পৰা ইত্যাদি। ইয়াৰ চূড়ান্ত পৰিণতি হ'ল অকাল মৃত্যু।

ড্ৰাগছৰ ব্যৱসায়ৰ সৈতে সমাজৰ বহু গণ্য-মান্য শ্ৰেণীৰ লোক জড়িত আছে । গোটেই অসমজুৰি থকা ব্যৱসায়ৰ এই বণিক সকল ইমান শক্তিশালী যে চৰকাৰে তেওঁলোকৰ নোম এডালো লৰাব নোৱাৰে। দৰাচলতে যুগ যুগ ধৰি সুৰাই মানৱ সমাজত খোপনি পুতি থকাৰ বাবেহে মানুহৰ মনত মাদক দ্ৰব্যৰ প্ৰতি একস্বৰূপে স্বভাৱিক দুৰ্বলতা বিৰাজ কৰিছে। নতুন পুৰুষে দুটা কাৰণত অন্য ড্ৰাগছৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। প্ৰথম তেওঁলোকে বিচাৰে নিত্য নতুন উত্তেজনা ।



দ্বিতীয়, তেওঁলোকে হাতৰ তলুৱাতে থিতাতে প্ৰস্তুত কৰি মূহুৰ্ত্ততে নিচা লাভ কৰিবলৈ বিচাৰে। আধুনিক কালত হিৰ'ইন, কোকেইন, এল, এছ. দি' মাৰি জুৱানা আদি ড্ৰাগছবোৰ এনে কাৰণতে বেছিকৈ জনপ্ৰিয় হোৱা দেখা যায়।

ড্ৰাগছৰ সমস্যাটোক এক মাৰাত্মক সামাজিক সমস্যা হিচাপে আজি গোটেই বিশ্বই স্বীকাৰ কৰিছে। দেশে দেশে এই সমস্যা সমাধানৰ বাবে নতুন নতুন গৱেষণা হ'বলৈ ধৰিছে। ড্ৰাগছ সেৱনকাৰীসকলৰ ভিতৰত ঘাইকৈ কলেজ ইউনিভাৰছিটিত পঢ়ি থকা পৰ্য্যায়ৰ ল'ৰা-ছোৱালীৰ সংখ্যা অধিক । দৰিদ্ৰ আৰু হতাশাত পীড়িত শ্ৰেণীৰ ল'ৰা-ছোৱালীতকৈ প্ৰাচুৰ্য্য আৰু আলাসত ডাঙৰ হোৱা ল'ৰা ছোৱালীয়েহে আজিকালি অধিক হাৰত ড্ৰাগছৰ জালত ভৰি দিছে। সুস্থ ব্যক্তিত্ব গঠনৰ বাবে যিবোৰ উপাদানৰ প্ৰয়োজন সেই সম্পৰ্কে ব্যস্ত পিতৃ-মাতৃৰ অজ্ঞতা, অৱহেলাই হৈছে এই ল'ৰা-ছোৱালীবিলাকৰ অসংযমী ব্যক্তিত্বৰ কাৰণ । আজিকালি কঠোৰ সংযম , শ্ৰম আৰু পৰিশ্ৰমৰ তথা সংগ্ৰামৰ মাজেদি জীৱন গঢ়ি লোৱাৰ বাতাবৰণেই নাইকিয়া হৈ গৈছে। আজিকালি ৰাতিটোৰ ভিতৰতেই এক বিশাল সম্পদৰ অধিকাৰী হ'ব খোজা ব্যস্ত পিতৃ-মাতৃসকলৰ নিজৰ সন্তানৰ প্ৰতি থকা কৰ্তব্যখিনি পাহৰি গৈ গোটেই সমাজখনৰ কাৰণেই কলংক মাতি আনিছে। তাৰোপৰি আৰ্থ সামাজিক দুৰ্বল শ্ৰেণীটোৱে নিজ চকুৰ আগতেই পৃথিৱীখন নিষ্ঠুৰ বাস্তৱৰ আঘাটত থান-বান হৈ যোৱা দেখিবলৈ পাইছে। গতিকে সুস্থ আদৰ্শবোধৰ অভাৱত মনত কি আৰু কেনেদৰে ক্ৰিয়া কৰে তাক চিন্তা কৰিলহেতেন তেনেহ'লে তেওঁলোকে বুজি পালেহেঁতেন যে সুৰাৰ পৰা বিচৰা সুখ আৰু মৰুভূমিৰ মাজত মৰিচীকা খেদাৰ মাজত কোনো পাৰ্থক্য নাই । মগজুৰ বিভিন্ন অংশৰ পৰাই আমাৰ দেহ আৰু মনৰ কৰ্ম নিয়ন্ত্ৰিত হয় । বিবেক - বুদ্ধি , ভাল-বেয়া, বাচ-বিচাৰ, সমাজ সচেতনতা আদি নিয়ন্ত্ৰণ কৰে মগজুৰ সন্মুখভাগৰ অংশসমূহে । সুৰা তেজত মিহলি হৈ প্ৰথমে মগজুৰ সন্মুখ ভাগৰ কোষ সমূহত ক্ৰিয়া কৰে ফলত সাময়িক ভাৱে অৱশ কৰি সেই অংশৰ নিয়ন্ত্ৰণ ক্ষমতা আৰু অনুভূতি প্ৰৱণতা হ্ৰাস বা নাশ কৰে। এই অৱস্থাতেই দুখৰ অনুভৱ ভয়-ভীতি আদিৰ পৰা ক্ষণিক নিস্তাৰ লাভ কৰে আৰু স্বাভাৱিক অৱস্থাত কৰিব নোৱাৰা বহুটো দুষ্কাম্যৰ বাবে প্ৰেৰণা লাভ কৰে। অধিক সুৰা তেজত মিহলি হ'লে মস্তিষ্কৰ বাক শক্তি, চলন শক্তি আৰু দৃষ্টিশক্তি নিয়ন্ত্ৰিত অংশবোৰ বিকল হয় আৰু কথা বতৰা বেবেৰিবাং হয়; খোজ থৰক বৰক আৰু দৃষ্টিভ্ৰম হয় । ফলত তেওঁলোকে বহুটো বিপদ আপদৰ সন্মুখীন হ'ব লগা হয় আৰু কিছুমান আজীৱনলৈ পঙ্গু হৈ যোৱাৰো উদাহৰণ আছে। তাতোধিক সুৰাই মগজুৰ বাকী অংশত আক্ৰান্ত কৰাৰ ফলত উশাহ-নিশাহ আৰু শৰীৰৰ জীৱন ৰক্ষক প্ৰণালীবিলাক বিজুতি ঘটাই চৰম বিপদ মাতি আনে ।

কথাবিলাক ভালকৈ অনুধাৱন কৰিলে দেখা যায় যে মাদক দ্ৰব্যইয়ে ক্ষণিকৰ কাৰণেহে মানুহৰ মনৰ শোক, দুখ, ভয় আদি আঁতৰাই ৰাখে আৰু যেতিয়াই মানুহজন মদৰ জালৰ পৰা মুক্ত হয় , তেতিয়াই এই অনুভূতিবোৰ পূৰ্বতকৈ বেছি প্ৰকট হয় আৰু তেতিয়া সেইবোৰ উপশমৰবাবে মদপীয়ে অধিক মাত্ৰাত সুৰা গ্ৰহণ কৰে। এনেদৰে ক্ৰমান্বয়ে মদাহী দুৰ্ঘোৰ মদাহীলৈ পৰিণত হয় ।

আজিৰ সমাজত বহুলভাৱে প্ৰচাৰিত ড্ৰাগছো হ'ল এনে এবিধ ক্ষণিক উত্তেজক মাদক দ্ৰব্য, যিয়ে মানুহৰ ক্ষণিক উত্তেজক কৰি স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰে। ড্ৰাগছৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথাটো হ'ল সেৱনৰ মাত্ৰা। ড্ৰাগছ বাৰে বাৰে একে মাত্ৰাতে সেৱন কৰিলে শৰীৰত ইয়াৰ ক্ৰিয়া ক্ষমতা কমি আহে। সেয়ে গ্ৰহণ কাৰীয়ে আগৰ সমানে উত্তেজক অনুভূতি পাবলৈ হ'লে ড্ৰাগছ সেৱনৰ মাত্ৰা বঢ়াই দিবলগীয়া হয়। কাৰণ যিকোনো ড্ৰাগ্‌ছে এটা মাত্ৰাৰ পাছত মানৱ দেহত সহনশীলতা বঢ়াই আৰু ই শৰীৰ বৃত্তিক পৰিৱৰ্তন ঘটাই। এই কাৰণেই ড্ৰাগছ। ধনবান পিতৃ-মাতৃয়ে নিজেই যি অসংযমী আৰু অনৈতিক জীৱন যাপন কৰে তাৰ প্ৰভাৱ নিজৰ সতি-সন্ততিৰ ওপৰতো প্ৰত্যক্ষ ভাৱে পৰে। এনেকৈয়ে বিলাসী জীৱনৰ এচাম ল'ৰা-ছোৱালীয়ে জীৱনৰ আদিৰে পৰা মাদক দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হয়। আন এটা কথা স্পষ্ট যে এবাৰ ড্ৰাগছৰ প্ৰতি আসক্ত হ'লে, তাৰ পৰা পৰিত্ৰাণ পোৱাটো সহজ

নহয়। কাৰণ কেতিয়াবা ইয়াৰপৰা উদ্ধাৰ বিচৰাজনে ড্ৰাগছৰ অবিহনে যি মাৰাত্মক পীড়া ভোগ কৰিবলগা হয়, তাৰ ভয়তো তেওঁ ড্ৰাগছ সেৱন কৰে।

নিচাকাৰক দ্ৰব্যৰ বিপদ এইখিনিতেই যে ই শৰীৰত এনে এক জৈৱ ৰাসায়নিক পৰিবৰ্ত্তন ঘটাই যাৰবাবে আসক্তজনে ইয়াৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হৈ পৰে। স্ব-নিয়ন্ত্ৰণ হেৰুৱাই পেলাই। ড্ৰাগছৰ অবিহনে এনে এক ভয়ানক পীড়া অনুভৱ কৰে যে তাক পাবলৈ যিকোনো অপৰাধ কৰিবলৈকো কুণ্ঠাবোধ নকৰে।

শেষত এটা কথাকে ক'ব পাৰি যে, এখন সুস্থ আৰু নিকা সমাজ গঢ়ি তোলাটো আমাৰ সকলোৰে কৰ্তব্য । গতিকে সমাজক কলুষিত কৰা এই উপাদান সমূহক নিৰ্মূল কৰিবলৈ সকলোৱে আগবাঢ়ি আহিলেহে তেনে এখন সুন্দৰ সমাজ আশা কৰিব পাৰি ।

*সাথঁৰ ঃ* *সাথঁৰ বিলাক জনসাধাৰণৰ আৰু কেতিয়াবা পণ্ডিতৰো সহজ বুদ্ধিজাত শব্দৰ ধেমালি। অনেক সাথঁৰত কল্পনাৰ স্ফুৰণ, কাব্যশ্ৰীৰ স্পৰ্শ আৰু অনুপ্ৰাস আদি শব্দালঙ্কৰৰ ব্যঞ্জনা দেখিবলৈ পোৱা যায়। ইয়াৰ অন্ত্যানুপ্ৰাস এটি সাধাৰণ লক্ষণ।*

১) *হাঁহৰ কণী দীঘলীয়া, পাৰৰ কণী গোল।*
*আৰু এবিধ কণী আছে লগাই গণ্ডগোল*
উত্তৰ ঃ- *ওকণী ।*

২) *এক পিঠি বগা এক পিঠি ক'লা*
*বৰ বৰ মহন্তই নাপায় তলা।*
উত্তৰ ঃ *দিন আৰু ৰাতি ।*

৩) *পাখি নাই উৰি যায় / মুখ নাই মাতে, বুকু ফালি*
*পোহৰ ওলায় / কাণ যেন ফাটে ।*
উত্তৰ ঃ *মেঘ*



# অসমীয়া সংস্কৃতিত তামোল পানৰ স্থান

*শ্ৰীজয়ন্ত গগৈ*
স্নাতক প্ৰথম বৰ্ষ
(অসমীয়া বিভাগ)

অসমীয়া সংস্কৃতিত তামোল পানৰ এখন উচ্চ আসন আছে। কিয়নো অসমীয়া মানুহৰ সকলো ক্ষেত্ৰতে তামোল পানৰ ব্যৱহাৰ গুৰুত্বপূৰ্ণ। ভোজন বিলাসৰ বস্তু হিচাপে প্ৰয়োজন হোৱাৰ বাহিৰেও বিভিন্ন ধৰ্মানুষ্ঠান আৰু ক্ৰিয়া-কৰ্মটো তামোল পানৰ ব্যৱহাৰ হয়। হিন্দু সংস্কৃতিত তামোল পানৰ ব্যৱহাৰ আৰ্য্যেতৰসকলৰ প্ৰভাৱত সুমাইছে বুলি পণ্ডিত সকলে অনুমান কৰে। সংস্কৃত ভাষাত তাম্বুল, শব্দটো ব্যৱহাৰ আছে যদিও ই অবাচীন। অসমীয়া সমাজৰ সকলো উৎসৱ - অনুষ্ঠান , বিয়া - সবাহ আদিত তামোল পানৰ ব্যৱহাৰ বা ভূমিকা বৰ গুৰুত্বপূৰ্ণ। তামোল-পান নহ'লে অসমীয়া সংস্কৃতিৰ কথা ভাৱিবই নোৱাৰি ।

কোনো কোনোৰ মতে তামোল খোৱা প্ৰথাতো দ্ৰাবিড়ীয় প্ৰথা কাৰণ Betel শব্দটোৱেই মালায়লম ভাষাৰ বেটিল্লা শব্দৰ পৰা অহা । পশ্চিম উপকূললৈ অহা পতুৰ্গীজ ব্যবসায়ী সকলে এই দ্ৰাবিড়ীয় শব্দটোৰ সৰ্বত্ৰ প্ৰচাৰ কৰে। ঋক বেদকে ধৰি প্ৰাচীন সংস্কৃত সাহিত্যৰ ক'তো তামোল খোৱাৰ কথা বা 'তাম্বুল' শব্দটোৰ উল্লেখ নাই । তামোল খোৱা প্ৰথাৰ উল্লেখ প্ৰথম পালি সাহিত্যতে পোৱা যায় বুলি ক'ব পাৰি। জাতকৰ এটা আখ্যানত বুদ্ধই তামোল খাবলৈ অমান্তি হোৱাৰ উল্লেখ আছে । অৱশ্যে শতকে বুদ্ধই তামোল খোৱাৰ ইংগিত দিয়ে। ভোজনৰ পিছত তামোল খোৱা প্ৰথাৰ বিধান স্মিতী গ্ৰন্থত আছে । প্ৰেম নিবেদনৰ সময়ত প্ৰেমিক প্ৰেমিকাই পৰস্পৰে পৰস্পৰৰ গাত পান আৰু চন্দনৰ প্ৰলেপ ছটিয়াই ইজনৰ মুখৰ তামোল সিজনৰ মুখত দিব লাগে বুলি উপদেশ দিয়া হৈছে । পুজা- উপচাৰৰ অন্যতম উপকৰণ স্বৰূপে দশম শতিকাত ৰচিত কালিকা পুৰাণতে সৰ্বপ্ৰথম তামোলক গণ্য কৰিছে। অসমৰ তামোল পানৰ বাৰীৰ সুখ্যাতি পুৰণি তাম্ৰলিপিতো উল্লেখ কৰা আছে । সপ্তম শতিকাৰ আদিত্য সেনৰ অম্পদ লিপিত লৌহিও পাৰৰ ৰমণীয়ে তামোল পানৰ বাৰীৰ চাঁত সিদ্ধ সকলে শয়ন কৰা বুলি উল্লেখ আছে । 'গুৱাক' শব্দৰ পৰা যেনেকৈ গুৱাহাটী উৎপত্তি বুলি সাধাৰণ বিশ্বাস ঠিক তেনেদৰে তামোল শব্দৰ পৰাও অসমৰ ভালেমান ঠাইৰ নাম হৈছে । যেনে তামোলবাৰী, তামোল ছিগা, তামুলীপিৰা ইত্যাদি অনেকবোৰ নাম উৎপত্তি হৈছে ।

অসমৰ তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলনৰ বিষয়ে যোগিনী তন্ত্ৰৰ শ্লোক এটাৰ পৰাই বুজিব পাৰি। শ্লোকটোত অসমীয়া তিৰোতাই সকলো সময়তে তামোল চোবোৱাৰ উল্লেখ কৰা হৈছে । অসমীয়া পুৰুষ-স্ত্ৰী, ডেকা-বুঢ়া কাৰো কাৰণে তামোল খোৱাত সামাজিক বাধা নিষেধ নাই । আনকি দাঁত নোহোৱা বুঢ়াইও খুন্দনাত খুন্দি তামোল খাই । আহোম ৰজাৰ দিনত ৰজা আৰু ডাঙৰীয়াসকলক তামোল-পান যত নাবলৈ তামুলী বিষয়া আছিল। বাৰীত তামোল পান ৰোৱা অসমীয়া মানুহৰ ধৰা-বন্ধা ৰীতি । আমাৰ ধৰ্মানুষ্ঠান আৰু সামাজিক উৎসৱত তামোল পান বা গুৱা পানে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে । পুজাৰ নৈবেদ্যত তামোল পান অপৰিহাৰ্য্য উপাদান । গুৰু-গোসাঁইলৈ বা সদৌ ৰাইজলৈ তামোলৰ শৰাই আগবঢ়োৱা হয় । উৎসৱ অনুষ্ঠানত অথবা অপায় অমংগলৰ ,গুৰু ঘৰলৈ, নাম ঘৰলৈ, দেৱতা বা

অপদেৱতালৈ গুৱা পান আগবঢ়োৱা হয়। আলহী অতিথিক সৰ্বপ্ৰথম তামোল পানেৰে অভ্যৰ্থনা কৰা হয়। তামোলখনৰ যোগেদিয়েই গুৰুৰ আশীৰ্বাদ লাভ কৰা হয়। তামোলৰ আদান প্ৰদানত বন্ধুত্ব স্থাপন হয়। ৰাজহুৱা দায় - জগৰত পৰিলেও তামোল পানৰ দন্দ এভাগ দি দোষ খণ্ডন কৰিব পাৰি ।

ডেকা-গাভৰুৰ প্ৰেম নিবেদন কৰাৰ ৰীতি এতিয়াও গাঁৱত আছে। বিহুগীতত এনে প্ৰেমৰ আবেগময় চিত্ত আছে।

"কিনো তামোলখনি .......... দিলা মোৰ মইনা
অতি চেনেহৰে খালো ;
সেইনো তামোলখনি ......... খাবৰে পৰা
তোমাৰ লগত চিনাকি হলো ।"

বিবাহ নিমন্ত্ৰণ কাৰ্য্যতো তামোল পানৰ প্ৰয়োজন । তামোল পান থুৰিওৱা আদি কাৰ্য্যৰ মাজেদি তিৰোতাৰ ক'লা সুলভ মনৰ পৰিচয় পোৱা যায় । বিয়াৰ ভালেমান ক্ৰিয়া কাৰ্য্যত তামোলৰ ব্যৱহাৰ মনকৰিবলগীয়া। বিয়াৰ কেইদিনা দৰা কন্যাই এজোৰ পান তামোল আৰু এখন কটাৰী লগত ৰাখিব লাগে । বিবাহ অনুষ্ঠান শেষ হ'লে দৰা কন্যাই এই তামোল কটাৰী সলনা-সলনি কৰে। দৈয়ন দিওঁতেও পানৰ প্ৰয়োজন। বিয়াৰ দিনা পুৱা ছোৱালীক শোৱা কোঠাৰ দুৱাৰ দলিত পিৰা এখন পাৰি বহুউৱা হয় । কন্যাৰ মাক বা আন কোনো সম্বন্ধীয় তিৰোতাই দুখন হাতত দুখন পান লৈ কন্যাৰ সন্মুখত আঠুকাঢ়ে। পান দুখন দৈ গাখীৰত জুবুৰীয়াই কন্যাৰ গাল, বাহু, ভৰিত সানি দিয়ে । কোনো কোনো অঞ্চলত বিবাহৰ সপ্তপদা গমনত দৰা কন্যাই সাত খিলা পান গছকাৰ বিধি আছে। অসমৰ কোনো কোনো অঞ্চলত পান ছিঙা প্ৰথাৰে বিবাহ বিচ্ছেদ হয়। তামোল পানে সামাজিক প্ৰাধ্যানও নিৰ্ণয় কৰে। উচ্চ কুলৰ লোকে জাত যোৱাৰ ভয়ত নীহকুলীয়া লোকৰ হাতৰ কটা তামোল নাখায়। বিহুনামত আছে —

"তোমাৰ কটা তামোল নেখাওঁ ঔ লাহৰী
আমাৰে মৰিব কুল ।"

তামোল পান গাঁৱলীয়া দৰৱ জাতীৰ অন্যতম উপাদান। অসমীয়া বিধান মতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। গৰু , মহৰ বেমাৰত তামোলৰ পিক ব্যৱহাৰ কৰা হয়। তামোল পানৰ অলৌকিক শক্তিক বিশ্বাস কৰি ইয়াক মন্ত্ৰত ব্যৱহাৰ ক ৰা হয়। অসমৰ দৰে ভাৰতৰ অন্য প্ৰদেশত কোমল তামোল অথবা পনিয়লী তামোল অথবা কেঁচা তামোল খোৱাৰ প্ৰথা নাই । তামোল গাঁতত পুতি ভৱিষ্যতলৈ সাঁচাৰ নিয়মটোও অসমীয়াৰ নিজা। অসমত কোমল তামোলৰ প্ৰচলনৰ বিষয়ে ভাস্কৰ বৰ্মাই হৰ্ষবধনলৈ হৰিৎ বৰণৰ কেঁচা তামোলৰ থোক উপহাৰ দিয়া কথাৰ পৰাই বুজিব পাৰি । গুৰু ঘৰলৈ থোক তামোল আগবঢ়োৱা আজিও আমাৰ দেশত প্ৰচলিত । মুছলমান ঐতিহাসিক সকলেও অসমীয়া মানুহে কেঁচা তামোল খোৱা প্ৰথালৈ লক্ষ্য কৰি গৈছে।

অসমীয়া মানুহে অৱশ্যে পান তামোলত এই আতাইকেইটা সুগন্ধী দ্ৰব্য ব্যৱহাৰ নকৰে। পুৰণি অসমীয়া সাহিত্যত তামোলৰ লগত সুগন্ধী দ্ৰব্য খোৱাৰ উল্লেখ আছে। বিহুগীতত আছে ---

"থুৰিয়াই থুৰিয়াই ......... তামোল কাটি দিছিলা
তাৰ মাজত দিছিলা লং ।"

সাধাৰণতে পানত চূণ সানিহে খোৱা নিয়ম । পান চূণৰ অভেদ সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়াত বহু প্ৰবাদৰো সৃষ্টি হৈছে । অৱশ্যে পুজাৰ নৈবেদ্যত আগবঢ়োৱা তামোল পানত চূণ সনা নহয় । সাধাৰণতে অসমীয়া মানুহে নুথুৰীয়া তামোল খায় । থুৰিওৱা তামোল উৎসৱ অনুষ্ঠান আৰু গুৰু গোসাঁইৰ ঘৰতহে খোৱা হয় । তামোলৰ হাঁচতী, তামোলৰ জুলুঙা, তামোলৰ কটাৰী, খুন্দনা তামোল খোৱা প্ৰথাৰ লগত সম্বন্ধ থকা অন্যান্য সামগ্ৰী। অসমৰ জন-জাতি সকলৰ মাজতো তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচনল আছে। আও, লঠা আৰু কন্যাক নগাসকলে এই অভ্যাস অসমীয়াৰ পৰাই পাইছে বুলি ড° হটনে মন্তব্য কৰিছে। গাৰোসকলৰ মাজতো এই প্ৰথা অসমীয়াৰ পৰা শিপাইছে বুলি ৰেভাৰেণ্ড বো কছে লিখি গৈছে। জন-জাতিৰ ভিতৰত খাচী আৰু মিকিৰ সকলেই বেছি তামোল খাই । খাচীসকলে মৃতকৰ সৎকাৰ কৰোতে শৰৰ ওপৰত তামোল এখন থৈ নিবেদন জনায় । "বিদায় ভগৱানৰ ওচৰত গৈ তামোল এখন খোৱাগৈ ।" □



ইতিহাসৰ চৰিত্ৰ

# মোমাই তামুলী বৰবৰুৱা

*শ্ৰীৰাতুল মহন*
স্নাতক দ্বিতীয় বৰ্ষ
(বুৰঞ্জী বিভাগ)

বিশ্বত কেতিয়াবা এনে কিছুমান অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তিৰ জন্ম হয় যাৰ তুলনা বিচাৰি পোৱা নাযায়। তেওঁলোকৰ তুলনা তেওঁলোক নিজেই । তেনে এজন অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তি হ'ল মোমাই তামুলী বৰবৰুৱা। এজন সাধাৰণ পুৰুষৰ পৰা বৰবৰুৱাৰ দৰে এটা উচ্চ পদত অধিষ্ঠিত হোৱা মোমাই তামুলীৰ জীৱন সঁচাকৈয়ে বিচিত্ৰকৰ। যিজন পুৰুষে এজন সাধাৰণ পুৰুষৰ পৰা নিজৰ প্ৰতিভাৰ ফলত আহোম স্বৰ্গদেউৰ পৰামৰ্শদাতা হিচাবে থাকি অসমীয়া জাতিৰ যি উন্নতি সাধি থৈ গ'ল , তেনে বিৰল কাহিনী ইতিহাসত পাবলৈ টান ।

মোমাই নামটো টাই ভাষাৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হ'ল মো = তামোল , মাই = কটা বা পৰিস্কাৰ কৰা। মোমাইৰ প্ৰকৃত নাম আছিল মেমাই নেচাঙ্গ। কোনো কোনোৱে তেওঁক শুকুতি বুলিও মাতিছিল । তেওঁ লুখুৰাসন খেলৰ মানুহ আছিল । চাৰি টকাৰ ৰূপৰ ধাৰ শোধাব নোৱাৰি তেওঁ ভাগিনীয়েকৰ ( বামুণ) ঘৰত লগুৱা হিচাবে কাম কৰিছিল। তেওঁ বামুণৰ ঘৰত কাম কৰি থকা অৱস্থাতে এখন ধুনীয়া তামোল পানৰ বাৰী পাতিছিল। বামুণৰ ঘৰত লগুৱা হিচাবে থকা এই জন মোমায়ে নিজ প্ৰতিভাৰ বলত কেনেকৈনো আহোম ৰাজসভাত স্থান পাইছিল সেই কথাখিনি হ'ল এনেধৰণৰ —

প্ৰায় সপ্তদশ শতিকাৰ আৰম্ভণিৰ কথা। অসমত তেতিয়া স্বৰ্গদেউ চুখামফাৰ মৃত্যু হোৱাত তেওঁৰ বৰপুত্ৰ চুচেংফা আহোম ৰাজপাটত বহে । বহুতো যুদ্ধ বিগ্ৰহ কৰাৰ বাবে চুচেংফাক প্ৰতাপসিংহ বুলিও কোৱা হয়। ৰাজপাটত আৰোহণ কৰাৰ পিছত স্বৰ্গদেউ প্ৰতাপসিংহই এদিন গড়গাঁৱ নগৰৰ দক্ষিণে নাজিৰাৰ পৰা দুমাইল ভটিয়াই চটাই আলিয়েদি দোলাত উঠি ফুৰিবলৈ গৈছিল। যাওঁতে তেওঁ মোমায়ে পতা তামোল পানৰ বাৰীখন দেখি মুগ্ধ হৈ গৈছিল। এই বাৰীখনৰ গৰাকীক চাবলৈ স্বৰ্গদেউৰ বৰ ইচ্ছা হৈছিল । সেয়েহে তেওঁ পিছদিনা দোলাকাষৰীয়া বৰুৱা (দোলাভাৰী সকলৰ কাষে কাষে যোৱা ব্যক্তি) ক বাৰীৰ গৰাকীক ৰাজসভালৈ আনিবলৈ ক'লে। দোলাকাষৰীয়া বৰুৱাই পিছদিনা মেমাই নেচাঙ্গক ৰাজসভালৈ মাতি আনিলে । স্বৰ্গদেউৱে মেমাই নেচাঙ্গৰ প্ৰতিভা আৰু বুদ্ধি দেখি তামুলী লিগিৰা পাতিলে। তেতিয়াৰ পৰা মেমাই নেচাঙ্গ, মোমাই তামুলী নামেৰে পৰিচিত হ'ল ।

স্বৰ্গদেউ প্ৰতাপসিংহই মোমাই তামুলীৰ জ্ঞানৰ পৰিসৰ কিমান তাক জুখি চাবৰ বাবে ৰাজ্যখনৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ সম্পৰ্কত কিছুমান প্ৰশ্ন সুধিছিল । আৰু তেওঁ তাৰ যথোচিত উত্তৰ দি গৈছিল। তিনিজন গোহাঁই,- বৰগোহাঁই , বুঢ়াগোহাঁই আৰু বৰ পাত্ৰ গোহাঁইৰ চকুত ধৰা নপৰা দোষসমূহ তেওঁ আঙুলিয়াই দিছিল। মোমাই তামুলীৰ জ্ঞান আৰু বুদ্ধি দেখি প্ৰতাপসিংহই 'বৰবৰুৱা' নামৰ এটা পদ সৃষ্টি কৰি তেওঁক সেই পদত অধিষ্ঠিত কৰিলে। আৰু তিনিজন গোহাঁইৰ অধীনৰ

বাহিৰত থকা অঞ্চল সমূহৰ দায়িত্বৰ ভাৰ তেওঁক দিছিল।

দিন যোৱাৰ লগে লগে মোমাই তামুলী ৰাজকাৰেঙৰ বিশ্বস্ত লোক (ভৃত্য) হৈ পৰিল। তেওঁ আছিল স্বৰ্গদেউ প্ৰতাপসিংহৰ প্ৰধান উপদেষ্টা। মোমাই তামুলীও আছিল স্বৰ্গদেউৰ একান্ত অনুগত। স্বৰ্গদেউ প্ৰতাপসিংহৰ প্ৰতিটো কাৰ্য্যৱলীতেই মোমাই তামুলী জড়িত হৈ আছিল ।

মোমাই তামুলী বৰ বৰুৱাই এনে এটা অভিনব পন্থাৰ প্ৰচলন কৰিছিল যিটোৱে ৰাজ্যখনক উন্নতিৰ পথলৈ আগবঢ়াই নিয়াত সহায় কৰিছিল। তেওঁৰ ব্যৱস্থা অনুযায়ী ৰাজবিষয়া আৰু পুৰোহিত শ্ৰেণীৰ বাহিৰে ১৫ বছৰৰ পৰা ৫০ বছৰ বয়সৰ সকলো পুৰুষে ৰাজ্য আৰু ৰজাৰ বাবে কাম কৰি দিব লাগিছিল। তেওঁৰ এই প্ৰথাটোক পাইক প্ৰথা বুলি বুৰঞ্জীত জনা যায়। প্ৰথমাবস্থাত ৪ জন লোকে এটা গোট কৰিছিল যদিও পিছলৈ ৩ জন কৰা হয়। এই প্ৰথা অনুযায়ী প্ৰত্যেক গোটৰ এজন লোকে পাল পাতি বছৰি ৪ মাহ ৰজাৰ ঘৰত কাম কৰি দিব লাগিছিল আৰু বাকী দুজনে লগৰ জনৰ পৰিয়ালৰ তত্বাৱধান লব লাগিছিল। আৰু প্ৰয়োজন হ'লে তেওঁলোক যুদ্ধলৈও যাব লগা হৈছিল।

মোমাই তামুলীয়ে অসমীয়া মানুহবোৰক কৰ্মপটু কৰি তুলিবৰ বাবে পুৰুষ সকলক বাঁহ- বেতৰ কাম আৰু মহিলা সকলক বোৱা-কটা কৰাটো বাধ্যতামূলক কৰি তুলিছিল।

ৰাজ্যখনৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰটো মোমাই তামুলীয়ে বিশেষ ভূমিকা লৈছিল । তেওঁ পৰ্বতীয়া মানুহবোৰৰ সুবিধাৰ বাবে বহুতো হাট বজাৰ পাতি দিছিল আৰু তেওঁলোকক নিয়ন্ত্ৰণত ৰাখিবৰ বাবে ঠায়ে ঠায়ে দুৱাৰ পাতি কটকী ৰখাৰ ব্যৱস্থা কৰিছিল। তেওঁ বহুতো গাওঁ, চহৰ-নগৰ, আলি-পদূলি আদি নিৰ্মাণ কৰি জনসাধাৰণৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰি তুলিছিল ।

মোমাই তামুলী বৰবৰুৱা এজন আদৰ্শ পৰায়ন, কৰ্তব্য পৰায়ন, সত্যনিষ্ঠ , দায়িত্বশীল আৰু দূৰদৰ্শী পুৰুষ আছিল। তেওঁ অসমীয়া সকলৰ কৰ্তব্য, কাৰ্য্যক্ষমতা অনুসৰি অসমত বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ৰাজখোৱা, ফুকন আদি বিষয়বাবৰ সৃষ্টি কৰি তেওঁলোকক নিয়ন্ত্ৰণত ৰাখিব বিচাৰিছিল। বৰ্তমান অসমৰ অৰ্থনৈতিক জীৱন আৰু গাওঁ সংগঠন প্ৰক্ৰিয়াৰ ভেটি মোমাই তামুলী বৰবৰুৱাই প্ৰতিষ্ঠা কৰি থৈ গৈছে বুলি কোৱাৰ যথেষ্ট থল আছে । প্ৰবল প্ৰতাপী মোগলৰ সেনাপতি ৰামসিংহক পৰাজিত কৰা বিখ্যাত শৰাইঘাট যুদ্ধৰ বিজয়ী লাচিত বৰফুকন মোমাই তামুলীৰে পুত্ৰ আছিল । লাচিতে দেউতাক মোমাই তামুলীৰ পৰাই পাইছিল আপুৰুগীয়াআত্ম সন্মানৰ গুণ আৰু তেওঁৰ পৰাই শিকিছিল কৰ্তব্য পৰায়ণতা, অপৰিসীম ধৈৰ্য্য, অদম্য সাহস, দেশপ্ৰেম আৰু ৰাজভক্তি, স্বৰ্গদেউ প্ৰতাপসিংহৰ দ্বাৰা প্ৰবৰ্তিত বৰবৰুৱাৰ দৰে এটা সন্মানীয় পদত অধিষ্ঠিত হৈ মোমাই তামুলী বৰবৰুৱাই অসমীয়া জাতিটোৰ মাজত যি কৰ্তব্যপৰায়ণতা, দেশপ্ৰেম আৰু একতাৰ বীজ সিঁচি থৈ গৈছিল সি সঁচাকৈয়ে অসমীয়া জাতিৰ বাবে গৌৰৱৰ বিষয় । বৰ্তমান সময়ত নানা ধৰণৰ সমস্যাৰে জৰ্জৰিত হৈ পৰা অসমত আজি পদে-পদে অনুভৱ কৰা যায় মোমাই তামুলী বৰবৰুৱাৰ দৰে এজন বিচক্ষণ আৰু কৰ্মকুশলী নেতাৰ । আজিৰ অসমত প্ৰয়োজন হৈ পৰিছে দ্বিতীয় এজন মোমাই তামুলীৰ যিজনে, নানা সমস্যাৰ গৰাহত পৰি থান-বান হৈ যাবলৈ উপক্ৰম হোৱা অসম তথা অসমীয়া জাতিটোক স্বকীয় প্ৰতিভা, দূৰদৃষ্টি আৰু অন্যান্য সাধাৰণ সাংগঠনিক প্ৰক্ৰিয়াৰ দ্বাৰা একতাৰ ডোলেৰে বান্ধ খুৱাই আগবঢ়াই লৈ যাব বিশ্বদৰবাৰলৈ। ❑

বিঃ দ্ৰঃ এই ইতিহাসৰ চৰিত্ৰটি বৰ্ণনা কৰাত জ্ঞানৰ পৰিসৰ সীমিত হোৱাৰ বাবে নানা ভুল-ত্ৰুটী থাকি যোৱাটো স্বাভাৱিক তাৰ বাবে সুহৃদয় পাঠকবৃন্দৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।



যুৱ-উশৃংখলতা

# “বৰ্তমান ছাত্ৰ সমাজৰ দুৰাৰোগ্য ৰোগ স্বৰূপ ৰেগিং আৰু ইয়াৰ প্ৰতিকাৰ ।”

*শ্ৰী ধৰ্মজ্যোতি বৰুৱা*
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ (কলা শাখা)

'ৰেগিং' কাৰোবাৰ বাবে বৰ মধুৰ শব্দ আৰু কাৰোবাৰ বাবে তপত চকুলো। বৰ্তমান ছাত্ৰ সমাজৰ দুৰাৰোগ্য ব্যাধিস্বৰূপ এই ৰেগিং কাৰবাৰটো ক'ত কোনে জন্ম দিলে, ইয়াৰ পিতৃ কোন , মাতৃ কোন, জন্মভূমি ক'ত তাৰ সম্পৰ্কে কোনো প্ৰামান্য দলিল নাই । ১৯৮৫ চনৰ দৈনিক জনমভূমিৰ কোনোবা এটা সংখ্যাত পঢ়িবলৈ পোৱা মতে — বহু বছৰৰ আগতে ইংলণ্ডৰ কোনো এখন বিশ্ব বিদ্যালয়ৰ নামভৰ্ত্তি কৰিবলৈ যোৱা ছাত্ৰ সকলক পুৰণা ছাত্ৰসকলে পৰিচয় হবৰ বাবে ওচৰতে থকা টেমচ্ নদীত সাতোঁৰ মাৰি আহিবলৈ কৈছিল। তাৰ পৰাই হেনো বিদ্যালয়ত ৰেগিংৰ জন্ম হ'ল। অৱশ্যে ই কিমান দূৰ সত্য সেইতো বিচাৰ্য্যৰ বিষয় ।

প্ৰায় কুৰি বছৰমানৰ ভিতৰত অসমত ৰেগিং কেনেধৰে আকাশীলতাৰ দৰে ছাঁত মাৰি ধৰিছে আৰু ই ছাত্ৰ সমজাৰ পৰা বিয়পি সমাজ দেহলৈ কেনেকৈ 'এইডচ্'ৰ দৰে ভয়ংকৰ ৰূপত বিয়পি পৰিছে তাক অসমৰ প্ৰতিজন নাগৰিকে নজনাকৈ থকা নাই । অসমৰ প্ৰতিখন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ৰেগিং বৰ বেয়া ধৰণে শিপাই পৰিছে। যাৰ ফলত বহু প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে উচ্চ মানদণ্ডৰ মহাবিদ্যালয় তথা বিদ্যালয় সমূহত অধ্যয়নৰ কোনো সুবিধা নাপায়। মনৰ ৰঙীন কল্পনা বাস্তৱত ৰূপ দিয়াটো তেওঁলোকৰ বাবে হৈ পৰে দুৰ্বিসহ।

অতি পৰিতাপৰ কথা, যোৱা কেইবছৰ মানৰ ভিতৰত ৰেগিংৰ কৱলত পৰি ছাত্ৰ-ছাত্ৰীয়ে কলেজ এৰি অহা আনকি আত্মহত্যা পৰ্য্যন্ত কৰা খবৰ অসমৰ প্ৰতিজন লোকৰে জ্ঞাত। ৰেগিংৰ নামত যি অসহনীয়, অৱৰ্ণনীয় অত্যাচাৰ সেই সম্পৰ্কে বাতৰি কাকতত কোনে পঢ়া নাই ? এই অত্যাচাৰৰ কথা ভুক্ত-ভোগীৰ বাহিৰে অন্যলোকে বিশ্বাস কৰিবলৈ টান পাব। ৰেগিং কাৰীজন যেন এজন উন্মুক্ত পুলিচ বিষয়া আনহাতে নৱীন ছাত্ৰ বা ছাত্ৰী গৰাকী অপৰাধী, তেনে এটা অৱস্থালৈ গতি কৰিছে বৰ্তমানৰ ৰেগিং ব্যৱস্থা। ৰেগিংক যদি এটা নিস্কলুষ তামাচাৰ দৰে ব্যৱহাৰ কৰিবলৈ ললেহেঁতেন তেতিয়া বোধহয় কোনেও বেয়া নাপালেহেঁতেন, বৰঞ্চ আমোদহে পালেহেঁতেন।

কলেজৰ প্ৰৱীন বা উচ্চ শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰীয়ে নৱীন ছাত্ৰ বা ছাত্ৰীক চিনাকি হোৱাৰ চলেৰে বৰ বেয়াকৈ কিছুমান প্ৰশ্ন কৰা দেখা যায়, যি প্ৰশ্ন শ্লীলতাৰ সীমা চেৰাই যায়। এই ক্ষেত্ৰত খুউব নগন্য ছাত্ৰ-ছাত্ৰীৰহে এনে মনোভাৱ দেখা যায়। এই নগন্য কাণ্ডজ্ঞানহীন, বিবেক নাইকিয়া ছাত্ৰসকলে এবাৰো ভাবি নাচায় যে নতুনকৈ অহা এই ছাত্ৰ-ছাত্ৰীবোৰ আমাৰেই অনুজ ভাতৃ-ভগ্নী প্ৰতীম । তেওঁলোকৰ কিছুমান অশ্লীল প্ৰশ্নই অৱশেষত ৰেগিংৰ গৰাহত পৰা জনৰ ধৈৰ্য্যৰ বান্ধ ছিঙি দিয়ে। সেই মূহুৰ্তত ৰেগিংকাৰীজনক বা দলটোক অলপ কঠিন ভাষা শুনালে তেওঁলোকে 'চিনিঅ'ৰটি' দেখুৱাই সেই ছাত্ৰ বা ছাত্ৰী গৰাকীক কেতিয়াবা (প্ৰায়ে) শাৰিৰীক অত্যাচাৰ কৰাও দেখা

যায়। সেই সময়ত তেওঁলোকে নিজৰ ভাতৃ-ভগ্নীস্বৰূপ ছাত্ৰ-ছাত্ৰীৰ কথা একেবাৰে পাহৰি যায়। এটা কথা উল্লেখযোগ্য -- ("চিনিঅ'ৰটিয়ে মানুহক প্ৰকৃত জ্ঞানী নকৰে, মানুহক জ্ঞানী কৰে মানৱীয় প্ৰমূল্য বোধেহে")

আনহাতে নৱাগত সকলৰ দোষ যে একেবাৰে নাথাকে তেনে নহয়, তেওঁলোকৰো কিছুমান দোষ থাকে বুলি ভবাৰ থল আছে। এই নৱাগতসকল কিছুমান সাধাৰণ প্ৰশ্নৰ সন্মুখীন হয় ই ঠিক; কিন্তু উত্তৰ দিব নোৱাৰাটোহে বৰ পৰিতাপৰ বিষয়। আনহাতে কিছুমান ছাত্ৰ বা ছাত্ৰীয়ে সেই প্ৰশ্নৰ উত্তৰ ভালদৰে জানে , কিন্তু মনত গৰ্ব ভাৱ লৈ নজনাৰ ভাও ধৰে। তেনে এটা অৱস্থাত উচ্চ শ্ৰেণীৰ ছাত্ৰ বা ছাত্ৰীসকলৰ খং উঠে আৰু বিভিন্ন ধৰণৰ (ভাল আৰু বেয়া) প্ৰশ্ন কৰি ব্যতি-ব্যস্ত কৰি তোলে যাৰ বাবে পৰিস্থিতি হৈ পৰে ভয়ংকৰ আৰু অপ্ৰীতিকৰ।

আজি প্ৰায় ১৫ / ২০ বছৰৰ আগত অসমত ৰেগিংবৰ সুখৰ স্মৃতি আছিল বুলি বহু অভিজ্ঞ তথা সচেতন লোকৰ মুখেৰে শুনিবলৈ পাইছো। তেতিয়াৰ দিনৰ 'জুনিয়ৰ' ছাত্ৰই 'চিনিঅ'ৰ ' ছাত্ৰক ঘৃণাৰ চকুৰে চোৱাৰ সলনি ভক্তিৰ চকুৰে বা শ্ৰদ্ধাৰ চকুৰে চাইছিল। কিন্তু আজিৰ দিনত কাৰোবাৰ বাবে ৰেগিং সুখৰ স্মৃতি হব পাৰিছে বুলি কোনোবা ছাত্ৰ-ছাত্ৰীয়ে ৰাজহুৱাকৈ স্বীকাৰ কৰিব পাৰিবনে? ১৫/২০ বছৰৰ আগৰ সেই ৰেগিঙৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ বা অভিভাৱক সকলে একো গমেই পোৱা নাছিল। কিন্তু আজিকালি ৰেগিংৰ নাম শুনিলেই ছাত্ৰ-ছাত্ৰীতকৈ বেছি আতংকিত হয় পিতৃ-মাতৃ তথা অভিভাৱকসকল। ই কিয় হবলৈ পাইছে ?? ৰেগিংকাৰী সেই ছাত্ৰ-ছাত্ৰীবোৰৰ মানৱীয় মূল্যবোধ হেৰুৱাৰ বাবেই নহয়নে ?

এই ৰেগিং নামৰ শব্দটো এটা বিতৰ্কিত শব্দ। ইয়াৰ কোনো গ্ৰহণযোগ্য সংজ্ঞা দৃষ্টিগোচৰ হোৱা নাই । আমি ৰেগিংৰ বিভিন্ন স্তৰ দেখিবলৈ পাওঁ । এটা কথা অকপটে স্বীকাৰ কৰিব লাগিব যে ৰেগিং মাত্ৰেই দোষণীয় নহবও পাৰে। নিৰ্দোষ হাঁহি-ধেমালীৰ মাজেৰে যি চা-চিনাকি হোৱা হয়, তাক আমি ছাত্ৰ সকলৰ ভদ্ৰতাৰ এক উন্নত পৰিচায়ক বুলি গণ্য কৰিবলৈ একান্তই বাধ্য। নিৰ্দোষ হাঁহি-ধেমালিৰ মাজেৰে চা-চিনাকি হোৱা ব্যৱস্থাটোৰ নাম যিদৰে ৰেগিং ঠিক তেনেদৰে মানসিক , শাৰিৰীক, আৰ্থিক আদি নানা প্ৰকাৰৰ শাস্তি দি পাশৱিক তৃপ্তি লাভ কৰা ব্যৱস্থাটোৰ নামো ৰেগিং। বহু ছাত্ৰ-ছাত্ৰীক ৰেগিংৰ মাত্ৰা চেৰাই গৈ তেওঁলোকৰ বিকৃত মানসিকতাৰ পৰিচয় দিয়াটো এটা লক্ষণীয় দিশ।

সাধাৰণতে যি ধৰণৰ ৰেগিংৰ বাবে আজিৰ মানৱ সমাজ আতংকিত হৈ পৰিছে তেনে ৰেগিং কৰে এমুঠি মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীয়েহে । তেওঁলোকৰ যুক্তি হ'ল "আমাকো ৰেগিং কৰিছিল, আমি নকৰিম কিয়?" ফলত ৰেগিঙে ৰূপ লয় উত্তৰাধিকাৰী সূত্ৰে পোৱা গুণ্ডামি-দাদাগিৰিলৈ। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এনে কিছুমান নীচ বাক্য নিক্ষেপ কৰা দেখা যায় (ৰেগিং কৰিছো, কৰিম আৰু কৰি থাকিম) যে তাৰ কোনো এটা সাৰ্বজনীন যুক্তি দেখা নাযায়। এইখিনিতে সেইসকলক কেইটামান প্ৰশ্নৰ ওচৰলৈ লৈ আহিছো — এই উক্তি কৰিব পৰা অধিকাৰ আপোনালোকে ক'ত পালে? এই অধিকাৰ কোনে দিলে? আপোনালোকক ৰেগিং কৰিছিল আপোনালোকতকৈ চিনিঅ'ৰ ছাত্ৰ-ছাত্ৰীয়ে ; কিন্তু আপোনালোকে কিয় নৱাগত সকলক আপোনালোকৰ প্ৰতিশোধৰ বলি স্বৰূপে ব্যৱহাৰ কৰে? আপোনালোকক ৰেগিং কৰিছে প্ৰতিবাদ কৰক। কিন্তু নিৰ্দোষী এচাম ছাত্ৰ-ছাত্ৰীয়ে কিয় এই বোজা বহন কৰিবলগীয়া হৈছে ?

**ৰেগিঙৰ প্ৰতিকাৰ ঃ-**

এই দুৰাৰোগ্য ব্যাধিটো বন্ধ কৰিবলৈ হলে নানা ধৰণৰ ব্যৱস্থা কৰিব পৰা যায়। কিন্তু তাৰ বাবে অতি প্ৰয়োজন একোজন সৎ সাহসী নায়ক বা নেতা। সেয়ে হলেও , ছাত্ৰ-ছাত্ৰীৰ মাজত যেতিয়ালৈকে আত্ম সংশোধন ভাৱ নাহে ৰেগিঙক বন্ধ কৰাটো কিছু দুৰূহ কাম হৈ পৰিব। গতিকে ছাত্ৰ সন্থাৰ এই ক্ষেত্ৰত গুৰু দায়িত্ব আছে ।

ছাত্ৰ সন্থাৰ লগতে পিতৃ-মাতৃ আৰু কলেজ সমূহৰ



কৰ্তৃপক্ষৰো এই ব্যাধি নিৰ্মূলকৰণৰ ক্ষেত্ৰত যথেষ্ট দায়িত্ব আছে। যাৰ ঘৰত সুস্থ- সংস্কৃত এটা পৰিবেশ আছে, য'ত সন্তানৰ জন্মৰে পৰাই নৈতিকতাৰ শিক্ষা আৰম্ভ হয় তেনে শিক্ষক তথা পিতৃ-মাতৃয়েহে বিশৃংখলিত ছাত্ৰ বা ছাত্ৰী গৰাকীৰ বিকৃত ৰুচিৰ ভাৱ-ধাৰা আঁতৰাব পাৰে। পিতৃ-মাতৃয়ে নিজ সন্তানে স্কুল বা কলেজত কৰি অহা দুৰ্নীতিৰ বাবে সামান্য হলেও কিবা প্ৰকাৰৰ শাস্তি বিহিলে নিশ্চয়কৈ ৰেগিং বন্ধ নহৈ নোৱাৰে।

এটা কথা উল্লেখযোগ্য বৰ্তমান ছাত্ৰ-ছাত্ৰী সমূহৰ অভিভাৱক সকলৰ লগত পঢ়াশালীয়া কৰ্তৃপক্ষৰ পোনপটীয়া যোগাযোগ নাই । অভিভাৱক আৰু কৰ্তৃপক্ষৰ মাজত পোনপটীয়া যোগাযোগ থাকিলেও ৰেগিং বন্ধ নহৈ নোৱাৰে।

ৰেগিং বন্ধ কৰাৰ বাবে প্ৰত্যেকজন সচেতন নাগৰিকৰে দায়িত্ব আছে। নাগৰিকক যিহেতু সমাজে গঢ় দিয়ে, সেয়ে সমাজৰ ওপৰতে ৰেগিং বন্ধ কৰাৰ দায়িত্ব আছে। এই কৰ্ম বন্ধ কৰিবলৈ টকাৰ প্ৰয়োজন নাই , L. M. G ৰ প্ৰয়োজন নাই, প্ৰয়োজন মাথো প্ৰতিজনৰে মানৱীয় জ্ঞান, সৎ সাহস আৰু সদিচ্ছাৰ। ❑

*গোটেই পৃথিৱীৰ কাৰণে তুমি কান্দিব নোৱৰা। ই মানুহৰ সাধ্যৰ অতীত ।*
*তুমি কাৰ কাৰণে কান্দিবা সেইটো ঠিক কৰি লব লাগিব তুমি নিজেই*

**— জাঁ আনুই**

মানুহৰ পতন নোহোৱাকৈ সভ্যতাৰ পতন হ'ব নোৱাৰে। মানুহৰ পতন হয় কেতিয়া? যেতিয়া মানুহৰ ইচ্ছা শক্তি দুৰ্বল হয়, মনোবল আৰু উদ্যম হ্ৰাস পায়, মানসিক অভ্যাসবোৰৰ অবক্ষয় হয়। মানুহ জীয়াই থাকে বিশ্বাসৰ জোৰত। বিশ্বাস সন্দেহত পৰিণত হ'লেই মানুহৰ পতন আৰম্ভ হয় । —— ফিলিপ লী বলেফ

যি মানুহৰ হেৰুৱাবলৈ নাই তেনে মানুহৰ লগত
কেতিয়াও কেৰ পাতি নলবা -

— গ্ৰেচিয়ান

## জীৱন আৰু কৃতি

(কৃষ্ণকান্ত সন্দিকৈ জন্মশত বাৰ্ষিকী উপলক্ষে, উৎসৰ্গীত)

# প্ৰাচ্য বিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈ

*বিপুল গগৈ*
স্নাতক তৃতীয় বৰ্ষ (কলা)

জ্ঞান সাধনা হৈছে এটা ব্ৰত, যি জীৱনৰে এটা ৰূপ এই বুলি উক্তি কৰি যিজনে জীৱনকালত তাৰ আৰ্হি দেখুৱালে আৰু যি জনে "পাৰ্থিৱ খ্যাতি বায়ুৰ নিশ্বাস প্ৰশ্বাসৰ বাহিৰে আন একো নহয়" দান্তেৰ এই কথাষাৰিত গুৰুত্ব আৰোপ কৰে, সেইজন তীক্ষ্ণধী অসাধাৰণ প্ৰতিভা আৰু স্বকীয় প্ৰোজ্জ্বল ব্যক্তি মহিমাসম্পন্ন জ্ঞান তপস্বী, প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ, অদ্ভুত। সংমিশ্ৰণ, অমায়িক, অভিমান শূন্য, স্বল্পভাষী মানৱিক পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ বৰ্ত্তমান শতিকাৰ এজন স্বনামধন্য ব্যক্তি। তেওঁৰ নাম উচ্চাৰণ কৰিলেই তেওঁৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ কথা আমাৰ মনত উদয় হয় ।

সাত ঘৰীয়া আহোম ফৈদৰ সন্দিকৈ বংশৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ আৰু ঘিনাৰাম বৰুৱাৰ কন্যা নাৰায়ণী সন্দিকৈৰ পুত্ৰ কৃষ্ণকান্ত সন্দিকৈ ১৮৯৮ চনৰ ২০ জুলাই তাৰিখে যোৰহাটত ভূমিষ্ঠ হয় । তেওঁ ১৯১৩ চনত যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ পৰা প্ৰবেশিকা আৰু ১৯১৫ চনত কটন কলেজৰ পৰা আই এ মহলাত উঠি কলিকতাৰ সংস্কৃত কলেজত বি , এ, পঢ়িবলৈ যায় । তেওঁ ১৯১৭ চনত বি, এ, পৰীক্ষাত সংস্কৃতত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰসন্নকুমাৰ সৰ্বাধিকাৰী স্বৰ্ণপদক পায় । তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ এম- এ- শ্ৰেণীত ভৰ্ত্তি হয় আৰু ১৯১৯ চনৰ এম এ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। তেওঁ ১৯২০ চনত বিলাতলৈ যায়। তেওঁ সেই বছৰ অক্টোবৰ মাহত অক্সফৰ্ড বিশ্ববিদ্যালয়ত 'মডাৰ্ন হিষ্টৰী' বিষয় লৈ বি - এ অনাৰ্চ শ্ৰেণীত অধ্যয়ন কৰে আৰু ১৯২৩ চনত সেই পৰীক্ষাত উত্তীৰ্ণ হৈ এম - এ উপাধি লিখাৰ যোগ্যতা অৰ্জন কৰে।

জ্ঞান সাধনাত ব্ৰতী সন্দিকৈয়ে ইউৰোপীয় ভাষাসমূহৰ বিস্তৃত আৰু গভীৰ অধ্যয়নৰ কাৰণে ইংলেণ্ড এৰি ফ্ৰান্সলৈ যায়। ইউৰোপত বহু ভাষা শিকি আৰু বিস্তৃত ভাৱে অধ্যয়ন কৰি বিশ্বকোষ তুল্য জ্ঞানৰ অধিকাৰী হৈ কৃষ্ণকান্ত ১৯২৭ চনত স্বদেশলৈ ঘুৰি আহে আৰু ব্যক্তিগত পুথি ভৰালৰ বাবে প্ৰায় দুহেজাৰ মান বিভিন্ন ভাষাৰ গ্ৰন্থও আনে ।

সন্দিকৈয়ে ১৯২৮ চনত নগাঁৱৰ উমাচৰণ গোঁহাইৰ কন্যা হেমলতা আইদেউক বিয়া কৰায়ে । ১৯৬১ চনত কৃষ্ণকান্ত বিপত্নীক হয় আৰু গুণৱতী পত্নীৰ বিয়োগে তেওঁক বৈষয়িক জীৱনত অকলশৰীয়া কৰিলে । ***তেওঁৰ পত্নীৰ স্মৃতিত যোৰহাটত "হেমলতা হেন্দিক মেমৰিল ইনষ্টিটিউট" নামৰ এটি শিক্ষানুষ্ঠান স্থাপন কৰে।*** ১৯৩০ চনত স্থাপিত জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষৰ পদ আৰু পাছত ১৯৪৮ চনত স্থাপিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব বহন কৰি অসমৰ উচ্চ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত বিশেষ বৰঙনি যোগায়। সেয়েহে অসমৰ শিক্ষা জগতত কৃষ্ণকান্ত সন্দিকৈ এটা স্মৰণীয় নাম। তেওঁ ১৯৩০ চনৰ পৰা ১৯৪৮ চনলৈ আৰু ১৯৪৮ চনৰ পৰা ১৯৫৭ চনলৈ ক্ৰমে নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ পদ অলংকৃত কৰে। নৱ প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সন্দিকৈয়ে ১৯৫২ চনৰ চেপ্তেম্বৰ মাহত মাদ্ৰাজত বহা 'ইণ্টাৰ ইউনিভাৰ চিটি বোৰ্ড' ৰ এখন বিশেষ সভাত সভাপতিত্ব কৰে। সেই বছৰতে ৱাল্টায়াৰত অনুষ্ঠিত হোৱা ইণ্টাৰ ইউনিভাৰচিটি বোৰ্ডৰ বাৰ্ষিক অধিবেশনত তেওঁ পৌৰহিত্য কৰে।

১৯৬৮ চনত সন্দিকৈ দেৱে পুনাৰ ডেক্কান কলেজৰ "অনাৰেৰীফেল" হয় । এই বছৰতে তেওঁক গুৱাহাটী বিশ্ববিদ্যালয়ে 'ডিলিট' উপাধি প্ৰদান কৰে। তেওঁক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে 'ডিলিট' উপাধিৰে (১৯৭২ ) বিভূষিত কৰে। তেওঁক ভাৰত চৰকাৰে পদ্মশ্ৰী (১৯৫৫ ) আৰু পদ্মভূষণ (১৯৬৭) উপাধি যাছে। তেওঁক ১৯৭৮ চনত অসম সাহিত্য সভাই "সদস্য মহীয়ান" উপাধিৰে বিভূষিত কৰে।

তেওঁ অসম সাহিত্য সভাৰ পৰম হিতাকাঙ্খী আছিল। তেওঁ এই সভাৰ সপ্তদশ অধিবেশনৰ (গুৱাহাটী১৯৩৭ ) সভাপতিৰ আসন অলংকৃত কৰে। তেওঁ অসম ছাত্ৰ সন্মিলনৰো এজন ঘাই উদ্যোক্তা আছিল। তেওঁ এই সন্মিলনৰ চতুৰ্দশ অধিবেশনৰ (গোলাঘাট , ১৯২৯ ) আৰু যোৰহাট ছাত্ৰ সন্মিলনৰ দ্বিতীয় বাৰ্ষিক অধিবেশনৰ সভাপতি হৈছিল।

জৈন দৰ্শন সম্বন্ধীয় নানা মুনিৰ নান মত সম্পৰ্কে তেওঁ যেনেকৈ অৱগত আছিল বা চফোক্লিচ, ইউৰিপিডিচ নাট সম্বন্ধে যেনেকৈ অৱগত আছিল, সেইদৰেই আছিল ভাৰতীয় চিত্ৰকলাৰ নিগূঢ় নন্দতত্ত্ব সম্বন্ধে কৰ্তৃত্বশীলতাৰো তথ্যভিজ্ঞ। গ্ৰীক এৰিষ্টোটলৰ পৰা আধুনিক হাবাৰ্ট-ৰীডলৈকে মুখিয়াল সকলকো সন্দিকৈয়ে সামৰিব পাৰিছিল আৰু সেইবাবেই সন্দিকৈ আমাৰ পণ্ডিত সকলৰ মাজত নিজেই একশ্ৰেণীস্বৰূপ। মুঠৰ ওপৰত কৃষ্ণকান্ত সন্দিকৈ, ব্যক্তিত্ব আৰু পাণ্ডিত্য সকলো দিশৰ পৰা এখন নকটা হীৰা।

উপাচাৰ্যৰ কাৰ্যকাল ওৰ পৰাত সন্দিকৈয়ে ১৯৫৭ চনৰ শেষৰ ফালে যোৰহাটলৈ ঘূৰি আহি পূৰ্বৰ দৰে অধ্যয়নত কাল কটাই, কিন্তু শেষ জীৱনত প্ৰৱৰ সেনৰ সেতুবন্ধ অনুবাদত অধিক পৰিশ্ৰম কৰাৰ কাৰণে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে। ১৯৮২ চনৰ ২৬ মে'ত তেওঁক ডিব্ৰুগড়ৰ জি এম হস্পিতেলত ভৰ্ত্তি কৰা হয় আৰু তাতে ৭ জুনৰ দিনা পুৱা ৮৪বছৰ বয়সত সন্দিকৈয়ে নশ্বৰ দেহ ত্যাগ কৰে। তেওঁৰ ভাষাৰেই ক'ব পাৰি —

*ঈশ্বৰৰ আঙুলিয়ে*
*পৰশিলে ধীৰে ধীৰে*
*— টোপনিয়ে সাৰটি ধৰিলে।*

**সন্দিকৈৰ ইংৰাজী গ্ৰন্থ আৰু প্ৰবন্ধ সমূহ —**

1) Naishada Charita of Sriharsa 1934, 1956, 1966
2) Yasastilaka and Indian Culture 1949, 1968
3) Setubandha - 1976.

**— প্ৰবন্ধ —**

1920 - Women poets of the Rigvede-Indian Antiquary.
1928- German Academic Ideals - Forward, March 11.
1928- The last Days of Puskin - Forward.
1936 - The Naishadha Charita and Rajput Painting Indian Historical Quarterly.
1938- An Indian Prince in a Greek Romance New Indian Antiquary.
1947- Religion and the languages of the people J. B. College Magazine.
1949- Foreward - Chitra Bhagavata.
1951- Presidential Address - Classical Sanskrit Section - All Indian Oriental Conference .
1958- Preface - Jibandhar Champu.
1962- Classical Sanskrit as a Vehicle of Indian culture Vol. II. R. K. Mission.

সহায়লৈ —

# The Status of Women in India

*Miss Swapnali Gogoi*
T. D. C. 1st Year.

"Status"-- What does this word mean, when it is asked? Then certainly, the social position or Ranking as the answer will come to our mind. The great Sociologist ' Mac Iver' define the status- " Status is the social position that determines for its possessor apart from his personal attribute or social services a degree of respect, prestige and influence." Therefore, we can say that the status of a person is based on social evaluations.

Almighly's greatest creations is the human being . 'Manu' says --- "The creator (Brahma) had divided his body into two halves, where one half is male and other half is female . " Since both were the two half of Brahma, but it is pity to see that there is a big lag between men's and women's status and values. Women who constitute one half of the world and without whose presence the survival of world can never be imagined, she is said to be the mother of enlire universe.

If we flash back our memory to the vedic age then we will see that women in the vedic age appears to have enjoyed a comparatively higher status than that enjoyed by her sister in the post-vedic age. She was regarded the very centre of the domestic world and was its empress women of vedic India were mostly educated. As they were able to enjoy the studentship, braham acharya, it was also added possibility for women to became scholars only so long as they were allowed to be initiated for vedic study. In the scope of education, women were not led back from men scholars and learned in India at vedic period. For as we can say -- in 'Upanisads' -- "Gargi" and "maitryi", in " Ramayana' -- "Tara" and " Kausalaya"; in 'Mahabharata' -- " Draupadi" ". These were the remarkable learned lady personalities at their period.

But, as the time wheel passess on, the degradation is seen in the status of women. And here 'Manusmrti' strong views about women image and status can be flash on. It had given a low image of womanhood. She is called --- 'Paramada', a temptress. According to 'Manu' -- "Love of Scandal and lust of sex the creator gave to women". The saints says women was a great obstruction in the way of spiritual realization. 'Kabir' called women a hellish well. From this, one thing is very much clear that ---- Mostly women is regarded only to the thing of luxurious and thing of enjoyment.

Man always tried to dominate women. They had a negative attitude towards women then. In the name of traditions, women were tried to keep under the four wall's of house, covered by purdah without any formal education. They were bound by restrictions that tended to deprive women of her traditional status. But later on, a few eminent person, of India tried to break this restrictions of women by the orthodox society.





And were also able to succeed in this scope. Such as -- 'Raja Ram Mohan Roy', 'Ishvar chandra Vidyasagar' etc.

From then onwards struggle continued against the social injustice inherent in the Hindu social System. And slowly became aware of their intuition, suffering, traumas and trail upon them by this ortherdox society. 'Manu' says -- " Women should live under the surveillance in her Youth or son in her old age, because by doing so she will make both the families contemptible. But women of today prove it that of course they need love and co-operation but, not sympathy and help. By taking part in National Movement, they become aware for the first time of their capacities for work, suffering and leadership. They faced with great challenge by originating themselves to fight for the right, both civil and political. Through the rapid development in the field of education, they were able to form their own identity and personality. They were also able to engage themselves in various small official post to big and powerful administrative post. Education has brought women out of the confines of the house and put them into contact with the philosophy of liberalism and democratic tradition of the west.

Modern women of this computer age have moved this capability of working at any circumstances. They can perform all that men could with more smartly, confidently and carefully. The status of women is changing but not rapidly. It has became a fashion to say that society has changed. But, in reality, the core of society is still the same with males considering it a flow to their dignity to work at home and if they do something, the same is done as obligation. There is still the smell of orthodox tradition were spreading whole over the society. It is really very pity that in this modern period also many women were becoming the victim of many evil traditional behaviour.

The thing seem to be quite different and difficult for woman in her career and development of her status. But the tough fight is still going on. And we were sure with her grit and determination, her patience and endurance, today's more enlightened and worldly --- aware woman will curve a niche for herself and then the status of women will be equal to men's status. ❑

**Marriage is like a bank account . You put it in, you take it out, and you lose interest.**--- Irwin Corey.

সাম্প্ৰতিকী

# বৰ্তমান সমাজ ব্যৱস্থাত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসঙ্গিকতা


***নিপন ৰাজখোৱা***

স্নাতক তৃতীয় বাৰ্ষিক (কলা)


*যদা যদাহি ধৰ্মস্য গ্লানিভৱতি ভাৰত।*
*অভ্যুস্থানম ধৰ্মস্য তদাৎস্থানং সুজাম্যহম।।*
*পৰিতানায় সাধুনাং বিনামায় চ দুস্কৃতাম।*
*ধৰ্ম সংস্থাপনা থায় সম্ভাৱামি যুগে যুগে।। (গীতা)*

অৰ্থাৎ যেতিয়াই ভাৰত ভূমিত ধৰ্মৰ গ্লানি হৈ অৰাজকতাৰ সৃষ্টি হয় তেতিয়াই ভগৱানে দুস্কৃতি নাশ কৰি ধৰ্ম ৰক্ষাৰ বাবে অৱতাৰ গ্ৰহণ কৰে।

আজিৰ পৰা প্ৰায় ৫৫০ বছৰ আগেয়ে অসম প্ৰদেশতো ধৰ্মৰ গ্লানি হৈ এক বিশৃংখল অৰাজকতাৰ পৰিবেশ বিৰাজ কৰিছিল। ক্ষমতা লোভত এটা জাতিয়ে আন এটা জাতিৰ ওপৰত আক্ৰমণ চলাই তেজৰ ফাকু খেলিছিল। উচ্চ নীচ জাত-পাতৰ বিচাৰে সমাজ জীৱন পঙ্গু কৰি পেলাইছিল। দেৱ-দেৱীক সন্তুষ্ট কৰি নিজৰ বাঞ্চিত ফল লাভ কৰিবৰ বাবে নিৰীহ পশু-পক্ষীক বলি দিয়াতো এক প্ৰকাৰৰ নীতিত পৰিণত হৈছিল। বলি বিধানে এনে এটা চূড়ান্ত অৱস্থাত উপনীত হৈছিলগৈ যে মানুহে দেৱীৰ আগত মানুহকে বলি দিবলৈ কুণ্ঠাবোধ নকৰা হৈছিল। এনে এটা বিশৃংখলময় পৰিবেশৰ পৰা জগতবাসীক উদ্ধাৰ কৰিবৰ নিমিত্তে ভগৱানে শংকৰদেৱৰূপে অসম প্ৰদেশত অৱতাৰ গ্ৰহণ কৰিছিল। তেৰাই "একশৰণ হৰি নাম" ধৰ্ম প্ৰচাৰৰ যোগেদি সকলো জাতি-উপজাতিকে একতাৰ দোলেৰে বান্ধি, উচ্চ-নীচ, ভেদভাৱ আঁতৰাই এখন সুস্থ-সবল নিকা সমাজ গঠন কৰিছিল। তেৰাই ধৰ্ম প্ৰচাৰৰ যোগেদি প্ৰায় সকলো দিশতে অসমীয়া জাতিক এক নৱজীৱন প্ৰদান কৰি থৈ গৈছে। কীৰ্ত্তন দশমৰ যোগেদি তেৰাই নিজৰ সাহিত্য প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন দি যোৱাৰ লগতে অসমীয়া সাহিত্য জগতলৈ যি বিপুল অৱদান আগবঢ়ালে তাক আমি সদায়ে শ্ৰদ্ধাৰে সোঁৱৰিব লাগিব।

শংকৰদেৱে বিশ্বৰ কথাছবি আৰু নাট্যমঞ্চ নিৰ্মাণৰ বাট কটীয়া আছিল। তেৰাই আমাক উপভোগ্য ভাওনা প্ৰদান কৰি থৈ গৈছে। বৰগীত, নাট, ভাওনাৰ দ্বাৰা দুস্কৃতি নাশ কৰি এখন সুন্দৰ সমাজ গঢ়াৰ শিক্ষা প্ৰদান কৰিছে। তেৰাই ভাওনাৰ মঞ্চলৈ সকলো লোককে আনি গোটেই অসমতে এক বিশাল যোগসূত্ৰ স্থাপন কৰি জাতিভেদ বা অস্পৃশ্যতাৰ ব্যৱধানৰ দূৰত্ব কমাই আনিছিল। কলাগুৰু বিষ্ণু ৰাভাৰ ভাষাত "তেৰাই গেলি পচি যাব ধৰা অসমীয়া সংস্কৃতিক পুনঃ জীৱন দিছিল।"

কিন্তু আজি মহাপুৰুষ জনাই গঢ়ি থৈ যোৱা সেই বৰ অসমীয়া সমাজখন ভাঙি থান-বান হ'বলৈ ধৰিছে। তাহানিৰ দৰে পুনৰ আজিৰ সমাজখনতো এক বিশৃংখল পৰিবেশ বিৰাজ কৰিছে। জাতিভেদ প্ৰথা আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষ-বাষ্পৰ কলিয়া ডাৱৰে বিশ্ব মানৱতাৰ বিশাল আকাশখন অন্ধকাৰ কৰি পেলাব ধৰিছে। ধৰ্ম, সম্প্ৰদায়ৰ নাম লৈ নিজৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে মানুহে ভ্ৰাতৃঘাটি সংঘৰ্ষৰ সৃষ্টি কৰিছে। ধৰ্ম ৰক্ষাৰ নামত মন্দিৰ, মচজিদ ভগা পতাৰ খেলা হব ধৰিছে। বড়ো, আহোম, চুটিয়া, মৰাণ আদি বিভিন্ন জনগোষ্ঠীয়ে নিজৰ অস্তিত্ব ৰক্ষাৰ নামত অসমীয়া জাতিৰ ধ্বংসহে আৰম্ভ কৰিছে। এনে এটি অৰাজকতাময় পৰিবেশৰ পৰা অসমীয়া জাতিটোক উদ্ধাৰ কৰি এটা মহান জাতিৰূপে গঢ়ি তু লিবলৈ শংকৰদেৱে তাহানিতে দেখুৱাই যোৱা আৰ্হিৰ প্ৰয়োজনীয়তা আজি আহি পৰিছে।

*ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল।*
*দাতাত চোৰত যেন দৃষ্টি একতুল।।*
*নীচত সাধুত যাৰ ভৈল এক জ্ঞান।*
*তাহাকেসে পণ্ডিত বুলিয় সৰ্বজন।।* (কীৰ্ত্তন)

শংকৰদেৱে ব্ৰাহ্মণ চণ্ডাল, উচ্চ-নীচ সকলোকে নৰৰূপী ভগৱান ৰূপে মানি সমান আসন প্ৰদান কৰিছিল। তেৰাই নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, ব্ৰাহ্মণৰ মহেন্দ্ৰ কন্দলী, ৰাম সৰস্বতী যবনৰ চান্দখাঁ, ভুটিয়াৰ দামোদৰ, মিৰিৰ পৰমানন্দ, আহোমৰ নৰহৰি আদি কৰি সকলো জনগোষ্ঠীৰ লোককে নামঘৰৰ মজিয়াত বহুৱাই একেলগে নাম-কীৰ্ত্তন কৰি একেলগে আহাৰ গ্ৰহণ কৰোৱাই সকলোকে "অভেদাত্মা আতৈ" কৰি মানৱতাৰ মহান আদৰ্শ কথাই-কামে দাঙি ধৰিছিল। সামাজিকভাৱে জাতি-গোষ্ঠীবোৰৰ মাজত অস্তিত্ব থাকিলেও তেওঁলোকৰ মাজত উচ্চ-নীচ, সৰু-বৰ বুলি কোনো কথা নাই। সকলো সমান, সকলো ককাই-ভাই। শংকৰদেৱে এই দৃষ্টিভঙ্গীৰে সকলোকে ভ্ৰাতৃত্বৰ এনাজৰীৰে বান্ধি যি বৰ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল সেই আদৰ্শ গ্ৰহণ নকৰিলে আজি অসমীয়া জাতি বিশ্বৰ বুকুৰ পৰা লুপ্ত হ'বলৈ বৰ বেছিদিন বাট চাব নালাগিব।

মানৱতা আৰু আধ্যাত্মিক জ্ঞানৰ অবিহনে কোনো এখন সমাজে সুস্থভাৱে পৰিচালিত হ'ব নোৱাৰে। আজি আমাৰ দেশৰ ৰাজনীতিবিদ আৰু প্ৰভাৱশালী ব্যক্তি সকলৰ সৰহ সংখ্যকে ধন আৰু ক্ষমতা লিপ্সাত নিমজ্জিত হৈ পৰিছে। দেশৰ চাৰিওফালে দুৰ্নীতিৰ পোহাৰ বহিছে। জনসাধাৰণৰ মাজত অৰ্থনৈতিক বৈষম্য গা কৰি উঠাত সঘনাই অপৰাধমূলক কাৰ্য্য সংঘটিত হ'ব ধৰিছে। হত্যা, লুণ্ঠন, ধৰ্ষণ আদি সাধাৰণ ঘটনাত পৰিণত হ'ব ধৰিছে। এই মহা সংকটৰ পৰা উদ্ধাৰ পালনৈ মানুহৰ নৈতিক আৰু আধ্যাত্মিক চেতনাৰ উৎকৰ্ষ সাধন হব লাগিব। আধ্যাত্মিক চেতনা জাগ্ৰত কৰিবলৈ হ'লে সমাজ জীৱনক ধৰ্মৰ পথত প্ৰতিষ্ঠা কৰিব লাগিব। শংকৰদেৱে "এক শৰণ হৰি নাম ধৰ্ম"ৰ যোগেদি জগতৰ সৃষ্টিকৰ্তা, পালন কৰোতা হ'ল ভগৱান শ্ৰীকৃষ্ণ আৰু সৃষ্টিৰ সকলো জীৱই তেওঁৰে অংশ। ভগৱানৰ সৃষ্টি কোনো জীৱকে হিংসা কৰিব নালাগে, এই কথাকে প্ৰচাৰ কৰি থৈ গৈছে। সেইয়ে মানুহে সকলো জীৱকে ভগৱানৰ অংশ স্বৰূপে হৃদয়ত উপলব্ধি কৰিব পাৰিলেই আধ্যাত্মিক চেতনা জাগ্ৰত হব আৰু তেতিয়াই মনৰ পৰা হিংসা, বিদ্বেষ আদি আঁতৰি যাব। সেই গতিকে আমি যদি শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমাৰ হৃদয়ত লুকাই থকা আধ্যাত্মিক চেতনাক জাগ্ৰত কৰিব পাৰো তেতিয়া আমাৰ সমাজখন সৰ্বাঙ্গ সুন্দৰৰূপে গঢ় লৈ উঠিব।

বিশ্বৰ বুকুত সুস্থ জীৱন যাপনৰ বাবে এক প্ৰদূষণবিহীন পৰিবেশৰ প্ৰয়োজন। পৰিবেশ প্ৰদূষণমুক্ত কৰি ৰাখিবৰ বাবে প্ৰকৃতি ভাৰসাম্য অৱস্থাত থাকিব লাগিব। বৰ্তমান বিশ্বত লক্ষ্য কৰিলে দেখা যায় যে প্ৰকৃতিয়ে এই ভাৰসাম্যতা হেৰুৱাই এক প্ৰদূষণযুক্ত বাতাবৰণ বিৰাজ কৰিছে। ব্যক্তিগত লাভালাভৰ বাবে মানুহে হাবি জংঘল কাটি, জীৱ-জন্তু হত্যা কৰি প্ৰকৃতিৰ ধ্বংসলীলা আৰম্ভ কৰিছে। যাৰ ফলস্বৰূপে বিশ্বৰ বুকুৰ পৰা বহু প্ৰজাতিৰ জীৱ-জন্তু আৰু উদ্ভিদ চিৰদিনৰ কাৰণে লুপ্ত হৈ পৰিছে। তাৰোপৰি প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হোৱাৰ ফলত সঘনাই বানপানী, ভূমিস্খলন আদি হ'ব ধৰিছে। মহাপুৰুষ শংকৰদেৱে বিজ্ঞানৰ এই পৰিবেশতন্ত্ৰৰ নীতিটো তাহানিতে উপলব্ধি কৰি তাৰ নিৰাময়ৰ দিহা আমাক দি থৈ গৈছে।

জ্ঞানশূণ্য, পশু-পক্ষী, গছ-লতা সকলোকে ভগৱানৰ অংশ ৰূপে জ্ঞান কৰি কাৰো প্ৰতি হিংসা নকৰিবলৈ তেৰাই উপদেশ দি গৈছে। শংকৰদেৱৰ উপদেশ মানি আমি যদি সকলোকে সমদৃষ্টিৰে চাওঁ, অহিংসা নীতি গ্ৰহণ কৰো তেন্তে আমাৰ বিশ্বখনিত সকলোৰে, বাসোপযোগী এটা সুস্থিৰ পৰিবেশ গঢ়ি তুলিব পৰা যাব।

ওপৰৰ আলোচনাৰ পৰা আমি দেখা পাওঁ যে এখন সুস্থ সবল সমাজ গঠনত বৰ্তমান শংকৰদেৱৰ প্ৰাসঙ্গিকতা অস্বীকাৰ কৰাৰ উপায় নাই। ড° বাণীকান্ত কাকতিদেৱে কৈছিল "গুৰুজনে ছকুৰি বছৰীয়া কালচোৱাত অসমীয়া সংস্কৃতিৰ পথাৰখনত তেওঁৰ মহান উদ্দেশ্যৰ বীজ অতি সাৰুৱা আৰু উচ্চ ভেঁটিত পচাই থৈ গ'ল। ই কোনো কালে নষ্ট নহয়। এতিয়া অসমীয়াৰ প্ৰধান কৰ্তব্য মহাপুৰুষে পচোৱা বীজক আকুৰিত কৰোৱাই বৃহৎ গছ কৰি ফলে-ফুলে, ডালে-পাতে জকমকীয়া কৰি তোলা।" ❑

সামাজিক

# শিশুৰ অপৰাধ প্ৰৱণতা আৰু ইয়াৰ প্ৰতিকাৰ

*শ্ৰীমতী দিপাঞ্জলী গগৈ*
স্নাতক দ্বিতীয় বাৰ্ষিক
(শিক্ষা বিভাগ)

সাধাৰণতে মানৱ শিশুৰ গাত কিছুমান স্বাভাৱিক প্ৰবৃত্তি দেখা যায়। সহজাত প্ৰবৃত্তি আৰু পৰিবেশৰ প্ৰভাৱত সেই প্ৰবৃত্তিবোৰে প্ৰাধান্য বিস্তাৰ কৰে। তাৰে কিছুমান ভাল আৰু কিছুমান বেয়া ।এই বেয়া বা অপকাৰী প্ৰবৃত্তিবোৰৰ ভিতৰত পলোৱা, যুঁজ কৰা, অকাৰণত খং কৰা, নিঃসংগতা, ভয়, চুৰ কৰা, মিছা কোৱা, জেপ লুৰুকা, ডাঙৰক ঠাট্টা কৰা, অপমান কৰা, প্ৰতিশোধ লোৱা, মাদক দ্ৰব্য সেৱন কৰা, নিয়ম ভংগ কৰা, জুৱা খেলা আদিয়ে প্ৰধান ।

বহুতো শিশুৰ গাত উক্ত অপকাৰী প্ৰবৃত্তিবোৰ দীৰ্ঘস্থায়ী হ'বলৈ ধৰা দেখা যায়। তাৰদ্বাৰা তেনেধৰণৰ শিশুবোৰে জ্ঞাতে বা অজ্ঞাতে নানান ধৰণৰ ক্ষতিকাৰক কাৰ্য্য কৰে। ইয়াকে শিশুৰ অপৰাধ প্ৰৱণতা বুলিব পাৰি।

শিশুৰ এই অপৰাধ প্ৰৱণতাৰ ফলস্বৰূপে শিশুৰ ভৱিষ্যত জীৱনৰ অপূৰণীয় ক্ষতিসাধন হোৱাৰ উপৰিও সমাজ তথা ৰাষ্ট্ৰৰ ভীষণ অপকাৰ হয়। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে উক্ত অপৰাধবোৰ শিশুৰ নহৈ যদি প্ৰাপ্তবয়স্কসকলৰ দ্বাৰা সংঘটিত হ'লহেঁতেন তেন্তে আইনগত ব্যৱস্থাৰে উপযুক্ত শাস্তি দিলেহেঁতেন । কিন্তু শিশুৰ ক্ষেত্ৰত তেনে কঠোৰ ব্যৱস্থা লোৱা হোৱা নাই । বৰঞ্চ ইয়াৰ পৰিৱৰ্তে চিন্তা চৰ্চা আৰু সতৰ্কতাৰে কাৰ্য্য ব্যৱস্থা লোৱা প্ৰয়োজন।

এনে প্ৰবৃত্তি সমূহ কিছুমান মানসিক বিকাৰগ্ৰস্ত শিশুৰ ক্ষেত্ৰতো দেখা যায়। মুঠতে অপৰাধবোৰৰ ভিতৰত কিবা নহয় কিবা এটা কৰিবলৈ ঘূৰি ফুৰা আৰু অতি কম সময়ৰ ভিতৰত উত্ৰাৱল হৈ খঙৰ ভমকত বস্তু-বাহানি দলিয়াই ভাঙি-ছিঙি পেলোৱা শিশু যথেষ্ট সংখ্যক আছে। ভয়, লাজ আৰু নিজক সমাজৰ লগত খাপ খুৱাব নোৱাৰি আবেগহীন আৰু কল্পনাময় সপোনবোৰত হতাশ হৈ বস্তু-বাহানি ভাঙি পেলোৱা আৰু কল্পনাৰ ভাব কোনটো সঁচা কোনটো মিছা সেই সম্পৰ্কে ধাৰণা কৰিব নোৱাৰি অকলশৰীয়া হৈ পৰা শিশু দেখা যায়। অন্যহাতে পলায়ন মনোবৃত্তিৰ শিশুৱে ঘৰৰপৰা টকা-পইচা লৈ পলাই যোৱাও দেখা যায়। এনে ধৰণৰ শিশুৱে সৰ্বসাধাৰণে বেয়া বুলি কোৱা সংগহে ভাল পায়। আন কিছুমান অপৰাধপ্ৰৱণ শিশুৱে অলপ কথাতে যাৰে তাৰে লগত কাজিয়া কৰি ফুৰে। এনে শিশুৰ প্ৰতিহিংসা আৰু প্ৰতিশোধ লোৱাৰ বাবে সদায় প্ৰস্তুত । তদুপৰি এনেধৰণৰ শিশুৱে মিছা কথা কোৱা, চুৰি কৰা, যাকে তাকে জোকাই ফুৰা আদি কামত পাৰ্গত। ইয়াৰ উপৰি অপৰাধ প্ৰৱণ শিশুৱে সমূহীয়াভাৱে সমাজবিৰোধী কামত আগভাগ লোৱা পৰিলক্ষিত হয় । বহুতো শিশুৱে বিদ্যালয়ৰ পৰা পলায়, চুৰ কৰি ঘৰৰ টকা পইচা লৈ যায়।

এনেবোৰ আচৰণকাৰী শিশুৰ উপৰিও কেতবোৰ ল'ৰা-ছোৱালীৰ সমাজৰ প্ৰচলিত নীতি-নিয়ম আৰু আইন কানুন আদি ভংগ কৰাৰ মনোবৃত্তি গঢ়ি উঠে। এনেবোৰ ল'ৰা-ছোৱালীয়ে সমাজৰ প্ৰচলিত নীতি-নিয়ম আৰু স্বাভাৱিক জীৱন যাপনত খাপ খাব নোৱাৰে আৰু দেহ মানসিক প্ৰয়োজন পূৰণ কৰাত ব্যৰ্থ হৈ অসন্তুষ্ট হয় আৰু ফলস্বৰূপেই ধ্বংসাত্মক ক্ৰিয়া আৰু অসামাজিক কাৰ্য্যত লিপ্ত অপৰাধ প্ৰৱণ ব্যক্তি। এনেকুৱা শিশুৱে নিজৰ কৰ্তব্য পালনত আৰু দায়িত্ব পালনত অবহেলা কৰে। সমাজৰ বিভিন্ন সমস্যাসমূহ সু-চিন্তাৰে সমাধান নকৰি আক্ৰমণাত্মক আচৰণৰদ্বাৰা সমাধান কৰিব বিচাৰে। এনেলোকে শত্ৰুভাবাপন্ন, অবোধ, খঙাল, সন্দেহ প্ৰৱণ আৰু অসৎ কামত দুঃসাহসিকতা দেখুৱাই আনন্দ পায় ।

এনে অপৰাধ প্ৰৱণতাৰ কাৰণসমূহৰ ভিতৰত প্ৰধানকৈ পৰিয়ালৰ বিশৃংখল পৰিবেশ, শিশুক সু-শিক্ষা দিয়াৰ ক্ষেত্ৰত অনভিজ্ঞতা, প্ৰতিকুল সামাজিক পৰিবেশ আদিৰ কথা উল্লেখ কৰিব পাৰি । সন্তানৰ প্ৰতি মাক-দেউতাকৰ আদৰ যত্নৰ উদাসীনতা এইক্ষেত্ৰত বিশেষ ক্ষতিকাৰক। উপযুক্ত মৰম চেনেহৰ পৰা বঞ্চিত শিশুৰ মন স্বাভাৱিকতে বিদ্ৰোহী হৈ ঘৰৰ হাই-কাজিয়া আদিত আগ্ৰহী হৈ পৰে। কলুষতাপূৰ্ণ আৰু নৈতিকাবিহীন পৰিয়ালৰ আৰু পৰিবেশত থকা সমাজৰ দুৰ্নীতি পৰায়ণতাই ল'ৰা-ছোৱালীক অসৎ আচৰণৰ প্ৰৱণতাত ইন্ধন যোগায়। পৰিয়ালৰ বিচ্ছিন্নতা, দৰিদ্ৰতা, অৰ্থনৈতিক দুৰৱস্থা, বিবাদ, আত্মসন্মানহীনতা আৰু তেওঁলোকৰ নৈতিক জীৱনহীনতা আদিও ইয়াৰ ভিতৰত পৰে।

এনেধৰণৰ অপৰাধ প্ৰৱণ গৃহ পৰিবেশৰ পৰা আহি সমাজৰ বিভিন্ন অনুষ্ঠান অথবা ব্যক্তিৰ লগত সহজভাৱে মিলিব নোৱাৰে। বিদ্যালয়ত এনে শিশু স্বাভাৱিকতে লিখা-পঢ়াৰ প্ৰতি আগ্ৰহহীন আৰু অমনোযোগী হয়। যাৰ ফলত শিশুসকল সমাজ বিৰোধী কামলৈ আগ্ৰহান্বিত হয় ।

শিশুসকল সদায় অনুকৰণ প্ৰিয় । আনক দেখি শুনি যি অভিজ্ঞতা লাভ কৰে সেয়েই নিজস্ব স্বভাৱত পৰিণত হয়। বৰ্তমান সমাজত দেখা দিয়া নিবনুৱা সমস্যা, কাৰিকৰী আৰু ব্যৱসায়িক শিক্ষাৰ অভাৱ, ৰাজনৈতিক অস্থিৰতা, সামাজিক অন্যায় অবিচাৰ আদিয়েও অপৰাধ প্ৰৱণ ভাৱৰ সৃষ্টি কৰা দেখা যায়। এনেধৰণৰ সামাজিক পৰিস্থিতিয়ে জীৱনৰ অনিশ্চয়তা, হতাশা, ব্যৰ্থতা আদি ভাৱ আনি দিয়ে । সেয়ে সামাজিক পৰিবেশেও অপৰাধ প্ৰৱণতাত সহায় কৰে। সাধাৰণতে বিভিন্ন শিল্প উদ্যোগ, বেহা-বেপাৰৰ স্থানবোৰেই অপৰাধমূলক আচৰণৰ প্ৰধান কেন্দ্ৰ। কাৰণ শিল্প উদ্যোগ আৰু বাণিজ্য প্ৰধান চহৰৰ অস্বাস্থ্যকৰ অঞ্চলবোৰত অৰ্থনৈতিক ভাৱে দুৰ্দশাগ্ৰস্থ লোকবোৰ বাস কৰে আৰু তেনেধৰণৰ লোকৰ অৰ্থনৈতিক দুৰৱস্থা, বৰ্দ্ধিত জনসংখ্যা, চিকিৎসা, শিক্ষা আদিৰ সুব্যৱস্থা নথকা বাবে বহু সংখ্যক অপৰাধ প্ৰৱণ শিশুৰ সৃষ্টি হয়।

শিশুৰ অপৰাধ প্ৰৱণতাৰ আন এটা দিশ হৈছে বংশগত প্ৰভাৱ । শিশুৱে মানসিক আৰু আৱেগিক দোষ-ত্ৰুটী আদি উত্তৰাধিকাৰী সূত্ৰে লাভ কৰে। গতিকে বংশগতভাৱে লাভ কৰা শাৰিৰীক আৰু মানসিক প্ৰবৃত্তি সমূহৰ উপযুক্ত সংশোধন আৰু পৰিচালনা নোহোৱাৰ ফলত শিশুৰ অপৰাধ প্ৰৱণতা দেখা যায়। তদুপৰি অসৎ কাৰ্য্যৰ প্ৰতি শিশু মন সহজে আকৰ্ষিত আৰু তাৰ বিপৰীতে সজ আৰু মহৎ কাৰ্য্যৰ প্ৰতি তেনেদৰে আকৰ্ষিত নহয়।

উপৰোক্ত আলোচনাৰ পৰা ক'ব পাৰি যে অপৰাধ প্ৰৱণতাত বংশগতি আৰু পৰিবেশ উভয়ৰেই প্ৰভাৱ সৰ্বাধিক। কিন্তু সেয়ে হলেও পৰিবেশৰ প্ৰভাৱ অধিক হোৱা দেখা যায়। পৰিবেশৰ সুস্থ প্ৰভাৱে বংশগতিৰ কু-প্ৰভাৱ বহু পৰিমাণে হ্ৰাস কৰিব পাৰে। অপৰাধ প্ৰৱণতা সমাজৰ এক দুৰাৰোগ্য ব্যাধিস্বৰূপ। এই ব্যাধি দূৰ কৰাতো সমাজৰ প্ৰত্যেক লোকৰে প্ৰয়োজনীয় কৰ্তব্য। সেয়ে অপৰাধ প্ৰৱণ শিশুক সমাজৰ গঠনমূলক কামত নিয়োগ কৰি চৰিত্ৰ সংশোধন কৰিব পৰা যায়। তদুপৰি ঘৰুৱা পৰিবেশেও শিশুৰ আবেগিক প্ৰয়োজন পূৰণৰ প্ৰতি লক্ষ্য ৰখা উচিত। নিৰক্ষৰ পৰিয়াল সাক্ষৰ আৰু শিক্ষিত কৰি তুলিব লাগিব। শিশুৱে খেলা-ধূলা, লগ-সংগ আদিৰ প্ৰতি সততে আগ্ৰহী হোৱাৰ বাবে এইক্ষেত্ৰত উপযুক্ত সুবিধা প্ৰদান কৰিব লাগে। বিদ্যালয়ত অপৰাধ প্ৰৱণ শিশুক অপৰাধ প্ৰৱণতাৰ কাৰণ বিশ্লেষণ কৰি বিনোদনমূলক কাৰ্য্যসূচীৰ দ্বাৰা চৰিত্ৰ গঠনৰ শিক্ষা দিয়াত অধিক মনোনিবেশ

কৰিব লাগে। বিদ্যালয়ত অপৰাধ প্ৰৱণ শিশুৰ বাবে শাৰিৰীক শিক্ষা, নৈতিক শিক্ষা, কাৰিকৰী শিক্ষা আৰু ব্যৱসায়িক শিক্ষাৰ দ্বাৰা অপৰাধ প্ৰৱণতা আঁতৰ কৰিবলৈ চেষ্টা কৰা প্ৰয়োজন। ইয়াৰোপৰি অপৰাধ-প্ৰৱণতা দূৰ কৰাৰ ক্ষেত্ৰত মাক দেউতাকৰ সহায় অতি আৱশ্যকীয়। মুঠতে অপৰাধ প্ৰৱণতা দূৰ কৰি সুশিক্ষা দান কৰাৰ ক্ষেত্ৰত শিক্ষক অভিভাৱক তথা সমাজৰ উমৈহতীয়া প্ৰচেষ্টাৰ দ্বাৰাহে সম্ভৱ।

সৰ্বশেষত ক'বলৈ গলে অপৰাধ প্ৰৱণতাক সামাজিক সমস্যা বুলি গণ্য কৰিব পাৰি। এনে সমস্যা সমাধান কৰাটো যেনেদৰে প্ৰয়োজন তেনেদৰে অতি কঠিনো। ইয়াৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকৰেই সহযোগিতা আৰু এক উন্নত সামাজিক দৃষ্টিভংগীৰ প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰচাৰ যন্ত্ৰ, বাতৰি কাকত, কথাছবি আদিৰ সহযোগিতা অতি আৱশ্যকীয়। ইয়াৰ যোগেদি শিশুৰ অপৰাধ প্ৰৱণতা আৰু অভিভাৱকৰ দায়িত্ব সম্পৰ্কে সকলোকে সজাগ কৰি সুফল লাভ কৰিব পৰা যাব। ❑

---

## কুইজ

*দেৱজিৎ আৰু ৰাজীৱ*

১। মানুহে বিশ্ব ৰেৰ্কডলৈ চিন্তা নকৰে। তেওঁলোকে মাত্ৰ অলিম্পিক চেম্পিয়নৰ কথাহে মনত ৰাখে- কোন বিখ্যাত এথলিটৰ কথা এইযাৰ ?

২। জিপচী (Gypsy ) কোন ?

৩। Miss world প্ৰতিযোগিতাৰ সূচনা কোনে কৰিছিল ?

৪। জ্যোতি প্ৰসাদে জাৰ্মেনিত চলচ্চিত্ৰ নিৰ্মাণৰ শিক্ষা কাৰ অধীনত গ্ৰহণ কৰিছিল ?

৫। মাজ ৰাতিৰ সূৰ্য্যৰ দেশ কোনখন ?

৬। কোন দেশক সূৰ্য্য উঠাৰ দেশ বুলি কোৱা হয় ?

৭। বিশ্ব সুন্দৰী প্ৰতিযোগিতাৰ মুলমন্ত্ৰ কি ?

৮। অসমীয়া সাহিত্যত এখোদ ককাইদেউ বুলিলে কাক কোৱা হয় ?

৯। চিত্ৰবন ষ্টুডিঅ'ত দৃশ্য গ্ৰহণ কৰা প্ৰথম অসমীয়া ছবিখনৰ নাম কি?

১০। ভাৰতৰ প্ৰথম মহিলা কাটুনিষ্ট গৰাকীৰ নাম কি ?

১। ডেলিটমচনৰ

২। স্থায়ী ঘৰবাৰী নোহোৱা যাযাবৰ শ্ৰেণীৰ মানুহ

৩। Miss world Jersy Global Company.

৪। হিমাংশু ৰায়ৰ অধীনত

৫। নৰৱে

৬। জাপান

৭। Beauty with a Purpose

৮। নৰকান্ত বৰুৱা।

৯। জয়মতী

১০। Monjula Padmanabhan.



# ঃ নৈশ যাত্ৰা ঃ


*বিতু সোণোৱাল*

স্নাতক তৃতীয় বৰ্ষ

(কলা শাখা)


আজি ৪ আগষ্ট, সোমবাৰ। সুৰভীয়ে আন দিনাতকৈ অলপ সোনকালে বিছনাৰ পৰা নামিল। হালোৱাঁলৈ বুলি ভাত কেইটামান বান্ধি নিজেও কলেজলৈ বুলি ওলালে। তাই সৰুৰে পৰা কলেজত পঢ়িবলৈ প্ৰৱল ইচ্ছা। সেইবাবে দেউতাকে তাইক চহৰৰ কলেজত নাম লগাই দিছে। ঘৰখনৰ ত্যাগ, দেউতাকৰ অক্লান্ত চেষ্টাই তাইৰ মনত যথেষ্ট উৎসাহ যোগাইছে।

কলেজ বুলি ক'লে কিবা এক বুজাব নোৱাৰা আনন্দ লাগে। অতদিনে পুহি ৰখা হেপাহৰ দিন আহি আজি উপস্থিত হৈছেহি। তাইৰ জীৱনৰ লক্ষ্য হৈছে এগৰাকী দায়িত্বশীল শিক্ষয়িত্ৰী হোৱা। তাহাঁতৰ "ভকত গাওঁ"ৰ দৰে পিছ পৰি থকা গাওঁত শিক্ষাৰ পোহৰ বিলাব, নিৰক্ষৰলোকক শিক্ষা দিব, লগতে মানুহক আত্মনিৰ্ভৰশীল হবলৈ শিকাব আৰু যে তাইৰ ক'ত কল্পনা। এই কল্পনা বিলাক যদি বাস্তৱত ৰূপ দিব পাৰে তেতিয়া তাই জীৱনৰ চৰম সাৰ্থকতা হ'ব।

এই বিলাক ভাবি-গুনি থাকোতে প্ৰায় ৭ - ১০ মিনিটত চাৰিআলিত পে ..... ত ... পে... ত কৰি "কাঞ্চন জঙ্ঘা" নামৰ বাচখন আহিলেই। সেই অঞ্চলৰ মাত্ৰ দুখনেই বাচ, এখন "কাঞ্চন জঙ্ঘা" আৰু আনখন হ'ল "চম্পাৱতী"। চম্পাৱতী আজি দুমাহ হ'ল কিবা বেয়া হৈ গেৰেজত পৰি আছে। P. W. D. ৰ অৱস্থা নাইকীয়া ৰাষ্টাৰ বিনামুলীয়া পাউ দাৰে চাৰিও ফালে বিয়পি পৰিছে। এখন বাচ হোৱাৰ বাবে যাত্ৰী যথেষ্ট ভিৰ হৈছে। কিন্তু যাত্ৰীৰ ভিৰলৈ লক্ষ্য নাৰাখি কণ্ডাক্টৰে "দাদা, বাইদেউ মিহি মিহি কৈ ভিতৰলৈ যাওঁক", 'মাজত খালী আছে' বুলি চিঞৰিবলৈ ধৰিলে।

এই অঞ্চলৰ বাইজে যাতায়ত আৰু যোগাযোগৰ কাৰণে বহুতো কষ্ট ভূগিব লগা হৈছে। নিৰ্বাচনৰ সময়ত মন্ত্ৰী, এম. এল, এ, বিলাকে ভোট বিচাৰি অঞ্চলৰ উন্নতিৰ নামত ৰসাল বক্তৃতা দিয়ে। কিন্তু নিৰ্বাচনৰ পাছত এইবিলাক ঠাইলৈ কোনেও চকু নিদিয়ে।

বাচখন আহি সোণাৰি পাব্লিক বাচ আস্থানত ৰ'লহি। দুই এজন যাত্ৰী নামিল। সুৰভীও নামিল। লগে লগে তাইৰ নাকত দুৰ্গন্ধই আক্ৰমণ কৰিলে। ধীৰে ধীৰে কলেজলৈ বুলি আগবাঢ়িবলৈ ধৰিলে।

গেটখন পাৰ হৈ সুৰভীয়ে মনতে আওঁৰাব ধৰিলে, সোণাৰি কলেজ, ১৯৭০ চন। গেটখনৰ ওপৰত দুটা সিংহ। এই বিলাক ভাবি থাকোতে কেতিয়ানো হোষ্টেল পালেহি ক'ব নোৱাৰিলে ল'ৰা কেইজনৰ মাততহে তাই সম্বিত ঘূৰাই পালে। 'ঐ গহীন, দেৱজিৎ, বিপুল নতুন মাৰুতি আহি গ'ল বে'।" ৰাজীৱ বোলাটোৱে 'কিতিনা হাচিন চেহেৰা কিতিনি পিয়াৰে আখে' — বুলি হিন্দী চিনেমাৰ গানৰ কলি গাবলৈ ধৰিলে। কোনোবা এজনে আকৌ আমাৰ হোষ্টেলৰ পৰা নবাগতালৈ শুভেচ্ছা থাকিল বুলি চিঞৰিবলৈ ধৰিলে। সুৰভীৰ মনৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হ'ল।

কলেজৰ বাৰান্দাত প্ৰৱেশ কৰি ল'ৰা-ছোৱালীৰ জুম এটালৈ লক্ষ্য কৰি তাই আগুৱাই গ'ল। 'তুমি নতুনকৈ আহিছা নেকি ? 'হয়'। অৱশ্যে মইয়ো নবাগত। 'কি নাম তোমাৰ?' 'মোৰ নাম শ্ৰীমতী সুৰভী শৰ্মা।' 'তোমাৰ নাম ? ' 'শ্ৰীমতী ৰঞ্জীতা বৰুৱা।' 'বুজিছা সুৰভী মই বহু পৰ চেষ্টা কৰিও ৰুটিনখন লিখিব পৰা নাই।"

"হেৰা ভণ্টি, এইফালে আহাচোন চিনাকী হওঁ"– বুলি এজন ল'ৰাই ৰমলৈ মাতি লৈ গ'ল। ৰূমটোত অতি কমেও দহ-বাৰজনমান ল'ৰা। ইহঁতৰ চেহেৰাবোৰ চিনেমাৰ ভিলেইনৰ দৰে। তাৰে এজনে সুধিলে, "কি নাম তোমাৰ" ?

"শ্ৰীমতী সুৰভী শৰ্মা।' ঐ নিপেন , সেইকাৰণে ইমান মিঠা-মিঠা ৰঞ্জিত ৰঞ্জিত গোন্ধ ওলাইছে । 'এ ভূৱন মাৰুতিখন চুন্দৰ আছে ।আৰে সেইকাৰণে তাইৰ নামটো সুৰভী ৰাখিছে।"

সুৰভী, আমি ইতিমধ্যে জানিলো যে তোমাৰ জীৱনৰ লক্ষ্য হৈছে এগৰাকী শিক্ষয়িত্ৰী হোৱা। শিক্ষয়িত্ৰী হ'লেটো ভালকৈ সৰু নেওঁতাখন জানিব লাগিব। পিছে , জানানে নাজানা? জানো । সৰু নেওঁতাখনত 'এক' কেইটা আছে? একৈশটা আছে, দাদা। 'আঠ' কেইটা আছে? বিশটা আছে। ভাল ছোৱালী, শুদ্ধ উত্তৰ দিছা। আমাৰ কলেজখন কিমান চনত প্ৰতিষ্ঠা হৈছিল ? ১৯৭০ চনত প্ৰতিষ্ঠা হৈছিল ।চিগাৰেট খোৱানে নোখোৱা ? নাখাওঁ । কিন্তু আজি খাব লাগিব। মই নাখাওঁ ।তুমি অবাধ্য হৈছা কিয় ? খোৱা বুলি কৈছো নহয় । তাই বিমোৰত পৰি তৰ্জনি আৰু মধ্যমা আঙুলিৰ মাজত চিগাৰেটটো লৈ অগ্নি সংযোগ কৰিলে । লগে লগে ৰূমত থকা গোটেই কেইজনে একোটাকৈ চিগাৰেট খাবলৈ ধৰিলে। কেহাঁ কেহাঁ, তিতা-তিতা লগা এইবোৰ বস্তু কেনেকৈ খাই এই ল'ৰাবোৰে । মনে মনে তাই ভাবিবলৈ ধৰিলে।

সুৰভী ! প্ৰেমত পৰি পাইছানে ? এতিয়ালৈকে পৰা নাই । তোমাৰ প্ৰেমত পৰিবলৈ হয়তো এই পৃথিৱীত ল'ৰাৰ অভাৱ নহ'ব বুলি কৈ সকলোৱে হা .... হা... হা কৈ ৰগৰ তুলি হাঁহিবলৈ ধৰিলে । আৰু কোনে কি কি সুধিছিল তাইৰ কাণত নোসোমালে ।জীৱনত কেতিয়াও তাই এনে পৰিৱেশ আৰু পৰিস্থিতিৰ মুখা-মুখি হোৱা নাছিল । ল'ৰা কেইজনৰ ব্যৱহাৰ আৰু কাৰ্য্য কলাপে তাইৰ মনত বেয়াকৈ আঘাট কৰিলে। ৰাজ, এই ছোৱালীবোৰ চালা, কিব এটা সুধিলে দুগালেদি নিজৰা বোৱাই দিবা । হেৰা সুৰভী, তোমাৰ সুভাষ ম্লান পৰি গ'ল , তুমি এতিয়া যাব পাৰা ।

ডাৱৰে আৱৰি থকা আকাশখনত হঠাতে ধুমুহাৰ গতিৰে এজাক বৰষুণ আহিল ।তাই হাতৰ ঘড়ীটোলৈ চালে। সময় এতিয়া এক বাজি বিশ মিনিট গৈছে । ছাতিটো মেলিও তাই যাব নোৱাৰিলে । ক্ৰমান্বয়ে বৰষুণ বাঢ়ি আহিছে। এনে ধুমুহা বৰষুণে ডাঙৰ ডাঙৰ অট্টালিকা ভাঙি নিঃশেষ কৰি পেলাই , তাইৰ ছাতিটোৱে কি ৰক্ষা কৰিব?

ঘড়ীৰ কাটাত সময়বোৰ ক্ৰমান্বয়ে বাঢ়ি আহিব ধৰিলে। আৰু লাহে লাহে বৰষুণৰ পৰিমাণ কমি আহিল। ধীৰে ধীৰে তাই পাব্লিক বাচ ষ্টেচনলৈ বুলি আগবাঢ়িল । চাৰি বজাত 'কাঞ্চন জঙঘা' আহি পাব।

তাইৰ মানস পটত পুনৰ কলেজত হৈ যোৱা ঘটনা বিলাক চকুৰ আগত ভাহি উঠিল । মানুহে মানুহক কি এনে দৰে ব্যৱহাৰ কৰি চিনাকি হ'ব লাগে নেকি ? নৈতিকতাৰ অধঃপতন হোৱা এই যুৱক কেইজনে নবাগত সকলৰ প্ৰতি কৰা ব্যৱহাৰে কলেজত কি ৰেগিঙ বোলে নেকি ? তেওঁলোকেটো মোৰ লগত ভাল ভাবেও চিনাকি হব পাৰিলেহেতেন । কিন্তু এনে দৰে চিনাকি হোৱা অৰ্থ আৰু উদ্দেশ্য বা কি ? এই বিলাক কথা ভাবি-গুণি থাকোতে সময় কেতিয়ানো ছয় বাজিল গমকে নাপালে ।

পশ্চিম আকাশৰ সূৰ্য্যৰ হেঙুলি কিৰণে তাইৰ মনত বেছিকৈ চিন্তাৰ বীজ সুমুৱাই দিলে। লাহে লাহে পৃথিৱীলৈ সন্ধিয়া নামি আহিল। দোকান-পোহাৰ বিলাক প্ৰায়ে বন্ধ হৈছে। দেশৰ পৰিস্থিতি ভাল নহয় । সাত বজাৰ লগে লগে ১৪৪ ধাৰা আইন জাৰি কৰা হৈছে । কিন্তু এতিয়াও 'কাঞ্চন জঙঘা' আহি পোৱা নাই ।

ভণ্টি আমাৰ লগত যাবা নেকি বুলি কৈ তাইৰ ওচৰত এখন মাৰুতিকাৰ ৰ'লহি। কিং কৰ্ত্তব্য বিমোৰ হৈ তাই লাহেকৈ উত্তৰ দিলে 'যাম' । মাৰুতি কাৰ বেগাই দৌৰিলে। দুয়ো কাষে চাহ বাগিছা । আন্ধাৰ আৰু নিৰ্জনতাই চাৰিওফালে আৱৰি ধৰিলে ।মাৰুতিৰ ভিতৰত বহি অহা চাৰিওজন যুৱকৰ মনবোৰ আন্ধাৰৰ ক'লা ছায়াই আৱৰি ধৰিলে । সেয়ে হয়তো হিতাহিত জ্ঞান লুপ্ত ডেকা কেইজনে সুৰভিৰ হাজাৰ কাকুতিক আওকান কৰি পশুত্বৰ বিজয় ঘোষণা কৰিলে।

আৰু সুৰভী?

জ্ঞান পোৱাৰ পিছত সুৰভীয়ে নিজকে আৱিষ্কাৰ কৰিলে চাহ-বাগিছাৰ মাজৰ ঘাঁহনিত, বিধ্বস্ত দেহত । সপোন পুৰি ছাই হোৱা অৱস্থাত । তাইৰ হাতখন লাহে লাহে ওচৰৰ গছজোপৰ ডালটোৰ ফালে আগবাঢ়ি গ'ল। সেউজীয়া পাতেৰে ভৰা ডালটোৰ পৰা এটি সেউজ পাত তেতিয়া তললৈ সৰি পৰিছিল। ❑



# গোন্ধ

*আশাপূৰ্ণা শইকীয়া*
স্নাতক ৩য় বাৰ্ষিক ।

ছিটিবাছৰ পৰা নামিয়েই অভ্যাসবশতঃ বেগৰ পৰা ছাতিটো উলিয়াই মেলি ল'লো। সদায় লৰা-ঢপৰাকৈ কলেজলৈ অহা-যোৱা কৰি কৰি মোৰ ভৰিৰ খোজটো ক'ব নোৱাৰাকৈয়ে ঘন হৈ যায়। সেই সময়ত চাৰিআলিৰ পান-দোকানবোৰত ল'ৰাবোৰ জুম বান্ধি থাকে । কেতিয়াবা কিবা বিষয় লৈ সিহঁত খুউব ব্যস্ত হৈ থাকে। তেতিয়া সিহঁতৰ মুখবোৰ বৰ গম্ভীৰ দেখা যায়। মই সদায়েই ভাৱোঁ, সিহঁতে বাৰু কি আলোচনা কৰে! দেশৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ কথা নে আন কিবা নে কোনোবা সংগঠনৰ বিষয়ে সিহঁতে আলোচনা কৰে। ভাৱি ভাৱি নিজৰ ওপৰতে খং উঠে। মোৰ বাৰু কি দৰকাৰ সিহঁতৰ কথা ভাবিলৈ ! সিহঁতৰ কথা ভাৱি ভাৱি মনতে এটা মিছা ধাৰণা কৰি মোৰ বা সমাজৰেইনো কি উপকাৰ হ'ব। সিহঁত সিহঁতৰ দৰেই থাকিব!

"শিলগুটিবোৰ বেছ ধুনীয়াই, তথাপি উজুটি খোৱাৰ সম্ভাৱনা আছে দেই ।"

হঠাৎ দুটা ল'ৰা মোৰ কাষেদি চাইকেল চলাই পাৰ হৈ গ'ল। মই মূৰ তুলি চালো। ল'ৰা দুটা বেছি দূৰ পোৱাগৈ নাছিল । পিছৰ ল'ৰাটোক মই চিনি পালো, হাইস্কুলত পঢ়ি আছে। মোতকৈ সৰু হ'ব। এই সৰু সৰু ল'ৰাবোৰো আজিকালি ইমান উৎপতীয়া হ'ল। বায়েকৰ সমান ছোৱালী এজনীও সিহঁতৰ উৎপাতৰ পৰা সাৰি নাযায়! ৰাষ্টাৰ কাষেদি গৈ থকা কোনো অকলশৰীয়া ছোৱালী পালে কানৰ কাষতে সুহুৰিয়াই থৈ যাব! মোৰ স্বভাৱগত খংটো উঠি আহে। কিন্তু পিছমুহূৰ্ত্তে মই উপলব্ধি কৰোঁ, সিহঁতৰ গাতেই সকলো দোষ জাপি দিব নোৱাৰি। দেশখনেই কিবা হৈ গৈছে। সমাজে ইহঁতক শিশু অৱস্থাতেই উচিত শিক্ষাৰে সুস্থ সৱল কৰি গঢ় দিব পৰা নাই।

কথাবোৰ ভাৱি আহোঁতে মোৰ খোজৰ গতি ক'ব নোৱাৰাকৈয়ে কমি আহিছিল। দূৰৈৰ পৰাই লক্ষ্য কৰিলো, বৰুৱানীৰ ঘৰৰ গেটৰমুখতে বৰুৱানীয়ে মহিলা এগৰাকীৰ লগত কথা পাতি আছে ।হঠাতে সেই উৎকট গোন্ধটো যেন নাকত লাগিলেহি । বৰুৱানীক দেখিলেই বা তেওঁৰ কথা ক'ৰবাত শুনিলেই মই যেন এটা অস্বস্তিকৰ গোন্ধ অনুভৱ কৰোঁ ।উস্ কেনে উৎকট, কেনে অসহ্যকৰ। মোৰ যেন উশাহ বন্ধ হৈ যাব। লাহে লাহে গোন্ধটো ওচৰ চাপি আহি আছে। মই খোজটো অলপ খৰকৈ দিবলৈ চেষ্টা কৰিলো। কলেজত শুনি অহা খবৰটোৱেও মোৰ মনটো চিন্তিত আৰু গধুৰ কৰি পেলাইছে। তাতে বৰুৱানীক দেখাৰ লগে লগে সেই গোন্ধটোৱে মোৰ মূৰত ধৰিলে।

বৰুৱানী মানুহজনী প্ৰকৃততে খবৰৰ ভাণ্ডাৰ। তেওঁ যেন খবৰ সংগ্ৰহ কৰাতে ব্যস্ত থাকে। খবৰো এনে তাজা খবৰ যে তেওঁ অকলে সেই খবৰৰ ৰসাস্বাদনত সন্তুষ্ট নহয়েই। সমগ্ৰ অঞ্চলটো যেন তেওঁৰ খবৰৰ বাবেই অপেক্ষা কৰি থাকে, তেনে এক অত্যুৎসাহত তেওঁ খৱৰবোৰ সকলোৰে কাণ চুৱাই ফুৰে। অঞ্চলটোত ক'ত কি ঘটিছে, কাৰ ঘৰত কি ৰিষয় লৈ পতি-পত্নীৰ মাজত তৰ্ক হ'ল, কাৰ ল'ৰা-ছোৱালী কেনেকুৱা , কাৰ ছোৱালীয়ে কাৰ বাইকত উঠি ঘুৰি ফুৰে কোন শিক্ষকে কোন ছাত্ৰীৰ লগত প্ৰেমলীলা কৰি আছে আদি অনেক তাজাখবৰ বৰুৱানীৰ ভাণ্ডাৰত মজুত থাকে।

"বুজিছে, মানুহজনে কিন্তু এইটো বৰ মুখামি কৰিলে, ঘৈণীয়েকে তেওঁক সুদাই নেৰিব কিন্তু । আৰু সেই

ছোৱালীজনীক বাৰু কিহে পাইছিল কেছ দিবলৈ । কেছ দিয়াৰ পাছত বাৰু কথাটো ক'ৰবাত লুকাই থাকিবনে — গোটেই ভু-ভাৰতত্তই গম পাব আৰু এইবোৰ কথানো ক'ৰবাত লুকাই থাকেনে।"

উস্ মোৰ যেন বমি হৈ যাব। ইমান উৎকট গোন্ধ।

"অঞ্জু আহিলা।"

অনিচ্ছাসত্বেও বৰুৱানীলৈ চাই হাঁহি মাৰি মুখ দুপিয়ালো।

"হুঃ ভু-ভাৰতত্তই গম পাব। কিয় নাপাব, তোমাৰ দৰে খবৰৰ ভাণ্ডাৰ থাকোতেনো এনে এটা তাজা খবৰ ক'ৰবাত লুকাই থাকিবনে ।" কথাষাৰ মোৰ চিঞৰি চিঞৰি ক'বৰ মন গৈছিল যদিও অভদ্ৰামিৰ সীমা স্পৰ্শ কৰাৰ দৰে হ'ব বুলি ভাবি খঙটো কোনোমতে দমাই ৰাখিলো।

গোন্ধটোৰ পৰা হাত সাৰিবলৈ খোজটো পুনৰ বেগেৰে আগবঢ়ালো ।মনটো বিষন্নতাৰ ডাৱৰে ছানি পেলালে। সঁচাকৈ বাৰু মৰমীয়ে ন্যায় পাবনে? মৰমী যে আজি সমাজৰ চকুত ঘৃণাৰ পাত্ৰী।

সেইদিনা আছিল বুধবাৰ। মৰমীৰ অবিহনে মোৰ কলেজত অলপো মন বহা নাই । তিনিদিন ধৰি কলেজত মৰমীৰ অনুপস্থিতিয়ে মোক ভৱাই তুলিছিল! মৰমীয়ে সাধাৰণতে ক্লাছ খতি নকৰিছিল। নানান চিন্তা ভাবনাৰ অন্তৰ্দ্বন্দ্বৰ মাজেৰে মই মৰমীহঁতৰ গাঁৱলৈ যোৱা বাছ এখনত উঠি পৰিলো।

মৰমী তাঁতৰশালতে বহি আছিল। বগা চুৰিদাৰ আৰু তিতি থকা মেলা চুলিৰে তাইক অপূৰ্ব দেখাইছিল। মোক দেখা পাই তাই শালখনৰ ওচৰৰ পৰা উঠি আহি সামান্য হাঁহি মাৰি ক'লে, "মনত পৰিল নে তোৰ?" মই যেন বৰ ডাঙৰ সুবিধা এটাই পাই গ'লো সেয়ে প্ৰায় চিঞৰি চিঞৰি কোৱাৰ দৰে কলো "নাই নাই নপৰে। সেইবাবেই ক্লাছ খতি কৰি ইমানদূৰ ঢপলিয়াই আহিছো। আৰু তই তইতো একেবাৰে বায়েৰৰ ঘৰত তিনিৰাতি থাকি আহিলি, ইমান ওচৰতে থাকিও এক মিনিটৰ বাবেও আমাৰ ঘৰলৈ যাব নোৱাৰিলি, নহয়? হুঃ তালৈ গ'লে অকল বায়েৰৰ ঘৰটোহে চিনি পাব।" অতি ক্ষোভত কথাখিনি ক'লো যদিও তাইৰ চকুলৈ চাই ভীষণ দুখ লাগিল।

"ভিতৰতে বহোঁগৈ ব'ল ।" তাই মোক হাতত ধৰি টানি নিলে। ভিতৰখন জেঁকা হৈ আছিল। হয়তো ৰাতিপুৱা তাই ঘৰটোৰ মজিয়াবোৰ লিপিছিল, তেতিয়াও ভালদৰে শুকোৱা নাই । পৰিপাটিকৈ সজাই থোৱা দ্ৰইংৰুমটোৰ চুকৰ বেতৰ চকীখনত মই বহি পৰিলো।

জলপানৰ দিহা কৰোঁগৈ বুলি মৰমী মোৰ ওচৰৰ পৰা যাব বিচাৰিলে। মই তাইৰ হাতখনত থাপমাৰি ধৰিলো, "মৰমী তোৰ কি হৈছে ? এই কেইদিন তই কলেজো যোৱা নাই ...। তই যেন মোৰ পৰা আঁতৰি ফুৰিব বিচাৰিছ।"

"অঁ মই তোৰ পৰা আঁতৰি ফুৰিব বিচাৰিছো। কেৱল তোৰ পৰাই নহয়। আজি মই মোৰ নিজৰ পৰাও আঁতৰি পলাই ফুৰিবলগীয়াত পৰিছো।"

"আজি তোৰ মৰমীৰ অন্তৰত দপ্‌দপাই একুৰা জুই জ্বলি আছে। কাষলৈ আহিলে সেই জুইতে হয়তো তইও জ্বলি যাবি। সেই জুইৰ ভয়ত মোৰ আপোন ঘৰখনৰ মানুহবোৰ আঁতৰি ফুৰিছে, পলাই ফুৰিছে। তেন্তে ..... তই কিয় আহিছ মোৰ ওচৰলৈ।" চিঞৰি চিঞৰি কোৱা তাইৰ কথাবোৰে কোঠাটোৰ চাৰিবেৰত খুন্দিয়াই যেন মোৰ বুকুত সজোৰে খুন্দিয়াই দিলেহি। মই বোবাৰ দৰে থৰ হৈ বহি থাকিলো। মৰমীৰ এই ৰূপ মই কোনোদিন দেখা নাছিলো। কিবা এক হাহাকাৰে মোৰ হৃদয়ত তোলপাৰ লগাবলৈ ধৰিলে। "অঞ্জু, তই জানো শুনিব পাৰিবি কথাবোৰ ...?" কোঠাটোৰ নিৰ্জনতা ভেদি মৰমীৰ কথাষাৰ মোৰ কাণত পৰিলহি। মই মূৰ তুলি চালো। নাই মই নোৱাৰোঁ , তাইৰ মুখলৈ , তাইৰ চকুলৈ চাবলৈ মোৰ ভয় লাগে। তাই মোৰ কাষৰ চকীখনতে বহি পৰিল।

"সেইদিনা মই ৰীতা বাইদেউহঁতৰ নতুন কোৱাৰ্টাৰলৈ গৈছিলো। প্ৰকৃততে মই এটা নিশাৰ বাবেহে গৈছিলো। পিছদিনা ঘূৰি অহাৰ কথা, কিন্তু .... হঠাৎ ভিনদেউৰ মাকৰ অসুখৰ খবৰ পাই ৰীতা বাইদেউ ঘৰলৈ যাবলৈ ওলাল। ভিনদেউৰ অফিছ থকাৰ বাবে সেইদিনা নগ'ল। অকনমানি



ছুমুজনীক মোৰ ওচৰত গটাই থৈ বাইদেউ গ'লগৈ। সেইদিনা নিশা বহু সময়লৈকে ভিনদেউ ঘৰলৈ অহা নাছিল। বেচেৰী ছুমুজনী 'পাপা পাপা ' বুলি চিঞৰি এটা সময়ত শুই পৰিল। মাজনিশা দুৱাৰত টোকৰ মৰা শুনি মই সাৰ পাই উঠি গ'লো। দুৱাৰ খোলাৰ লগে লগে ভিনদেউ ঢলংপলংকৈ ভিতৰলৈ সোমাই আহিল। ভিনদেউৰ মুখৰ পৰা ওলোৱা মদৰ গোন্ধত ৰৈ থাকিব নোৱাৰি মই ভাত বাঢ়োগৈ বুলি যাবলৈ লওঁতেই ভিনদেৱে মোৰ হাতখন থাপমাৰি ধৰি টানিবলৈ ধৰিলে। মই বহু চেষ্টা কৰিও মোৰ হাতখন ভিনদেউৰ বজ্ৰমুঠিৰ পৰা মুক্ত কৰিব নোৱাৰিলো। মই নোৱাৰিলো অঞ্জু, মোৰ সকলো শেষ অঞ্জু। সেই পিশাচটোৱে এটা ৰাতিৰ ভিতৰতে মোৰ সকলো কাঢ়ি নিলে।" তাই কান্দি কান্দি মোৰ গাতে ঢলি পৰিল। মই বজ্ৰপাত পৰা মানুহৰ দৰে থৰ লাগি বহি ৰ'লো।

"জান, পিছদিনা বাইদেউ আহিছিল, সকলো কথা কৈ মই বাইদেউৰ ওচৰত ন্যায় বিচাৰিছিলো। কিন্তু তাৰ পৰিবৰ্তে তাই মোক কি দিলে জান? "দুটা চৰ" আৰু এসোপামান কলঙ্ক। মোৰ সকলো কাঢ়ি লৈ সৰ্বস্বান্ত কৰি সিহঁতে মোক খেদি দিলে। মোৰ কি দোষ আছিল ক, নিজৰ বাইদেউ-ভিনদেউৰদৰে মৰম বিচৰাটো, বিশ্বাস কৰাটোৱে মোৰ অপৰাধ হ'লনেকি অঞ্জু?"

মৰমীৰ অশ্ৰুসিক্ত দুনয়ন দেখিয়ো সেইদিনা মই তাইৰ সেই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলো। সেয়ে হয়তো আজি তাই সেই একে প্ৰশ্ন লৈ আদালতৰ কাঠগড়াত থিয় হ'বলৈ ওলাইছে। কিন্তু আজি তাইৰ চকুৰ চকুপানী শুকাই গৈছে। তাইৰ চকুত আজি বিদ্ৰোহৰ জুই । যি ন্যায় এগৰাকী নাৰী হৈয়ো তাইৰ বায়েকে দিব নোৱাৰিলে সেই ন্যায় তাই আজি যুক্তি আৰু প্ৰমাণৰ ওপৰত প্ৰতিষ্ঠিত আইনৰ ওচৰত বিচাৰিছে। মৰমীৰ সেই শাৰীৰিক , মানসিক যান্ত্ৰণাখিনি অন্ধ আইনে উপলব্ধি কৰিব পাৰিবনে ?

"ইমান দেৰী হ'ল যে আজি?" বাৰাণ্ডাৰ পৰা মোলৈ চাই থকা মাৰ মাতত মোৰ ভাবত যতি পৰিল। কথাবোৰ ভাবি-ভাবি কেতিয়া ঘৰ পালোহি গমেই নাপালো। বাৰাণ্ডাত ভৰি দিয়াৰ লগে লগে যেন সংসাৰৰ সমস্ত ভাগৰে আহি মোক বেৰি ধৰিলে।

"আজি কলেজত নৱাগতা আদৰণি সভা পাতিছিল।" সংক্ষেপতে মাৰ প্ৰশ্নৰ উত্তৰ দি ভিতৰ সোমালো। মোৰ পিছে পিছে মা সোমাই আহিল।

"জান মাজনী, আজি বৰুৱানীৰ ঘৰলৈ গৈছিলো। বৰ ডাঙৰ কথা এটা শুনি আহিলো। সেই যে ...." হঠাৎ যেন সেই গোন্ধটো আহি মোৰ নাকটো পুনৰ আক্ৰমণ কৰিলে। মই লৰালৰিকৈ ইউনিফৰ্মযোৰ সলাই ল'লো। কিবা অবুজ বেদনা আৰু প্ৰচণ্ড খঙে মনটো গধুৰ কৰি পেলালে। ... এই মানুহবোৰে অকনমান আজৰি পালেই হ'ল, কিবোৰযে আলোচনা কৰি ফুৰে। ক্ষোভ মিহলি সুৰে মই মাক ক'লো, "হওক , কোনে কাৰ লগত কি কৰিছে, এইবোৰ তোমালোকে ভাবিব নালাগে। ছোৱালীজনী বদনাম হ'ল, তোমালোকে চিন্তা কৰি কি পাবা। তোমালোকে আৰু তাৰ আগত এইবোৰ কৈ ফুৰিলেই তাই ন্যায্য অধিকাৰ পাব নেকি? সেই অধিকাৰৰ বিচাৰ আদালতত হ'ব। পাৰা যদি তোমালোকে তাইৰ গাত লগা চেকা মচিবলৈ চেষ্টা কৰা। তাইক সমাজত মূৰ দাঙি খোজ কাঢ়িবলৈ এটা সামাজিক মৰ্য্যাদা দিবলৈ চেষ্টা কৰা। কিন্তু তোমালোকে ..... " প্ৰচণ্ড ঘৃণাত মোৰ নাকটো কোঁচ খাই আহিল।

"তাইৰ কেছটো কেৱল আদালতত সীমাবদ্ধ থকা হ'লে অন্ততঃ তাই অকনমান শান্তিৰেই জীয়াই থাকিব পাৰিলেহেতেন। কিন্তু এই মানুহবোৰে তাকে প্ৰচাৰ কৰি নুফুৰিলে শান্তিৰে বহি থাকিবই নোৱাৰে। আৰু সেই মানুহজনী, ৰীতাক টোটো কৰি ফুৰাটো যেন তেওঁৰ এটা পেছাহে।" কথাখিনি কৈ মই বাথৰুমৰ ফালে আগবাঢ়িলো। খঙত মোৰ সমগ্ৰ শৰীৰ জুই যেন তপত হৈ গৈছিল।

বাথৰুমত সোমাই পানীৰ টেপটো খুলি চকুৰে মুখে অলপ পানী মাৰি দিলো। পাৰে যদি সেই অস্বস্তিকৰ গোন্ধটোৱে আমনি কৰিব নোৱাৰাকৈ ধুই নিয়ক । □

# এটা গল্পৰ জন্ম যান্ত্ৰনা

*দীপজ্যোতি বৰা*
স্নাতক প্ৰথম বৰ্ষ

ক্ৰিং ...... ক্ৰিং ...... ক্ৰিং

হঠাৎ কলিং বেলটো বাজি উঠিল। কোন হ'ব পাৰে ইমান নিশা ? পুহ মাহ। তেতিয়া নিশা হয়তো আঠমান বাজিছিল। ল'ৰা-ছোৱালী হালো দুদিনমানৰ আগতে মোমায়েকৰ ঘৰলৈ গ'ল । মমী মানে মোৰ পত্নীও পাকঘৰত ব্যস্ত। লেপখনৰ তলৰপৰা মূৰটো উলিয়াই সি ভাৱিলে এই সময়ত কোন আহিব পাৰে বাৰু ? লগৰ কোনোৱেটো ইমান নিশা অহা কথা নাছিল। নে গাৱঁৰ ঘৰৰ পৰা কোনোবা আহিছে। তাৰ মনটো কিবা এক অজান আশংকাত কঁপি উঠিল। বৰ্ত্তমান পৰিস্থিতিও ভাল নহয়। চাৰিওফালে মাথো উগ্ৰপন্থী। উগ্ৰপন্থীৰ অমানৱীয় অত্যাচাৰত ঘৰত মানুহ থাকিব নোৱাৰা হৈছে। তেনেস্থালত ইমান নিশাখন ? পুনৰ কলিং বেলৰ মাতত চক্‌খাই উঠিলো।

এইবাৰ মাতিলে , 'হেৰি , দৰজাখন খুলি দিয়কচোন, কোনোবা আহিছে। কিমাননো শুই শুই কিতাপ পঢ়ি থাকে।'

পত্নীৰ কথাত ভয়ৰ ঠাইত খংহে উঠিল। কিযে এই তিৰোতা মানুহবোৰ ! একো ভয় নাই যেন মূলা গাভৰুহে । নিশা আঠ বজাত কোনোবাই আহি দৰজাত ঢকিয়াব আৰু মই নিৰ্ভয়ে খুলি দিম । পুনৰ মমীৰ মাতত উপায়বিহীন হৈ ভয়ে ভয়ে দৰজাখনৰ কাষলৈ গ'লো । লাহেকৈ দৰজাখন খুলি দেখো হাতত চিঠি এখন লৈ 'পিয়ন কাকা' ৰৈ আছে।

পিয়ন কাকা'ক দেখিয়েই জোৰকৈ হাঁহি দিলো। মোক ইঁহা দেখি তেওঁ বৰ ভাল নাপালে। তেওঁ ক'লে কিনো কৰিম পিয়নৰ চাকৰি। তোৰ চিঠি এখন আছিল । দিম দিম বুলি পাহৰিয়েই আছিলো। আজি হঠাৎ মনত পৰাত লৈয়েই আহিলো ততাতৈয়াকৈ । Q. M. S. লিখা চিঠিখন দৰকাৰী বুলি ভাৱিয়েই এতিয়া লৈ আহিলো। বেয়া নাপাবি।

এই বুলি কৈ পিয়ন কাকা যাবলৈ ওলাল । মমীয়ে ভিতৰৰ পৰা আহি ক'লে পিয়ন কাকা, যোৱানে ? ইমান নিশাখন আহিলা। অন্তঃত চাহ একাপ .... ।

'নাই নাই হ'ব ' এইবুলি পিয়ন কাকা গ'লগৈ । মমীৰ ওপৰত খঙেই উঠিছিল। ইমান নিশাখন চাহ খাবলৈ ৰখোৱাৰ বাবে। পাছত চাম বুলি চিঠিখন থৈ দিলো।

ভাত পানী খাই বিচনালৈ গ'লো। মমীয়ে ল'ৰাটোলৈ চুৱেটাৰ গুঠি আছিল। মনে মনে এটা কথাই আমনি দি আছে। কি কথা, কি লিখা আছে চিঠিখনত । দৰজাখন খুলিবলৈ লোৱাৰ সময়ত মোক যিটো ভয়ে কঁপাই তুলিছিল , পুনৰ সেই ভয়ে মোক আগুৰি ধৰিছে। সি ভাৱিলে কেইদিনমানৰ আগতে টকা বিচাৰি সংগঠন এটাই তাৰ লগৰে এজনলৈ এখন চিঠি দি টকাৰ দাবী কৰিছিল । টকা দিব নোৱাৰাত তাৰ একমাত্ৰ কন্যাক অপহৰণ কৰি নিছিল। পুনৰ টকা দিলতহে ঘুৰাই দিছিল। এইখনো সেই উগ্ৰপন্থীৰে চিঠি নহয়তো ? মোমায়েকৰ



ঘৰত থকা তাৰ ল'ৰা-ছোৱালী হাললৈ মনত পেলালে। পুহমাহৰ ঠেটুৰৈ লগা জাৰতো মুখত ঘাম বিৰিঙি উঠিল।

মমীয়ে নেদেখক বুলিয়েই লেপখনেৰে মুখখন ঢাকি দিলো। চিঠিখন তেতিয়াও গাৰু তলতে আছে। আজি কি হৈছে মোৰ সাধাৰণ চিঠিখনৰ কাৰণে ইমান ভয় খাইছো । মমী শোৱাৰ পিছত সাহস কৰিয়েই লাইটটো জ্বলালো। লাহেকৈ খামটো ফালি চিঠিখন ভয়ে ভয়ে ভাঁজবোৰ খুলি গ'লো । চিঠিখন পঢ়ি হাঁহিমেই নে কান্দিম ক'ব নোৱাৰিলো। নিজৰ ওপৰতেই লাজ লাগিল। মোৰ একালৰ বন্ধু প্ৰাণজিতৰ চিঠি । চিঠিখন পঢ়ি গ'লো ,

মৰমৰ ধেমাজি

প্ৰজ্ঞান, ১.১.৯৫

মোৰ মৰম লবি। তোৰ ভালেই ছাগে । মোৰো ভাল বুলিয়েই ধৰিবি। বহুদিনৰ মূৰত তোলৈ লিখিলো তই ছাগে পাহৰিলিয়েই । তোক আজি এটা ডাঙৰ দায়িত্ব দিবলৈ লৈছো। প্ৰথমে মোৰ কথাবোৰ শুন ।

প্ৰজ্ঞান, আজি মোৰ খুউব আনন্দৰ দিন , এটা স্মৰণীয় দিন। যিদিনা তই গড়গাওঁ কলেজৰ ছাত্ৰ একতা সভাৰ সম্পাদক আছিল, সেই তেতিয়াৰ কথাবোৰ মনত আছেনে ? মনত পৰিছেনে এৰি অহা অতীতৰ কথা। বিদায় পৰত তই স্বাক্ষৰ দিছিলি, পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতি বিছাৰিছিল, কিন্তু আজি তই কিয় এইবোৰ পাহৰি গ'লি ?

তোক মই এদিন গুৱাহাটীৰ পল্টন বজাৰৰ দিখৌ হোটেলত বহি দুখৰ কথাবোৰ কৈছিলো, কিন্তু সেই দুখবোৰ এতিয়া আৰু নাই । অতীতৰ কথাবোৰ তোক আজি ক'বলৈ মোৰ মন গৈছে। কিন্তু এটা স্বৰ্তত । তইটো এজন ভাল লেখক। তোৰ খ্যাতি আছে। বন্ধু হিচাপে তই মোৰ জীৱনৰ দুখ-যান্ত্ৰনাবোৰৰ ওপৰত এটা গল্প লিখি দিব লাগিব। এতিয়া শুন মোৰ দুখৰ অতীতবোৰ প্ৰজ্ঞান, তহঁতৰ নিচিনাকৈ পঢ়াত বৰ ভাল নাছিলো । তথাপিও বি. এ. প্ৰমাণ পত্ৰখন সংগ্ৰহ কৰিছিলো । পাছ কৰাৰ পিছত কেইবাবছৰো বেকাৰ হৈ কটালো। মোৰ বাইদেউ টকাৰ অভাৱত বি. এ. পাছ কৰি পঢ়িব নোৱাৰিলে। এসাজ খাই এসাজ লঘোনে থকা আমাৰ পৰিয়ালটোত চাকৰি এটাৰ বৰ প্ৰয়োজন হৈ পৰিছিল। কিন্তু চাকৰি লবলৈ আমাৰতো টকা নাই । মোক আৰু বাইদেউক কেনেকৈ পঢ়ুৱালে মাত্ৰ দেউতায়ে জানে।

এদিন দেউতাৰ অকালতে মৃত্যু হ'ল । তাৰ পাছৰ পৰা আমি এমুঠি ভাতৰ বাবে হাহাকাৰ কৰি ফুৰিবলৈ ধৰিলো। কেইবাদিনো বি. এ. পাছ কৰাৰ প্ৰমাণ পত্ৰ জ্বলাই দিবলৈ লৈছিলো। বলিয়াৰ দৰে হৈ পৰিছিলো। কিন্তু উপায়টো নাই। মনতে খংটো নিজে নিজে দমাই ৰাখিছিলো।

এদিন বাইদেউ চাকৰি বিচাৰি গৈছিল এজন নেতাৰ ওচৰলৈ । সেইদিনা কিন্তু বাইদেউ ঘূৰি নাহিল। সেই পিশাচটোৰ হাতত নিজৰ সতীত্ব হেৰুৱাই বাইদেৱে নিজকে শেষ কৰি দিলে। কিন্তু কোনেও প্ৰতিবাদ নকৰিলে, বিচাৰ নল'লে এই মৃত্যুৰ । সঁচাকৈ প্ৰজ্ঞান সেই সময়ত মোৰ কি হৈ গৈছিল ক'ব নোৱাৰো । এনেদৰেই পাৰ হৈ গ'ল দিনবোৰ।

এদিন সপোনত দেখিলো, বাইদেউৱে চিঞৰি চিঞৰি মোক কৈছে ! ভাইটি, তই যা জীৱন শইকীয়াৰ ওচৰলৈ । তোৰ চাকৰি হ'ব । তোৰ চাকৰিৰ বাবেই মই নিজকে শেষ কৰি দিলো টকা দিব নোৱাৰত নিজৰ সৰ্বস্ব দি মই চাকৰি যোগাৰ কৰি আহিছো। তই যা, জীৱন শইকীয়াই তোক চাকৰি দিব।'

বাইদেউৰ কথাবোৰত মোৰ অন্তৰত উমি উমি জ্বলি থকা প্ৰতিশোধৰ জুইকুৰা দপ্‌দপাই জ্বলি উঠিল। জীৱন শইকীয়া , ভদ্ৰতাৰ মুখা পিন্ধা এটা পিশাচ। ঘৰৰ পৰা এদিন বলিয়াৰ দৰে ওলাই গ'লো ।

গুৱাহাটীৰ ওখ এখন হোটেলত সোমালো। লাজ মান কাতি কৰি হোটেলতে চাকৰি এটা বিচাৰিলো। মাহে তিনিশ টকা। চাকৰি হ'ল। ঘৰলৈ মাহে এশ টকাকৈ পঠাওঁ, কিন্তু ক'ৰপৰা পঠাওঁ মই মা-হতঁক নজনালো। সিহঁতৰ বাবে মই যিকোনো কাম কৰিবলৈ প্ৰস্তুত । এদিন শুনিলো ভাইটিয়ে

এম. ই. বৃত্তি পাইছে। মনটো ভাল লাগি গ'ল। তাক পঢ়াবৰ বাবে সকলো টকা পঠাই দিছিলো ঘৰলৈ। এনেদৰেই কিছুদিন হোটেলত কাম কৰি পেট প্ৰৱতাইছিলো। মালিকৰ লগত মতবিৰোধ হৈ এদিন হোটেল এৰিলো। কি কৰো, কি নকৰোকৈ ৰাস্তাৰ এটা দাঁতিত বহি পৰিলো। চকুৰ আগত ভাঁহি উঠিছিল 'মা' আৰু 'ভাইটি'ৰ নিষ্প্ৰাপ মুখ দুখন ।

হোটেলৰ পৰা ওলাই আশ্ৰয় লৈছিলো এহাল সন্তান হীন মানুহৰ ঘৰত ।এনেদৰেই এদিন মই তেওঁলোকৰ সন্তান হৈ গ'লো । লাহে লাহে তেওঁলোকক মই মা-দেউতা বুলি মাতিবলৈ ল'লো। এমাহ মানৰ পিছত মায়ে মোৰ বিচনাৰ তলত পালে মোৰ সকলো পৰীক্ষাৰ প্ৰমাণপত্ৰ। দেউতাৰ জোৰতে মই এটা পুলিচৰ চাকৰি পালো। শিক্ষাৰ ফালৰ পৰা চাকৰি পোৱাত একো কষ্ট নহ'ল। সেইদিনা মই নিজকে ভাগ্যবান বুলি ভাৱি আনন্দত জপিয়াই পৰিছিলো। তেতিয়া মোৰ 'মা আৰু ভাইটি' লৈ বৰ মনত পৰিছিল। কান্দি পেলাইছিলো অজানিতে ।

অফিচাৰৰ টেবুলৰ সন্মুখত চেলুট দি এপইণ্টমেণ্ট লেটাৰখন দি অফিচাৰৰ মুখলৈ চাই মোৰ কি অৱস্থা হৈছিল নিজে ক'ব নোৱাৰো ।

বাৰু, আৰু এটা কথা মনত পৰিছেনে প্ৰজ্ঞান, গড়গাওঁ কলেজত যে আমি ৰেগিং কৰিছিলো। পিছদিনা যে আমাৰ লগত বহি ক্লাচ কৰিছিল, যোৰহাট জে. বি. কলেজৰ পৰা অহা মৃন্ময় বৰুৱা আজি বহি আছে অফিচাৰৰ টেবুলত। মৃন্ময়ৰ লগত এদিন মোৰ কাজিয়া হৈছিল নিহাৰীকাৰ বাবে। তাইৰ প্ৰতি মোৰ কিবা এক আকৰ্ষণ আছিল। হয়তো তাইৰো মোৰ প্ৰতি দুৰ্বলতা আছিল। সেয়ে তাই মোক এদিন কৈছিল,

'প্ৰাণ, তোমাক নাপালে মই এই পানীৰে ভৰি থকা দিখৌ নৈতে নিজক এৰি দিম।'

কিন্তু সেই নিহাৰীকাই এদিন মোক পাহৰি মৃন্ময়ক আপোন কৰি ললে । তাৰ পাছতে মৃন্ময়ৰ লগত মোৰ এৰা এৰি। কিন্তু প্ৰেমক হেতালি খেলা নিহাৰীকাই আমাক এৰি গুছি গ'ল এজন প্ৰফেচাৰৰ বুকুলৈ।

প্ৰাণজিতদা', । মৃন্ময়ৰ মাতত বাস্তৱলৈ ঘূৰি আহিলো। মৃন্ময় আচৰিত হৈ গৈছিল ।

তাৰ পাছত মৃন্ময়ৰ লগত বহুদিন চাকৰি কৰিলো নিজৰ কৰ্তব্যত অৱহেলা নকৰাৰ বাবে মোৰ নাম জিলিকি উঠিল। এদিন জীৱন শইকীয়াৰ কাৰ্য্যবোৰৰ অনুসন্ধানত কেইজনমান পুলিচ বিষয়াৰ সৈতে নামি পৰিলো । চাকৰিৰ নামত টকা খোৱা, নাৰীৰ ওপৰত কলংক সনা, জীৱন শইকীয়াক গ্ৰেপ্তাৰ কৰা হ'ল । তাৰ পাছত মোৰ চেকেণ্ড অফিচাৰৰ পদলৈ পদোন্নতি হ'ল । মোৰ জীৱন শইকীয়াৰ ওপৰত যে প্ৰতিশোধ ইমান সোনকালে হ'ব ভৱাই নাছিলো।

এদিন খবৰ পালো মাৰ মৃত্যু হ'ল। শেষবাৰৰ বাবেও চাবলৈ নাপালো। নিজৰ ওপৰতে মোৰ ধিক্কাৰ উপজিল। ভাইটিও স-সন্মানেৰে উচ্চতৰ মাধ্যমিক পৰীক্ষাত পাছ কৰি ডাক্তৰ পঢ়িবলৈ গ'ল ।

বাৰু বাদ দে এইবোৰ। এতিয়া মোৰ মা-দেউতায়ে বিয়া ঠিক কৰিছে। আমাক ইংৰাজী পঢ়ুওৱা চাৰু বাইদেউৰ জীয়েক প্ৰিয়ংকাৰ সৈতে । মা - দেউতাৰ অনুৰোধ ৰক্ষা কৰি আজি ৰিং পিন্ধাই আহিলো। আহিয়ে তোলৈ লিখিলো মোৰ জীৱনত ঘটি যোৱা বাস্তৱ আৰু সঁচা ঘটনাবোৰ।

বহুত লিখিলো । তোৰ ছাগে খং উঠিছে । এয়াই মোৰ জীৱনৰ নাটক। তোক আমনি দিয়াৰ বাবে বেয়া নাপাবি। অন্ততঃ বন্ধু হিচাপে তই মোৰ জীৱনৰ এই ঘটনাবোৰ যুগমীয়া হৈ থাকিবৰ বাবে এটা লিখনি লিখিবি। মোৰ মৰম ঘৰৰ সকলোকে দিবি । শেষত পুনৰ মৰমেৰে,

তোৰ বন্ধু

'প্ৰাণজিত'

"হেৰি , নুঠে নেকি ? আঠ বাজিবৰে হ'ল ।"

মমীৰ মাতত সাৰ পাই গ'লো । লৰালৰিকৈ মুখখন ধুই আগফালৰ ফুলনিখনেতে বহিলো। ছিজন ফুলৰ পাহিবোৰত ভোমোৰাবোৰ পৰি গুণগুণাই আছে। এনেতে মমীয়ে সুধিলে 'কালি চিঠিখন কাৰ আছিল ?'

মমীয়ে দিয়া চাহকাপ হাতত লৈ গ'লো, 'বন্ধু এজনৰ'।



'অ' কালি ল'ৰা এজনে চিঠি এখন দি গৈছিল।'

এইবুলি মমীয়ে ভিতৰৰ পৰা চিঠিখন আনি দিলে। চিঠিখন মেলি চাই দেখো বিহু সংখ্যাৰ 'অগ্ৰদূত' আলোচনীখনৰ বাবে এটা গল্প খুজি পঠাইছে । মনটো ভাল লাগি গ'ল। বহুদিন গল্প লিখা নাছিলো। ভাল প্লট এটা পাই গ'লো । প্ৰাণজিতৰ কথাবোৰ লৈয়ে গল্পটো লিখিব লাগিব। কি নাম দিম বাৰু গল্পটোৰ ? গল্পটোৰ নাম হ'ল,

"এটা গল্পৰ জন্ম যান্ত্ৰনা"। □

# গীত

*ৰীতা দত্ত (বৰগোঁহাই),প্ৰৱক্তা*

(অসমীয়া বিভাগ)

(১)

*কলৰৱকাৰিণী হে মহা তটিনী।*
*কস্তুৰীমৃগ চৰে চন্দ্ৰমা যামিনী ।*
*চঞ্চলা কাঞ্চনে উলাহতে হালে জালে,*
*সুলকি সুলকি পৰে কাঞ্চন কৰৱী।*

(২)

*কামোদৰ সুৰ বাজে,*
*মুখৰিত চৌ-দিশে,*
*থমকি থমকি নাচে কৃষ্ণমুখী কালিন্দী ।।*

(৩)

*বিলত ফুলে কোকানদ*
*কুকিলৰো সুশৱদ,*
*তাতে সৰে শ্বৱনম্, শুনি ৰিণি ৰিণি ।।*

কৃতকাৰ্যতাক গ্ৰহণ কৰিবা এজনে ভদ্ৰ লোকৰদৰে , কিন্তু বিপৰ্যয়ক গ্ৰহণ কৰিবা এজনে পুৰুষৰ দৰে — লৰ্ড বাৰ্কেনহেড।

(গল্প)

# অভিশপ্ত সেই ২৪ ফ্ৰেব্ৰুৱাৰী

(এটি সত্য ঘটনাৰ আলমত)

*শ্ৰীসীমান্ত বুঢ়াগোঁহাই*
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

সেইদিনা আছিল ১৯৯৪ চনৰ ফ্ৰেব্ৰুৱাৰী মাহৰ চতুৰ্থ দিন। দেৰিকৈ শুই উঠি ব্ৰাচ ডালত পেষ্ট লগাই ওলাই যাওঁতেই বন্ধু তপনক লগ পালো। কথা প্ৰসঙ্গত বাছত হঠাতে এদিন লগ পাই চিনাকি হোৱা ডিমৌৰ বান্ধৱীজনীৰ কথা ওলাল। বহুদিন খবৰ-খাতি নোপোৱাৰ বাবে এপাক মাৰি অহাকে ঠিক কৰিলো। দুয়োৰে পকেটত থকা টকাকেইটা মিলাই চালো, আৰামত ঘূৰি আহিব পাৰিম। দুয়োটায়ে ব্ৰেকফাষ্ট কৰিয়েই লৰালৰিকৈ ওলালো। তিনি আলিতে যোৰহাট মুখী 'দ্বিগবিজয়' চুপাৰত জাপ মাৰি উঠিলো। ভিৰৰ বাবে চিট এটাও নাপালো। ঐতিহাসিক ধোদৰ আলিৰ খলা-বমাৰ ফলত হোৱা ঠেকেচনিৰ পৰা ৰক্ষা পাবলৈ এঠাইত সাৱধানে ধৰি থিয় হৈ ৰ'লো। মোৰ ওচৰতে এগৰাকী গাভৰু। চেহেৰা পাতি বাঃ কি সুন্দৰ , কি টেৰিফিক সাজ-পোছাকত নামৰূপৰ গাভৰু যেন লাগিল।

বোন্দা ঠেকেচা এটাত মোৰ ভাৱৰ যতি পৰিল। ডিঙি মেলি চাই দেখিলো টিয়কঘাত দলং অতিক্ৰম কৰিলো পুনৰ দলং অতিক্ৰমি ৰাস্তাত উঠোতেই এটা ঠেকেচনিৰ ফলত ছোৱালীজনী মোৰ গাৰ ওপৰতে কৰ্ফাল খাই পৰিছিলহি। ভাবিলো আজি নিশ্চয় কিবা গ্ৰহ গতি ভাল। ছোৱালীজনীৰ দুই সুতীব্ৰ ওঠৰ মাজেদি এটি মধুৰ শব্দ বাগৰি আহিল "Sorry"। ভাৱত বিভোৰ হৈ থকাৰ বাবেই নেকি মই বৰ ভালকৈ শুনিও গুৰুত্ব নিদিলো। ক্ষন্তেক পাছতে বাছখন সোণাৰি পালেগৈ। বহুযাত্ৰী বাছৰ পৰা নামি গ'ল। চিট দুটামান খালী যেন দেখি বন্ধুসহ আগবাঢ়ি গ'লো। কিন্তু সৌভাগ্যইনে দুৰ্ভাগ্য ক'ব নোৱাৰো ছোৱালীজনীৰ উৰুণাখন মোৰ বেল্টৰ হুকত লাগি ধৰিল আৰু দুয়োজনে টনাটনি কৰি থাকোতেই চিটকেইটা পুনৰ ভৰি পৰিল। শেষত ছোৱালীজনীয়ে খঙতেই নে লাজতেই ৰঙা পৰি উৰুণাখনত যিটো টান দিলে একেবাৰে উৰুণাৰ এক অংশ বেল্টৰ হুকত থাকি গ'ল। মই মাত্ৰ বোবা হৈ চাই ৰ'লো।

সোণাৰিৰ পৰা অলপ দূৰ গৈয়েই ছোৱালীজনী নামিল। মইও স্বস্তিৰ নিশ্বাস পেলালো। জেপত হাত ভৰাই ৰুমালখনো উলিয়ালো। এটি চিনাকি গোন্ধ। আগৰবাৰ বিহুত ৰুমীয়ে দিয়া ৰুমালখন সযতনে সাঁচি থৈছিলো আৰু আজি কিজানি তাইক দেখুৱাবলৈকে লৈ আহিছো । চিট এটা পাই দুয়োটাই বহি ল'লো। কথা পাতিবলৈ মন নোযোৱাত ৰুমীৰ কথাকেই ভাৱিলো। তাইৰ যেন চিঠিৰ ভাষাবোৰ ক্ৰমে সলনি হৈ আহিছে। ক্ৰমাৎ বাঢ়ি আহিছে আন্তৰিকতা। আকৌ এদিনৰ কথা মনত পৰিল। পাৰিজাতত Hum চিনেমাখন চাবলৈ যাওঁতে কোৱা কথাষাৰ "ৰণ তোমাক আকৌ অহা ৰঙালী বিহুত আহিলে এটা ডাঙৰ চাৰপ্ৰাইজ' দিম।

মই ধেমালিকৈ সুধিলো "বিহুৰ আগতে আহিলে মা, কালীৰ কোপৰ পৰা ৰক্ষা পৰিম হ'বলা।"

তাই মাথো এটা অৰ্থপূৰ্ণ হাঁহি মাৰিছিল। হঠাতে মৰা এই হাঁহিটোত মই কিন্তু যোগ দিব নোৱাৰিলো। মনত যেন কিবা এটা শংকা হৈছিল।

হঠাতে আগৰ চিটত বহা মানুহজনে কোৱা কথাষাৰেহে মোক বাস্তৱলৈ ঘূৰাই আনিলে। মনত পৰিল আগদিনা শুনা ৰজাবাৰীৰ দুবিঃ সহ ঘটনাটোলৈ । উহঃ দূৰদৰ্শনৰ পৰ্দাত থকা ঘটনাটোলৈ মনত পৰিলেই গাটো জিকাৰ খাই উঠে। ভাব হৈছিল দূৰদৰ্শনৰ বাতৰি পৰিবেশক জনে যেন মিছাকৈয়ে কথাটো জনাইছিল।

শিবসাগৰত নামিয়ে খকাখুন্দাকৈ পেৰাকেইটা মান ল'লো। ৰুমীলৈ বুলি । তাই আৰু' পেৰা খাই বৰ ভাল পাই। পুনৰ ডিমৌমুখী বাচত জাপ মাৰি উঠিলো । ডিমৌৰ বাচৰ পৰা নামোতেই হঠাতে পিছল খাই পৰিছিলোৱেই । তপনে তৎক্ষণাত ধৰাতহে দাঁত কেইটা নভগাকৈ থাকিল। কিন্তু মনৰ মাজৰ অদ্ভুত ভয়টোৱে পুনৰবাৰ দেখা দিলে। বাচত ক'তদিন উঠিছো, দুৱাৰমুখত ওলমি গৈছো, চিট নেপাই খঙতে পিছফালে বাম্পাৰত ভৰি দি ওলমি গৈছো । ক'তা, এদিনোতো পিছল খোৱা মনত নপৰিল। তেন্তে আজি! হঠাতে মোৰ বাওঁচকুটো বৰকৈ লৰিবলৈ ধৰিলে। মনটো কেনেবা কেনেবা লাগিল। অশান্ত মন এটা লৈ তপনৰ সতে খোজ মিলালো। কিন্তু মনটোৱে যেন মোক বাৰে বাৰে কৈছে "আগলৈ নাযাবা ৰণ।" কাঠৰ জপনাখন খোলো বুলি লওঁতেই হঠাতে দেখিলো ৰুমীহঁতৰ ঘৰৰ পাছফালে বাঁহনিৰ পৰা অনৰ্গল ধোঁৱা ওলাই কুণ্ডলী পকাই ওপৰলৈ উঠি গৈছে। দীঘল পদূলিটোত খোজ পেলাওঁতেই দেখিলো ৰুমীৰ ককায়েক ৰঞ্জনে বলিয়াৰ দৰে ফুলনিৰ মাজত বহি কান্দি আছে। কি হৈছে ৰঞ্জন দা?" বুলি সুধিবলৈ লওঁতেই ভিতৰৰ অবিৰাম বিননি , বুকুভৰা সেই ৰজাবাৰীত শুনা শ শ জনতাৰ বিননি মোৰ কাণত পৰিল । তপনক তাতে এৰি ৰুমীহঁতৰ ঘৰৰ ভিতৰলৈ বুলি দৌৰ দিলো। সকলোকে দেখিলো অশ্ৰুৰ নিজৰা বোৱাই বিননি জুৰা । কোনোবাই মূৰ্চ্ছা যোৱা ৰুমীৰ মাকক তেল পানী দিছে। দৌৰি পিছফালে ওলালোগৈ। পিছফালে নীৰৱে উচুপি থকা বান্ধৱী দুগৰাকীৰ পৰা জানিব পাৰিলো যে সেই অভিশপ্ত 'অমৰজ্যোতি' নামৰ ৰজাবাৰীত পতিত বাছখনত ৰুমীও আছিল। মই এটা দীঘল অস্বাভাৱিক চিঞৰ মাৰি সুধিলো 'তাই ক'ত?' সিহঁতে মাথো আঙুলিয়াই দিলে বাহনিত জ্বলি থকা চিতালৈ। এটা অদ্ভুত চিৎকাৰ কৰি মই মূৰ্চ্ছা গ'লো। এঘণ্টামানৰ পিছতে মই নিজকে আৱিস্কাৰ কৰিলো ৰুমীৰ বিচনাত। খঙতে জাপ মাৰি উঠিলো । বলিয়াৰ দৰে মই ৰুমীৰ পঢ়া কিতাপ, বিচনা আৰু কাপোৰবোৰ দলিয়াই যাবলৈ ধৰিলো। হঠাতে টোচকৰ তলৰ এটা নীলা খামত চকু পৰিল। মোৰ নামটো ওপৰত লিখা আছে ৰুমীৰ আখৰেৰে। ততাতৈয়াকৈ খামটো ফালি চিঠিখন চকুটিপ এটা নমৰাকৈ পঢ়ি গ'লো মৰমৰ

"ৰণ"

পত্ৰে মৰম ল'বা । মোক তুমি ভুল নুবুজিবা। তোমাৰ ঘনিষ্ঠ সান্নিধ্যতাই তোমাৰ প্ৰতি মোৰ হৃদয়ত প্ৰেমৰ নিৰ্মল বীজ ৰোপন কৰিছে। বন্ধুত্বৰ এনাজৰীয়ে তাক মই বান্ধি ৰাখিব নোৱাৰো। মনক বুজনি দিও ব্যৰ্থ হ'লো। নিজে কোৱাৰ সাহস গোটাব নোৱাৰি চিঠিখন লিখিলো। মই তোমাক মোৰ জীৱন সংগী হিচাপেহে বিচাৰো । বন্ধু হিচাপে নহয় ।

ইতিত

তোমাৰ 'ৰুমী'।

— চিঠিখন পঢ়িয়েই হাঁহিমেই নে কান্দিমেই ক'ব নোৱাৰিলো মনতে ভাৱিলো 'তাই সঁচাকৈয়ে মোক মনে মনে ভাল পাই পেলাইছিল নেকি ?' কিন্তু বেচেৰীৰ মনৰ আশা অপূৰ্ণ হৈয়ে ৰ'ল। চিঠিখন বুকুৰ মাজত লৈ হুক্হুকাই কান্দি পেলালো।

হঠাতে মনত পৰিল যতীন দুৱৰাৰ এফাঁকি কবিতালৈ —

*'কোন কাৰ মৰমৰ কোন কাৰ চেনেহৰ*
*চকুৰ চিনাকি দুদিনৰ।'* □

# ৰিক্সাৱালা

*ৰতি প্ৰভা গগৈ*
প্ৰবক্তা , অসমীয়া বিভাগ

"বিপুল, কালিলৈ ৰিক্সা নিনিলে অসুবিধা হ'বনেকি"? "কিয় বাইদেউ ? কিবা দৰকাৰ আছে নেকি ? প্ৰয়োজন আছে যদি কওক । এদিন ছুটি পালে ভালেই পাম ।" 'টকাৰ কথা আছে নহয় । বাৰু এদিন ছুটি লোৱা । তোমাৰ লগত মোৰ কথা আছে। ভাত ইয়াতে খাবা। কালিলৈ 'চেকেণ্ড চেটাৰডে', মই ঘৰতে থাকিম।"

"হ'ব বাইদেউ"। ৰিক্সাখন গত লগাই থৈ বিপুল ৰাস্তালৈ ওলাই আহিল। মালিকনীৰ ভাৱলেশহীন গহীন মুখখনলৈ চাই বিপুলে ধৰিব নোৱাৰিলে । তাৰ লগত কি এনে কথা থাকিব পাৰে, এদিন ৰিক্সা চলোৱা বন্ধ কৰিব লাগে। এদিনৰ 'ইনকাম', কমেও দুশ টকা । চিটিবাছত বহিবলৈ ছিট্ নাই, থিয়হৈয়ে যাব লাগিব। থিয় হৈ যোৱাটো 'ভাতৰ লগত পানীখোৱাৰ দৰে' চিন্তা কৰিব লগীয়া একো নাই । কিন্তু কাষত থিয় হৈ যোৱা ছোৱালী জনীক লৈহে বিপুল অসুবিধাত পৰিল। কলেজ ইউনিভাৰ্ছিটিত পঢ়া ছোৱালী হ'ব পায়। হ'ব পাৰে। নহবও পাৰে। সেইটো বিশেষ ভাবিব লগীয়া কথা নহয়। কিন্তু বিপুলক ছোৱালীৰ কাষত থিয় হ'ব লগীয়া কথাটোৱেহে বৰকৈ আমনি কৰে। ছিট্ পালেই ৰক্ষা, পুৰুষ মহিলাই নিজৰ নিজৰ ছিটত বহি যাব।

আজি এবছৰে ৰিক্সাত বহাই কত ছোৱালীক লৈ ফুৰাইছে, কেতিয়াবা ছোৱালীক, কেতিয়াবা ল'ৰা-ছোৱালীক, কেতিয়াবা ভাই - ভনীক , কেতিয়াবা প্ৰেমিক প্ৰেমিকাক। তেতিয়া বিপুলৰ ইমান চিন্তা কৰিব লগীয়া নাথাকে অথবা ছোৱালীবোৰ তাৰ মানসিক অস্বস্তিৰ কাৰক নহয়। কিন্তু ছিটি বাচত গাত গা লগাই যাব লগা অৱস্থাটো তাৰ বাবে ইমান মানসিক পীড়াদায়ক, সি ভাবিব নোৱাৰে।

এৰা , নহ'ব কিয় সি যে ৰিক্সাৱালা। এই ভাৱটোৱে তাৰ বুকুৰ ভিতৰখন কুৰুকি খান্দি পেলায়। 'ৰিক্সাৱালা'ৰ প্ৰতি থকা ভাৱ , ব্যৱহাৰ, সকলোতে অৱজ্ঞাৰ প্ৰতিফলন এবছৰে প্ৰত্যক্ষ কৰি কৰি তাৰ প্ৰায় গাত নলগা হৈছেগৈ যদিও ছোৱালীৰ কাষত থিয় হ'ব লগা হ'লেই তাৰ দেহ মন মুছৰি যোৱা ভাৱটোৱে উক দিয়ে।

"ছয় মাইল, ছয় মাইল ..."

'হ ওক তেও, ৰক্ষা'। সি লৰালৰিকৈ পাঞ্জাবাৰীৰ চিটি বাছত উঠি ল'লে । তাৰ পৰাও দুই / আঢ়ৈ কিলোমিটাৰ যোৱাৰ পাছতহে তাৰ ভাৰাঘৰ নামৰ জুপুৰিটো পাবগৈ। বজাৰৰ পৰা লৈ যোৱা খুতৰা অথবা মৰিচা আদি পাত শাক আৰু সৰু মাছেৰে এখনীয়া আঞ্জাৰে তাৰ আহাৰৰ দৈনন্দিন তালিকা। খাই বৈ বিছনাত ভাগৰুৱা দেহাটো এৰি দিয়াৰ লগে লগে টোপনিয়ে হেঁচা মাৰি ধৰেহি। যৌৱনৰ সোনোৱালী দিনৰ ৰঙীন সপোন দেখাৰ আহৰিও বিপুলৰ নাই ।

'কি কথা থাকিব পাৰে'? মালিকনীৰ এজন ৰিক্সাৱালাৰ লগত কি এনে জৰুৰী কথা থাকিল ?' টোপনিৰ লগত যুঁজ দিব লগা হোৱা ব্যতিক্ৰমা নিশাটোৱে বিপুলৰ চকুৰ আগত বিবিধ ভংগীৰে, বিবিধ দৃশ্যপটৰ অৱতাৰণা কৰিবলৈ ধৰিলে।

"ইজি মানি" । কি যে এক যাদুকৰী দেশৰ নাগৰিক সি। অলপ মাথো মানসিক প্ৰস্তুতি ।

"ৰাজি যে ?"

'হয় ৰাজি ?' এই যে উত্তৰটো তাৰ মুখৰ পৰা উলিয়াব নোৱাৰিলে সি । সহজ এক উত্তৰ । অ' যি উত্তৰত তাৰ লগৰ মনি কুণ্ডল নবীন অথবা হেমন্তই পাৰি দিলে জীৱনৰ তৰী, আৰু আজি সিহঁতৰ ঘৰ আছে গাড়ী আছে, সুন্দৰী পত্নী আছে বেংক বেলেঞ্চ আছে। 'যাঃ'। সিটো এইবোৰ চিন্তা এবছৰে বাদেই দিলে। আজি আকৌ কিয় তাৰ মনৰ মাজত ধুমুহাৰ সৃষ্টি কৰিছে? ভোগৰ সাগৰত সাতুৰি নাদুৰি থকা সকলৰ পৰিবৰ্তে আজি তাৰ দৈনন্দিন লগৰীয়া মৰুভূমিত মাৰিচীকা খেদা ৰামু, কালীয়া , নৰেন্দৰ আদি।

বিধবা মাক আৰু তিনিজনী ভনীয়েকৰ দায়িত্ব বহন কৰিব লগা হোৱা ৰামুৱে ডাঙৰ ভনীয়েকক যোল্লহেজাৰ টকা খৰচ কৰি বিয়া দিছে।

'কি কৰিম ভাই। চাইকেল এখন দিবই লাগিব।"

এজনী ভনীয়েককহে বিয়া দিছে আৰু দুজনী আছেই, তাৰ নিজৰ। জীৱন, যৌৱন ? ৰিক্সাৰ তিনিটা চকাৰ দৰেই কেৱল ঘূৰি আছে, ঘূৰি আছে —।

'এটি পুত্ৰ সন্তানৰ আশাত ' —

'আঃ পিণ্ড দিব লাগে 'পিণ্ড' —

'হু' ছজনী ছোৱালী' —

অৱশেষত এটি পুত্ৰ সন্তানৰ মুখ দেখিলে। এমূৰ পকা চুলিৰে । হটঙা মানুহজনে গামোচাৰে মুখ মচি মচি টানি আছে, টানি আছে — জীৱন ৰথৰ চকৰি — এজনী — দুজনী তিনিজনী — ছজনী ছোৱালীৰ 'দহেজ' গোটাব লাগিব। তিনি বছৰীয়া পুত্ৰ সন্তানটি ডাঙৰ হোৱালৈকে কালীয়াৰ দেহত ...

বিপুলে তললৈ পেট পেলাই গাৰুত মুখখন গুজি দিলে। দৃশ্যবোৰৰ 'অৱসান হওক — অৱসান হওক '।

বিছনাৰ তলত থকা কাগজ সোপা খচমচাই উঠিল। 'চাটিফিকেট' ?

'এৰা চাটিফিকেট'। মাকৰ দেহৰ প্ৰতি টোপাল তেজেৰে। এখনি এখনিকৈ গোটোৱা তিনিখনকৈ চাৰ্টিফিকেট। পূৰিব পাৰিনে ?'

'ফালিবও নোৱাৰি।'

অন্ততঃ মাকৰ প্ৰতি থকা শ্ৰদ্ধা অটুট থকালৈকে ।

'বাৰ বাজিল নে ?'

'হয় , মাজনিশা।'

'উস্। টোপনিৰ স'তে তাৰ দু চকুৰ ইমান অসহযোগ কিয় ?'

দূৰণিৰ পৰা ৰিণি ৰিণি এটি সুৰ । তাৰ কানত বাজিবলৈ ধৰিলে। ইমান মিঠা, ইমান সোৱাদ লগা এই সুৰ। কোনে গাইছিল ? কোনে গাইছিল ?

... তোৰে কলে তলত ঘৰ' ...

তাৰ বয়সবোৰ লাহে লাহে কমি আহিবলৈ ধৰিলে । মাকৰ কান্ধত মূৰথৈ, পিঠিত মাকৰ চেনেহ পৰশত চকুদুটি আমেজত মুদ খাই আহিবলৈ ধৰিলে।

চকুত ৰ'দৰ পোহৰে চাট্ মাৰি ধৰিলে। খিৰিকীখনেদি সোমাই আহিছে একাঁজলি পোহৰ ।

এৰা ৰ'দৰ পোহৰ। বিপুলে মনত পেলালে সি আজি এবছৰে ৰ'দৰ কথা পাহৰিয়ে আছিল । বৰ্ষন মুখৰ কোনোবা দিনত ৰ'দৰ বাবে কি যে কাকুতি —

'ৰ'দালিয়ে এ ৰ'দ দে ৰ'দে দে ... " ল'ৰালিৰ দিনবোৰলৈ মনত পেলাই বিপুলে বিছনাতে ৰ'দৰ স'তে অলপ ধেমালি কৰিলে ।

হঠাত মালিকনীৰ কথাটো মনত পৰিল। ফৰকাল মনৰ ৰ'দখিনি আঁতৰি গ'ল । ঘড়ী চাই দেখে আঠ বাজিল। ধুমুহাৰ গতিৰে প্ৰাতঃ কৃত্য সামৰি চাই খাইয়ে বাছলৈ বুলি ওলাই গ'ল। আকৌ সেই চিন্তা — কি কথা থাকিব পাৰে, তাৰ দৰে ৰিক্সাৱালাৰ লগত ? জীয়েক লীলাৰ কথা নেকি ? হ'ব পাৰে। সিদিনা দীঘলীপুখুৰীৰ পাৰত ল'ৰা দুজন মানে আগচি ধৰা

লীলাক সিহে ৰক্ষা কৰিছে। বি, এ পঢ়ি থকা লীলাই পুথি ভৰাললৈ নিয়মিত যায়। সিদিনা পুথিভৰালৰ পৰা ওলাই অহা লীলাক সি দূৰতে দেখি আগবাঢ়ি আহিছিল। তাৰো ৰিক্সা সামৰিবৰ মন গৈছিল । ভাৰা এটা থৈ সেইফালেই আহিছিল। তেনেতে দেখিলে তিনিজন ল'ৰাই তাইক আগচি ধৰিছে। খঙ, লাজ, ভয় নে আন কিবা বিপুলে নাজানে, অপ্ৰকৃতিস্থ লীলাৰ কাষত ৰিক্সাখন ৰখাৰ লগে লগে তাই ৰিক্সাত জপিয়াই উঠিল।

'কি হৈছিল ভণ্টী বুলি কোৱাৰ লগে লগে লীলাই চকুপানীক বাধা দিব পৰা নাছিল। বাটত এবাৰো কোনো শব্দ বিনিময় নকৰাকৈয়ে লীলা ৰিক্সাৰ পৰা নামি গৈছিল।

হয়তো জোকাইছিল, কিবা বেয়া কথা কৈছিল -- তাক কিয় ক'ব ? সিটো এটা ৰিক্সাৱালাহে । সিহঁতৰ ৰিক্সাখন চলাই ভাৰালৈ । তাইৰ মনৰ খবৰ ল'বলৈ তাৰকি অধিকাৰ আছে। যাবৰ সময়ত এযাৰ মাত ? 'হুঃ একো ডাঙৰ কথা নহয়'। সি ইয়াতকৈও বেছি বদ ব্যৱহাৰ অনায়াসে হজম্ কৰি দিছে। সি এবছৰে দেখি আহিছে, পাই আহিছে ৰিক্সাৱালাই বহুত কিবা কিবি মানুহে হজম কৰিব নোৱাৰা বস্তু হজম্ কৰিব পাৰে। 'মানুহ ? ? ? হা ঃ হাঃ হাঃ ৰিক্সাৱালা আৰু মানুহ ?' তাৰ হাঁহিটো ওলাই আহিব খুজিছিল , কিন্তু পৰিবেশ চাই ওঠৰ কোনেদি বাগৰি গ'ল।

আজি কাষতে ছোৱালী এজনী থিয় হৈ আহিছে। আজি কিন্তু তাৰ সেই দেহ মন মুছৰি নিয়া ভাৱটো উক্ দিয়া নাই। সি নিজকে এবাৰ নিৰীক্ষণ কৰিলে। তাৰ সাঁচতীয়া একমাত্ৰ পোছাকী কাপোৰ যোৰেৰে সি নিতান্তই এজন ভদ্ৰলোক। এৰা, আজি সি ৰিক্সাৱালা নহয়, সি আজি বিপুল বৰুৱা ।

বাঃ হাতত ঘড়ী , ভৰিত হাৱাই চেণ্ডলৰ পৰিবৰ্ত্তে জোতা, মালিকনীৰ নিমন্ত্ৰিত অতিথি, বিপুল বৰুৱা বি. এ. ।

চিটি বাছৰ পৰা নামি পাকটো ল'লেই ঘৰ। ঘৰৰ ওচৰ পোৱাৰ লগে লগে তাৰ সেই বেমাৰটোৱে উক্ দিলে। সেই দেহ-মন মুছৰি যোৱা ভাৱটো--। সি যেনেদৰেই নাহক লাগিলে, সিযে এটা ৰিক্সাৱালা, তেওঁলোকৰ। ঘৰৰ ৰিক্সাখন আজি এবছৰে ভাৰালৈ চলাই আছে। থমকি ৰৈ , ঘুমটিখনত সোমাই 'পান' এখন কিনিলে । আজি 'পান'কৈ খাব সি। অলপ সময় পাব। তদুপৰি আজিৰ কথাই বেলেগ । সি ভাত খাবলৈহে যাব ৰিক্সা চলাবলৈ নাযায় নহয়। আকৌ বুকুত সাহসবোৰ থুপ খালেহি।

মাক - জীয়েক দুয়োকে বাৰান্দাতে দেখি বিপুলৰ তালৈকে ৰৈ থকা যেন লাগিল।

'আহা , আহা। ইমান পলম কৰিলা , নাহিবা বুলিয়েই ভাবিছিলো । মালিকনীৰ আন্দাৰত বিপুলৰ মনটো ভাল লাগি গ'ল। লীলা ইতিমধ্যে ভিতৰলৈ সোমাই গৈছিল যদিও হাঁহি মাৰি তাক সম্ভাষন জনাবলৈ নাপাহৰিলে। ইমান বিপদত উদ্ধাৰ কৰাৰ পাছটো যিজনী ছোৱালীয়ে 'যাওঁ' বুলি কোৱাৰ শিষ্টাচাৰকন নাজানিলে, আজি.....।

'হ'ব পাৰে। 'দেবা ন জানন্তি ...'

বাৰু , ভাত হৈ আছে যদিও অলপ পাছতে খাম। ভালদৰে চা-চিনাকি হৈ লওঁ নহয় ? লীলা দাদাৰলৈ চাহ একাপকে আন ।" "দাদা— মালিকনীয়ে জীয়েকক নিৰ্দ্দেশ দিছে 'দাদাৰলৈ ' অৰ্থাৎ মোলৈ। আজিতো শেনৰ এজাত কালি ভাত খাবলৈ মাতোতেই গম পাব লাগিছিল। 'অৱশ্যে' বিপুলে মনত পেলালে এই এবছৰে স্বল্পভাষী মানুহ গৰাকীয়ে কোনোদিন বেয়া ব্যৱহাৰ কৰা নাছিল। "সিদিনা লীলাই তোমাৰ ওচৰত ডাঙৰ অপৰাধ কৰিলে। প্ৰথমেই তুমি তাইক ক্ষমা কৰিব লাগে । তাইৰ হৈ ময়ে ক্ষমা খুজিছোঁ ।"

"এহ কি কয় বাইদেউ -- কি কয় ? কি অপৰাধ? কিহৰ ক্ষমা ? মই একো বুজা নাই ।"

"শুনা, তুমি বুজিও নুবুজাৰ ভাও জুৰিছা । সিদিনা সন্ধিয়া তুমি উপস্থিত নোহোৱা হ'লে লীলাক ল'ৰা কেইজনে ভালদৰেই অপদস্থ কৰিলেহেঁতেন। বদ্‌মাছ ল'ৰা, কাম বন নাই লীলাক proposal দিয়েহেনো । তাই লাজত খঙত ক্ষোভত ক'ব নোৱাৰাহে তোমাকো এষাৰ মাত নলগালে।"

অ' সেই কথা, আজি কালি ল'ৰাবোৰ এনেকুৱাই । মাক-বাপেকে পঢ়া-শুনা কৰিবলৈ পঠাব সিহঁতে 'ৰোমান্স' কৰিবলৈ পৰিবেশ বিচাৰি ফুৰিব। সমাজখন দেশখন কোন ফালে গৈছে ভাবিবলৈ নাই ।" "এৰা এইয়ে আমাৰ ভৱিষ্যত। শিক্ষিত আধা চেলুৱা হৈ লাখ লাখ নিবনুৱাৰ তালিকাত নাম ভৰ্ত্তি কৰি বহি থাকিব। বাৰু, এতিয়া আহোঁ তোমাৰ অপৰাধৰ কথালৈ ।"

"মোৰ অপৰাধ -- ? " বিপুলৰ বুকুখনত চিলাই মেচিন চলাই দিয়া যেন লাগিল।

'এৰা, তুমি আমাক ফাঁকি দি যি অপৰাধ কৰিছা তাৰ কিন্তু ক্ষমা নাই"।

বিপুলে মালিকনীৰ চকুলৈ চালে । "অৱশ্যে তোমাৰ অক্ষমনীয় অপৰাধৰ বাবে তোমাক দায়ী নকৰো। তাৰ বাবে দায়ী আমি সকলো। আমাৰ সামাজিক চিন্তা চৰ্চ্চা ।'

লীলাই চাহ লৈ কাষত থিয় হৈ বিপুলৰ চকুলৈ চাই ক'লে --

'চাহ খাওক দাদা।" লীলাৰ ওঁঠত ৰহস্যপূৰ্ণ হাঁহি।

বিপুলৰ বুকুৰ পৰা এটি দীঘল হুমুনিয়াহ ওলাই আহিল। তাৰ জীৱনৰ বিষাদপূৰ্ণ অধ্যায়ৰ খবৰ সংগ্ৰহ কৰিলে হয়তো এওঁলোকে ।

'এটা ভাল খবৰ শুনা। তুমি যে মাটিৰ বাবে দৰ্খাস্ত দিছিলা সেই মাটি তুমি পাইছা ।'

বিপুলে সকাহ পালে। নিবনুৱাক মাটি দিছিল পৌৰ নিগমে । গমপাই , তাৰ চাৰ্টিফিকেট বিলাকৰ সত-ব্যৱহাৰ কৰিবলৈ আগবাঢ়ি গৈছিল ।

"তুমি দৰ্খাস্ত দিয়াৰ দিনাই মোৰ চকুত ধৰা পৰিছা। মই সেই অফিচতে চতুৰ্থ শ্ৰেণীৰ চাকৰি কৰোঁ। সিদিনাৰ পৰাই তোমাৰ সকলো খবৰ সংগ্ৰহ কৰিছোঁ । তুমি বাৰু তোমাৰ 'ৰিক্সাবালা' পৰিচয়টো বেয়া পোৱা নেকি ?"

'বাইদেউ'। আমাৰ সমাজত কৰ্মৰ মৰ্য্যদা নাই । ৰিক্সাবালা ড্ৰাইভাৰ আদি বোৰ যেন সমাজৰ সুকীয়া প্ৰাণী"।

"বাৰু বিপুল তোমাৰ মাৰাইতো নাজানে তুমি ৰিক্সা চলাই টকা উপাৰ্জন কৰি তেওঁলোকক পোহ পাল দিছা বুলি।"

"আপুনি কেনেকৈ জানিলে?" বিপুল আচৰিত হ'ল।

"আমাৰ মানুহে কোনেও ' স্কুল কলেজত ল'ৰা-ছোৱালীক ৰিক্সাৱালা হ'বলৈ নপঢ়াই। তাতে মেজৰত ৫০% নম্বৰলৈ বি. এ. পাছ ল'ৰাকতো ভুলতো ৰিক্সাৱালা হোৱাতো নিবিচাৰে। বাৰু তুমি বন্দুক লোৱাৰ কথা কেতিয়াও ভবা নাছিলানে ?"

"জীৱন যুঁজত হতাশাগ্ৰস্ত হৈ তেনে কথা নভবা নহয়। বহুতে এই পথৰ বাবে উচটাইছিল । আইৰ মুখলৈ চাই মই এই কাম কৰিব নোৱাৰিলো।" দুপৰৰ সূৰ্য্যৰ দৰে, উঠি অহা যৌৱনবোৰ কুকুৰ মেকুৰীৰ দৰে ধূলিত বাগৰাই দিয়া দেখি ভাৱ হয় কেৱল অস্ত্ৰেৰে নহয় বিবেকেৰে নজগালে সমাজৰ আমূল পৰিবৰ্তন সম্ভৱ নহয় আৰু আমূল পৰিবৰ্তন অবিহনে আমিবোৰে সদায় নিজক ফাঁকি দি, জন্ম দাত্ৰী মাতৃক ফাঁকি দি জীয়াই থাকিব লাগিব।" 'এৰা ময়ো তাকে ভাৱো । মানুহৰ চিন্তা চৰ্চ্চাৰ, পৰিবৰ্ত্তন নোহোৱাকৈ বন্দুকৰ গুলীয়ে সমাজখনক গঢ়িব নোৱাৰে। কিন্তু নিঃশেষ কৰিব পাৰিব। লীলাৰ দেউতাকে তাকেই কৈছিল । মেট্ৰিক পাছ মানুহজনে কিতাপ পঢ়িলে বহুত । আৰু কি কৰিলে জানা ? জীৱিকাৰ বাবে, আমাক পোহপাল দিবৰ বাবে ৰিক্সা চলালে।"

বিপুলৰ চকুৰ আগৰ পৰা যেন এখন ডাঠ পৰ্দ্দা আঁতৰি গ'ল। চকুত ধৰা দিলে এছাটি পোহৰ ।

"তুমি চলোৱা ৰিক্সাখন লীলাৰ দেউতাকে চলাইছিল।"

লীলাৰ মাকৰ কথাত বিপুলৰ বুকুত এটি গভীৰ প্ৰত্যয়ে থিতাপি ল'লে । ৰিক্সাৱালাৰ সাজত কোনো ছোৱালীৰ কাষত থিয় হ'লে তাৰ দেহ মন মুছৰি নিয়া ভাৱটোৱে তাক আৰু কেতিয়াও আমনি কৰিব নোৱাৰে। □

উপন্যাসিকা

# এখন নদীৰ সিপাৰে .......

*নৃপেন বৰগোঁহাই*
স্নাতক তৃতীয় বৰ্ষ
(কলা শাখা)

**এক**

*বৰ্তমানবোৰ আগবাঢ়িছে*
*সৰ্পিল গতিৰে*
*কোনো এক ভাজহীন*
*ভবিষ্যতলৈ ....*

ভাস্কৰ

টেবুলত থকা পেপাৰ প্ৰেচাৰটোৱে কোনোমতে ধৰি ৰাখিছে চিলিং ফেনখনৰ বতাহত উৰি যাব খোজা চিঠিখন । চছমাযোৰ পিন্ধি চিঠিখন হাতত ললে সীমান্তই । তাৰ ঠিকনা লিখা আখৰকেইটা চিনাকী ..... ।

টং টং ....

এঘাৰবজাৰ সংকেত, কমন ৰুমৰ দেৱাল ঘড়ীৰ শব্দত সীমান্ত উচপ খাই উঠিল। তাৰ এটা মেজৰৰ ক্লাচ আছে স্নাতক দ্বিতীয় বৰ্ষৰ ৰাজনীতি বিভাগৰ। সি কমনৰুমৰ পৰা ওলাই দুই নম্বৰ ৰুমৰ ফালে আগবাঢ়িল। সি ৰুমৰ সন্মুখত দেখিলে কোনো এজন ল'ৰা-ছোৱালী নাই ক্লাচ কৰিবৰ বাবে ।

ঃ চাৰ !

ঃ অ' তোমালোকে ক্লাচ নকৰা ?

ঃ চাৰ, দুজনমানৰ বাহিৰে বাকীবোৰক লগ পোৱা নাই!

সীমান্তই একো উত্তৰ নিদি পুনৰ কমনৰুমৰ ফালে ঘূৰিল। এনেতে দেখিলে চাইঞ্চ ডিৰ্পাটমেণ্টৰ কৰিডৰটোৰ ওচৰত এহাল ল'ৰা-ছোৱালীয়ে আপোনমনে কথাপাতি আছে। সি ৰৈ দিলে ওচৰত থকা নটিছবৰ্ডখনৰ ওচৰত। বৰ্ডত চকু ফুৰুৱাৰ চলেৰে সি সিহঁতৰ কথাত কাণ দিলে । সিহঁতৰ কথাবোৰ শুনি সি তাত এখন্তেকো ৰৈ নাথাকিল। সি আহি কমনৰুমৰ ফেনৰ তলত বহি এক দীঘল হুমুনিয়াহ কাঢ়িল।

ঃ কি হ'ল গগৈ ? তোমাৰ ক্লাচ নহ'ল ?

ঃ নাই, ক্লাচত ল'ৰা-ছোৱালী বুলিবলৈ কোনোৱেই নাই।

ঃ এৰা ল'ৰাবিলাক নথকা নহয়হে আছে! সিহঁতে ৰেগিঙত ব্যস্ত চাগে !

ঃ হ'ব পাৰে !

ঃ হেৰি নাথ .. ! এই ৰেগিংবোৰ বন্ধ কৰি দিব নোৱাৰিনে ? বৰুৱাই সুধিলে ।

ঃ কেনেকৈ .. ??

সীমান্তই চকীখনত আউজি মৌনভাৱে তেওঁলোকৰ কথাবিলাক শুনি গ'ল ।

সি ভাবিলে কলেজ প্ৰাংগনত ৰেগিংৰ নামত কোনো অপব্যৱহাৰ নহয়। আজিৰ ছাত্ৰই তেওঁলোকৰ ইগ' চেতনাক ৰেগিংৰ জৰিয়তে তুলনা কৰি চাব বিচাৰে আৰু তাক যদি বাধা দিবলৈ যোৱা হয় তেন্তে সিহঁতে ভাৱে সিহঁতৰ ইগত কোনোবাই আঘাত হানিছে আৰু তেতিয়াই সিহঁত বিদ্ৰোহী হৈ উঠে । আনহাতে যি বৰুৱাই ৰেগিং বন্ধ কৰা কথা



উলিয়াইছে সেই বৰুৱাৰ চাৰ্জত থকা হোষ্টেলত জানো ৰেগিংৰ মাত্ৰা কমাব পাৰিব ?? সি ভাবিলে।

সীমান্তই কলেজৰ পৰা গুচি অহাটোকে ঠিক কৰিলে। ক্লাচটো এই কেইদিন তেনেকৈ নহয়। চাইঞ্চ ডিপাৰ্টমেণ্টৰ মুখত সি সেই ল'ৰা-ছোৱালী হালক পুনৰ দেখা পালে। এক দীঘল হুমুনিয়াহ কাঢ়ি সি গাড়ীত ৰহিলগৈ ।

সীমান্ত গগৈ ... ! এই কলেজখনত সোমোৱা আজি পাঁচ বছৰ হ'ল । ঘৰ ডিব্ৰুগড়ত, এক সম্ভ্ৰান্ত ঘৰৰ একমাত্ৰ সন্তান । ব্যৱহাৰত অমায়িক নিৰ্জু । বেছিভাগ সময় নিসংগভাৱে কটাই ভাল পাই । বৰ্তমান ইয়াতে এটা ঘৰ ভাড়া কৰি আছে।

**দুই**

টিত টিত ... টিত টিত

গাড়ীৰ হৰ্ণৰ শব্দ শুনি ভিতৰৰ পৰা ৰামুকাই ওলাই আহি গেটখন খুলি দিলে। সীমান্তই গাড়ীখন পোনে পোনে গেৰেজত সোমোৱাই সি ৰিডিংৰুমত সোমালগৈ। তাত তাৰ কিতাপখন থৈ সি জেপৰ পৰা কলমটো উলিয়াবলৈগৈ হঠাৎ তাৰ হাতখন চিঠিখনত লাগিল। সি পাহৰিয়েই গৈছিল চিঠিখনৰ কথা। সি চিঠিখন টেবুলৰ ওপৰতথৈ কাপোৰ কানি সলাই বাথৰুমত সোমাল।

ঃ বাপু তোমাৰ জলপান উলিয়াই থৈছো, খাই লবাহি।

ৰামুকায়ে চিঞৰিলে।

ঃ হব ৰামুকাই, মই গৈআছো।

অলপ পিছত সি আহি জলপান খাই বেডৰুমলৈ গৈ চকু কেইটা মুদি দিলে । হঠাৎ মনত পৰাৰ দৰে উঠি সি চিঠিখন আনি খুলি ললে ।

মৰমৰ

সীমান্ত,

মৰমবোৰ লবি। আমাৰ ভাল । তোৰো ভাল পাগে। বহুদিন চিঠিদিম বুলি দিব পৰা নাই । এক বিশেষ কথাৰ বাবে চিঠিখন লিখিলো। ভালদৰে ভাবি চিন্তি চাবি। বিয়া বাৰু কথা কি চিন্তা কৰিছ? বিয়াখন পাতি পেলা। আগৰ কথাবোৰনো আৰু কিমান ধৰি থাক! সেইবোৰ পাহৰি পেলাই এক নতুন জীৱন আৰম্ভ কৰ। ইয়াত মই ছোৱালী এজনী চাইছো। তাইক তোৰ সকলো কথা কৈছো। ছোৱালীজনী ভাল। ইয়াৰে কলেজ এখনৰ অধ্যাপিকা কৰে। তাই এবাৰ তোক চাব বিচাৰে ! আশাকৰো এবাৰ আহি যাবি। বাট চাই ৰ'লো ।

বিশেষ নিলিখো । পুনৰ মৰমেৰে

তোৰ বন্ধু

অনুপ।

একে লেথাৰিয়ে চিঠিখন পঢ়ি সি এক গভীৰ হুমুনিয়াহ কাঢ়িলে ! হয়! বিয়াখন পাতি পেলাবৰ হ'ল । ঘৰতো খুবজোৰ কৰি আছে। পিছে সিহে অজুহাত দেখুৱাই পিছুৱাই আছে। অন্তঃত ঘৰখনৰ মুখলৈ চাই বিয়াখন পাতি পেলাব লাগিব। কিন্তু সি জানো আগৰ কথাবোৰ পাহৰিব পাৰিব? সি জানো জ্যোতিক পাহৰি পেলাব পাৰিব ? যৌৱনৰ প্ৰথম অৱস্থাতে প্ৰেমৰ অনুভূতি জাগি উঠা শিহৰণক সি জানো পাহৰিব পাৰিব?

**তিনি**

*"ওভোতাই পাব নোৱাৰি বাবেই কিজানি*
*অতীত মধুৰ*
*স্মৰন কৰিলেই দুখ ভাগৰ আঁতৰাই*
*ই হিয়াৰ ভিতৰলৈ আনি দিয়ে*
*উমাল বতাহ .... "*

প্ৰেমনাথ শৰ্মা ।

সীমান্তৰো এটা অতীত আছিল । জীয়া অতীত । সেই অতীতৰ কথাখিনি নাভাবো বুলি থাকিলেও বাৰে বাৰে তাৰ বুকুত খুন্দা মাৰি যায়। এই সময়ত তাৰ অতীতৰ কথা চকুৰ আগত ভাহি উঠিল। সেই অতীত যি বৰ্তমানৰ লগত আকাশ পাতাল পাৰ্থক্য। সেই অতীতৰ কথা জানিবলৈ হ'লে কলেজৰ দিনবোৰলৈ উভতি যাব লাগিব।

উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ কলেজৰ স্নাতক প্ৰথম বৰ্ষত ভৰ্ত্তি হৈ এক নতুন উদ্যম লৈ

সি কলেজলৈ গৈছিল। বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰ-ছাত্ৰীবোৰক দেখি সি খুব উৎসাহিত হৈছিল। কিন্তু কলেজত বেছিভাগ সময় সি তাৰ বন্ধু অনুপৰ লগতে কটাই দিয়ে। অফ পিৰিয়ডত তাৰ লগতেই কটাই দিয়ে কেণ্টিন, লাইব্ৰেৰী আদিত । তাৰ লগতেই সি সুখ-দুখৰ সকলো কথা আলোচনা কৰে। কেতিয়াবা প্ৰেমৰ, কেতিয়াবা ৰাজনীতি, প্ৰনগ্ৰাফী, শ্লীল-অশ্লীল সকলো ধৰণৰ বাক বিতন্দা সিহঁতৰ মাজত চলে। কিন্তু অলপ পিছতে দুয়ো একেই ।

## চাৰি

*"এই স্বপ্নকে বুকুত বান্ধি জীয়াই আছো*
*যুগে যুগে যে কলিজাত শুনিছো*
*তোমাৰ পদধ্বনি ..........."*

হৃদয়ানন্দ গগৈ

এদিন সীমান্তৰ জীৱনলৈকো প্ৰেম আহিছিল ক'ব নোৱাৰাকৈ, মনে মনে । ভট্টচাৰৰ ইংৰাজী ক্লাচ কৰি থাকোতে হঠাৎ তাৰ আগৰবেঞ্চত বহি থকা ছোৱালীজনীলৈ চকু পৰিল। বহুসময় ধৰি সি তাইলৈ চাই থাকিল। "কোনো কোনো নাৰী থাকে যাক দেখিলেই বুকুৰ মাজত বাজি উঠে মন্দিৰৰ পৱিত্ৰ ধ্বনি"। তাৰো তেনেকুৱাই হ'ল । তাৰ দেহত এক অনামী শিহৰণে দোলাদি গ'ল। হঠাৎ বেল পৰাত তাৰ তন্ময়তা ভাগিল। সি দেখিলে তাই উঠি গৈছে । সিও লৰা-লৰিকৈ তাইৰ পিছে পিছে ওলাই গ'ল ।

ঃ এই সীমান্ত তোৰ আৰু ক্লাচ আছে জানো ? হঠাৎ অনুপৰ মাতত সি থতমত খালে

ঃ নাই, সি তাৰফালে নোচোৱাকৈয়ে ক'লে ।

ঃ তেন্তে ব'ল কেণ্টিনত বহোগৈ । সেইবুলি সি আগবাঢ়িল । সীমান্তই তেতিয়াও তাতে ৰৈ ছোৱালীজনীৰ ফালে চাই আছিল ।

ঃ কি হ'ল ব'ল .... তাক জোৰ কৰি লৈ গ'ল অনুপে।

ঃ দুয়ো দুকাপ চাহৰ অৰ্ডাৰ দি কেণ্টিনত বহিল ।

ঃ কি হ'ল ... ? তোক বৰ ভাবোক যেন লাগিছে !!

ঃ নাই ... একো হোৱা নাই ।

ঃ ওহো জৰুৰ কিবা হৈছে ; ক চোন ক ...

ঃ অনুপ , আজি ছোৱালী এজনী দেখিলো।

ঃ ছোৱালী ... তই দেখিলি ... অনুপে হাঁহি দিলে ডাঙৰকৈ ।

ঃ ৰচোন ৰ', তেনেকৈ কেলেই চিঞৰিচ ।

ঃ বাৰু ক ! কি নাম তাইৰ ? কোন ডিপাৰ্টমেণ্টৰ ?

ঃ নাজানো ; একোৱেই নাজানো মই ।

ঃ জান অনুপ কিবা ভাল লাগি গ'ল ....।

ঃ বাৰু তই দেখুৱাই দিবি বাকী মই চম্ভালিম । এতিয়া ব'ল ইকনমিক্সৰ ক্লাচ আছে ।

দুয়োতাই উঠি ক্লাচলৈ যাব ধৰিলে । ক্লাচত সোমোৱাৰ লগে লগে সি ছোৱালীজনীক দেখা পালে । সি অনুপক হাতত ধৰি তাই বহা পিছৰ বেঞ্চখনলৈ লৈ গ'ল বহিবলৈ ।

ঃ ঐ সীমান্ত ; আগত চা বঢ়িয়া মালৰে !!

ঃ চুপ চাল্লা । তোক যে কৈছিলো ছোৱালীজনীৰ কথা এইজনীয়েই ...

ঃ কি ....So .... sorry য়াৰ । কিন্তু তোৰ চয়চ মানিব লাগিব।

হঠাৎ সীমান্তৰ চকু তাইৰ হাতখনত পিন্ধি থকা ঘড়ীটোলৈ গ'ল । সি দেখিলে তাত J. G. বুলি ষ্টিকাৰ মৰা আছে। সি অনুপক দেখুৱালে । দুয়োতাই তাইৰ নামতো কি হব পাৰে চিন্তা কৰিলে । কিন্তু সিহঁত কোনো এটা সিদ্ধান্তত উপনীত নহ'ল ।

এটা সময়ত ক্লাচ শেষ হোৱাত সিহঁত ওলাই আহিল।

সীমান্ত কলেজৰ পৰা আহি ৰূমত সোমাই বিচনাখনত বাগৰ মাৰিলে । সি পুনৰ ছোৱালীজনীৰ কথাকে ভাবিব ধৰিলে। সি এক অনামী শিহৰণ অনুভৱ কৰিলে। সি ভাবিলে সি হয়তো তাইৰ প্ৰেমত পৰিছে ।

তাৰ হৃদয়ৰ আভ্যন্তৰলৈ বৰ্ণমায়া ৰূপেৰে হয়তো তাই সোমাই পৰিছে। ক'ব নোৱাৰাকৈয়ে তাৰ হৃদয়ত প্লাবিত হৈছিল তেজ নিগৰি থকা প্ৰেমৰ এক চনকা মহীৰাহ। সি হয়তো প্ৰেমৰ মহত্বৰে মহান হ'বলৈ আগবাঢ়িছে, প্ৰেমৰ বিশালতাৰে উদাৰ হ'ব বিচাৰিছে ।

পিছদিনাও সি কলেজলৈ গৈ তাৰ দুই চকুৰে তাৰ প্ৰেমৰ উৎসক বিচাৰিবলৈ ধৰিলে । প্ৰতিটো ক্লাচত সোমাই সি তাইক এফালৰ পৰা বিচাৰি যাবলৈ ধৰিলে । তেনেকুৱাতে —

ঃ ঐ সীমান্ত ; ভাল খবৰ এটা আছে আগতে কি দিবি ক ? অনুপে চিঞৰিলে ।

ঃ কি ভাল খবৰ ? সীমান্তই সুধিলে ।

ঃ আগতে ক কি খুৱাবি ?

ঃ বাৰু তই যি খাব খাবি, আগতে খবৰ কি ক ?

ঃ জ্যোতি গগৈ ......... ঘৰ নামৰূপত ।

ঃ কোন .... কোন জ্যোতি ? মই চিনি নাপাও ।

ঃ আৰে কোন হ'ব আৰু, তোৰ সেই কালিৰ ছোৱালীজনী।

ঃ কি ? তই তাইৰ নামটো উলিয়ালি ! কোন ডিপাৰ্টমেণ্টৰ ?

ঃ আৰে ! তোৰ বন্ধু হওঁ । তাই বোলে অসমীয়া বিভাগৰ।

ঃ জান অনুপ ; মই তাইক ভাল পাই পেলাইছো ।

ঃ এক কাম কৰ ! তই তাইক তোৰ কথাতো জনাই দে।

ঃ কিন্তু ......

ঃ কোনো কিন্তু নাই । সেই শুভকামতো তই আজিয়েই কৰি পেলা ক্লাচৰ শেষত । তাই হোষ্টেললৈ যোৱাৰ পথত।

সীমান্তই ভাবিলে কথাটো বেয়া নহয় । সিও তাইক লগ ধৰাটোকে ঠিক কৰিলে ।

অলপ সময়ৰ পিছতে দেখিলে তাই আনকেইজনীমান ছোৱালীৰ লগত হোষ্টেলৰ ফালে আহি আছে। সীমান্তই হৃদস্পন্দন বাঢ়ি যোৱা যেন পালে । অনুপে তাক সাহস দিলে। কিন্তু সিহঁত ক্ৰমাৎ তাৰ ওচৰ চপাৰ লগে লগে তাৰ বুকুৰ ধপধপনি বাঢ়ি আহিল। সি ইমানেই নাৰ্ভাছ কৰিলে যে সিহঁত পাৰ হৈ যোৱাতো সি মাতিব নোৱাৰিলে ।

ঃ ঐ নামাতিলি কিয় ? অনুপে খঙৰ সুৰেৰে সুধিলে।

ঃ সাহস নহ'ল অ' ।

ঃ চাল্লা মতা ওলাইছ । এটা কাম কৰ সেই পুখুৰীটো দেখিছ জাপ মাৰি দেগৈ যা। চাল্লা সাহস নহ'ল! অনুপে তাক এৰি ফু-ফুৱাই গুচি গ'ল ।

সীমান্তই তলমূৰ কৰি লাহে লাহে যাবলৈ ধৰিলে। সি ভাবিলে সি ভুল কৰি পেলালে । কিন্তু হঠাৎ তাৰ কি হ'ল নিজেই নাজানিলে । তাইক মাতিবলৈ যাওতে তাৰ মাতটো লাগি ধৰিছিল ।

"সকলোকে সকলো কথা ক'ব নোৱাৰি
জিভা গুড়ি হয় শব্দৰ লাজত ।"

তাৰো ঠিক একে দশাই হ'ল ।

ইতিমধ্যে পূজা বন্ধৰ বাবে কলেজ বন্ধ দিয়াত তাৰ হৃদয়ৰ কথা তাইক জনাব নোৱাৰিলে । তাৰ হৃদয়ৰ কথা হৃদয়তে থাকি গ'ল । বন্ধত তাৰ কোনো কথাতে মন নবহা হ'ল । পঢ়াৰ ফালেও সি ইমান মন দিব নোৱাৰিলে ।

এইকেইদিন অনুপো নাই তাৰ কথা ক'বলৈ । কলৈ গ'ল তাকো কৈ যোৱা নাই । তাৰ বন্ধৰ দিনবিলাক নাযায় নোপোৱাই লাগিল। সিও এবাৰ ঘৰতকৈ গুৱাহাটীৰ ফালে যোৱাটোকে ঠিক কৰিলে । অন্তঃত কেইদিনমানৰ বাবে এইবোৰ কথা পাহৰিব পাৰিব।

ইতিমধ্যে কলেজ খোলাৰ দিন চাপি অহাৰ বাবে সি সোনকালে গুচি আহিল । তাৰ পৰা আহিয়েই সি অনুপৰ ওচৰলৈ গ'ল ।

অনুপৰ ঘৰ পাই সীমান্তই দেখিলে অনুপে ঘৰৰ আগফালে বাৰন্দাত বহি পেপাৰ পঢ়ি আছে। তাক দেখি অনুপ আগবাঢ়ি আহিল।

ঃ তই কেতিয়া আহিলি ?

ঃ আজি ৰাতিপুৱা পালোহি। কিন্তু তই হঠাৎ কলৈ গৈছিলি ?

ঃ নামৰূপলৈ গৈছিলো ।

ঃ নামৰূপলৈ ... !! তইতো মোকো এবাৰ ক'ব পাৰিলিহেতেন।

ঃ হঠাৎ যাব লগা হোৱাৰ বাবে তোক ক'ব নোৱাৰিলো। বেয়া নাপাবি।

বাৰু ব'ল অলপ ওলাই যাও — এইবুলি দুয়োটা ওলাই আহিল বাইকখন লৈ । সিহঁত গৈ টাউনৰ ৰেষ্টুৰা এখনত বহিলগৈ।

ঃ তোক এটা কথা কওঁ সীমান্ত !

ঃ ও'ঃ ক !

ঃ তই ... মানে .... জ্যোতি .... !

ঃ কি হ'ল জ্যোতিৰ ..... ?

ঃ নহয় মানে ..... তই .... ! তই জ্যোতিক পাহৰি যা সীমান্ত ।

ঃ কি ? কি কলি তই ?

ঃ অ' সীমান্ত মই ঠিকেই কৈছো। তই তাইৰ আশা বাদদে । মই নামৰূপলৈ মোৰ কামত যোৱা নাছিলো। মই জানো তই প্ৰেমৰ ক্ষেত্ৰত বহুতৰ পৰা বেলেগ। সেইবাবেই মই জ্যোতিক লগ কৰিবৰ বাবেই গৈছিলো। তাইক তোৰ কথা সকলো কৈছিলো। কিন্তু তোৰ বহুত দেৰি হৈ গ'ল । তাইৰ এজন ল'ৰাৰ লগত এনগেজমেণ্ট হৈ আছে।

একে উশাহে কথাখিনি কৈ অনুপে এক দীঘল হুমুনিয়াহ কাঢ়ি সীমান্তৰ মুখলৈ চাই ৰ'ল ।

ঃ নাই ! ই হ'ব নোৱাৰে । "মোৰ প্ৰেম কলিতেই মৰহি যাব নোৱাৰে অনুপ" ....... ।

ঃ কিন্তু এইটোৱেই যে সত্য । সত্যক জানো তই অস্বীকাৰ কৰিব পাৰিবি ?

"পৃথিৱীত কিজানি কোনো মানুহ নাই যাৰ প্ৰাণ চঞ্চলতাৰ আঁৰত লুকাই থাকে কোনো এক গোপন উৎস। সেই উৎস হেৰাই গ'লে নিৰ্বাপিত হয় প্ৰাণৰ বন্তি, বিৰাজ কৰে কেৱল শূন্যতা। " শূন্যতাৰো কেতিয়াবা ৰং থাকে তেজৰ ৰং । নিশব্দে কন্দাৰ বাহিৰে সি আন একোৱেই বিচাৰি নাপালে। যিয়েই তাৰ দগ্ধ হৃদয় শাঁত পেলাব পাৰে ।

অনুপেও তাক বহুত বুজালে — "তই জানো এনেকৈ ভাঙি পৰিলে হ'ব। এনে বহুত ছোৱালী তোৰ জীৱনলৈ আহিব।"

'কিন্তু প্ৰেম মানুহৰ জীৱনলৈ এবাৰেই আহে অনুপ'। মই মোৰ প্ৰথম প্ৰেম ইমান যে দুখৰ হব জনা নাছিলো।'

ঃ জীৱনটো খুব আচৰ্য্যজনক সীমান্ত । তাৰ সকলোবোৰ ঋণাত্মক নহয়, এটা ধনাত্মক মনোভাবো অন্তৰ্নিহিত হৈ থাকে ।

সীমান্তই যেন নিজকে প্ৰস্তুত কৰি ললে । সেই ঘটনাৰ পাছৰ পৰা সি কোনোদিনে তাইৰ ফালে মুখ কৰা নাই ।

কেতিয়াবা নিজৰ পৰা পলায়নেই মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে । সি তাকেই সৰোগত কৰি আগবাঢ়ি গ'ল সময়ৰ সোঁতত ।

*"এদিন তোমাৰো ভুল হব পাৰে সময় ;*
*নভবা কথাবোৰে আমনি কৰিব পাৰে ।*
*ভুল থাকেই , আকাশৰো ... সাগৰৰো .. ।*
*অসময়ত ভুল কৰিলা সময়, অসময়ত*
*মোৰ শৈশৱ , মোৰ সপোনৰ যৌবনক বিশ্বাস ঘাটকতা কৰি*
*মহাপাপ কৰিলা সময়, তুমি সততা হেৰুৱালা*
*ভুল কৰিলা তুমি ভুল"*

সীমান্ত সন্দিকৈ।

সেই সীমান্ত এদিন প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগ লৈ স্নাতক ডিগ্ৰী শেষ কৰিলে। অনুপেও তাৰ সমানেই আগবাঢ়ি গ'ল । সময়ৰ সোঁতত এদিন এৰা এৰি হ'ল । অনুপে তাৰ পঢ়া সিমানতে সামৰি দেউতাকৰ সৈতে বিজনেছত মন দিলে। কিন্তু সীমান্তই সি তাৰ গতি ৰুদ্ধ কৰিব নিবিচাৰিলে। সি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা M. A. শেষ কৰি ওলাই আহিল। সেই সীমান্ত আজিৰ এই প্ৰফেচাৰ সীমান্ত গগৈ ।

## পাঁচ

*"মনে মনে ভাল পোৱা*
*ভাবিলে কেনিবা যোৱা*
*কিবাযেন নাই নাই "*

— দুৰ্গেশ্বৰ শৰ্মা

ঃ বাপু ইমান অন্ধাৰত কি কৰি আছা ? গা বেয়া নেকি ? ৰামু কাইৰ মাতত সীমান্তৰ সপোনত যতি পৰিল।

ঃ নাই ৰামুকাই এনেয়ে অলপ সময় পৰি আছিলো।

ঃ বাপু মাজনীয়ে ফোন কৰিছিল অলপ আগতে । তুমি শুই থকা বুলি কোৱাত মাতিবলৈ হাক দিলে।

ঃ সিহঁতৰ ভালনে ৰামুকাই ?

ঃ ভাল বুলিয়েই ক'লে ।

সীমান্তই হাত মুখ ধুই বাৰন্দাৰ চকীখনতে বহিলহি। বাহিৰত তেতিয়া স্নিগ্ধ জোনাক । এনেতে ৰামুকায়ে চাহ একাপ আনি দিলেহি ।

ঃ ৰামুকাই অলপ বহাচোন কথা আছে।

ঃ কোৱা বাপু।

ঃ ৰামুকাই মই বিয়াখন পাতি পেলালে কেনে হয় ?

ঃ বাপু তুমি বিয়া পাতিবা ...... হে ঈশ্বৰ ! তুমি তাক সুমতি দিলা প্ৰভু । সীমান্তই দেখিলে ৰামুকাইৰ দু চকুৰেদি আনন্দৰ চকুলো বৈ আহিছে ।

ঃ বাপু ৰবা মই দেউতাক ফোন এটা কৰি দিও ।

ঃ নালাগে ৰামুকাই এতিয়াই নহয়, সময়ত কম বাৰু।

ঃ কাইলৈ ওলাবা ৰামুকাই , ছোৱালী চাবলৈ যাম। অনুপে মাতি পথিয়াইছে ।

ঃ অনুপ বোপাই ছোৱালী চাইছে যেতিয়া মই নাচালেও হব বাপু ।

ঃ নহয় ৰামুকাই তুমিও ওলাবা ।

ৰাতিপুৱা ৭ টা মান বজাত সীমান্ত আৰু ৰামুকাই ওলাই আহি গাড়ীত বহিলহি । সীমান্তই দেখিলে ৰামুকাইৰ মুখত আনন্দৰ চাপ বিৰাজমান । ই ৰামুকাইক সৰুৰে পৰা পাই আহিছে। তেওঁক দেউতাকৰ দৰেই ভয়, ভক্তি, শ্ৰদ্ধা, মৰম কৰি আহিছে। সেই ৰামুকাইৰ মুখত আনন্দ দেখি তাৰ দেউতাকলৈ মনত পৰিল। সেই সময়ত তাৰ দেউতাকৰ লগতে তাৰ মাক আৰু ভনীয়েকৰ মুখখন তাৰ চকুৰ আগত ভাহি আহিল।

ঃ বলা বোপা।

ঃ ৰামুকাই অহাত সি গাড়ী তেজপুৰ অভিমুখে এৰি দিলে ।

বিয়লি প্ৰায় দুই মান বজাত সিহঁত তেজপুৰ পালেহি। তাত কেইপদমান সামগ্ৰী কিনি অনুপে চিঠিত লিখামতেই তাৰ ঘৰটো বিচাৰি ওলালে।

সি দেখিলে ঘৰৰ বাৰন্দতা অনুপে বাতৰি কাকত পঢ়ি আছে। সি গাড়ীৰ হৰ্ণটো বজাই দিয়াত অনুপ উঠি আহিল।

ঃ ঐ গেট খোল, এনেকৈ কি চাই আছ ?

সি গাড়ীখন ভিতৰত সোমোৱাই থৈ নামি আহি অনুপক সাবতি ধৰিলে ।

ঃ ৰামুকাই কেনে আছা ? অনুপে সুধিলে ।

ঃ ভাল বোপা । তোমাৰ ভালনে ?

ঃ ভাল , ভাল ৰামুকাই চব ভাল ।

অনুপে তেওঁলোকক ভিতৰলৈ লৈ গ'ল । তই বহ মই মিতাক খবৰ দিও । মিতা .... মিতা ... বুলি চিঞৰি অনুপ ভিতৰলৈ গ'ল ।

ঃ বাহ ! বহুদিনৰ মূৰত মনত পৰিল নহয় !! আমি পাহৰিলা বুলিয়েই ভাবিছিলো।

ঃ ভাল নবৌ ?

ঃ ও ভালেই । ৰামুকাই তোমাৰ ভালনে । এইবুলি মিতাই তেওঁক সেৱা কৰিলে ।

ঃ হব হব আই !

তোমালোক অলপ বহা । মই জলপান কৰোগৈ। মিতা ভিতৰলৈ সোমাই গ'ল । সীমান্ত বাহিৰলৈ আহি গাড়ীৰ পৰা বস্তুবোৰ নমালে । ঐ অনুপ এই কেইটাধৰ । এইবোৰ কি আনিছ? অনুপে সুধিলে। তহঁতৰ বাবে আনিছো ।

ঃ আংকল কেতিয়া আহিলা ?

ঃ বাঃ বহুত ডাঙৰ হ'ল আমাৰ মাজনী । তুমি ক'ত আছিলা ?

ঃ খেলি আছিলো । আংকল মোৰ বাবে কি আনিছা?

ঃ বহুত বস্তু আনিছো । ব'লা ভিতৰলৈ ব'লা।

ঃ ৰামুকাই তুমিও আহিছা ! তোমাৰ লগত খেলিমদেই!

ঃ অ' মাজনি ! বহুত ডাঙৰ হ'লা ।

সকলোৱে জলপান খালে , হাঁহি মাতি। অনুপে সীমান্ত আৰু ৰামুকাইক জিৰাবলৈ ক'লে ।

ঃ নাই অ' ভাগৰ লগা নাই । ব'ল অলপ ওলাই যাও।

ঃ ব'ল তেন্তে ।

সিহঁত দুয়ো গাড়ীলৈ টাউনৰ ফালে ওলাই গ'ল । সিহঁত অলপ সময় বজাৰ কৰি ৰেষ্টুৰাখনত বহিলগৈ। দুকাপ কফিৰ অৰ্ডাৰ দি সীমান্তই ক'লে --

কচোন এতিয়া মোক মাতি পঠিওৱাৰ কাৰণবোৰ।

ঃ চা সীমান্ত বয়সটো ৰৈ নাথাকে । গতিকে বিয়াখন পাতি পেলা ।

ঃ জানো সেইবাবেইটো আহিছো । পিছে ছোৱালী কোন? ঘৰ ক'ত ?

ঃ ছোৱালীৰ চিন্তা বাদ দে । তই হয়তো চিনি পাবি??

ঃ মই চিনি পাওঁ ! সীমান্ত আচৰিত হ'ল ।

ঃ এতিয়াই নকও । কালিলৈ তই নিজেই বুজিবি।

বহু সময় ধৰি বহু কথা পাতিলে সিহঁতে । তেতিয়া সাত বাজিছিল । ব'ল সীমান্ত যাওঁ । দুয়োটা উঠি গ'ল ।

ৰাতিপুৱা সকলোকে সাজু হ'বলৈ কৈ অনুপে সীমান্তক একাষৰিয়াকৈ মাতি নি ক'লে চা সীমান্ত সকলোবোৰ তোৰ হাতত। মই আশা কৰিছো তই হয়তো ভাবি চিন্তিয়েই কামবোৰ কৰিবি । সীমান্তই অনুপক সকলোধৰণৰ আশ্বাস দিলে।

অলপ পিছত সকলোবোৰ হাঁহি মাতি গাড়ীত বহিলহি।

ঃ আংকল আমি আণ্টিক চাবলৈ যাম নহয় ?

ঃ অ' চুমন, আণ্টিক চাবলৈ যাও ! তোমাৰ কেনে লাগে কবা দেই । হাঃ হাঃ ... সকলোৱে হাঁহি দিলে।

ঃ অনুপ ছোৱালীৰ ঘৰত কোন কেনেকৈ আছে ? ৰামুকাই সুধিলে ।

ঃ ইয়াত তাই অকলে থাকে । মাক দেউতাক ঘৰত থাকে। ওচৰৰে কলেজ এখনত অধ্যাপিকা কৰে।

ঃ তাইৰ অতীতটো তোৰ দৰে একেই সীমান্ত । কলেজত পঢ়ি থকা দিনতে তাইৰ এংগেজ হৈছিল এজন ইঞ্জিনিয়াৰৰ সৈতে । কিন্তু বিয়ালৈ প্ৰায় দহ দিনমান বাকী থাকোতে তেওঁৰ কাৰ এক্সিডেণ্টত মৃত্যু হৈছিল । সেই বাবেই তাই আজি পৰ্য্যন্ত তেনেকৈয়ে থাকি গ'ল ।

ঃ চ' চেড । সীমান্তই ক'লে । তাই বিয়াৰ বাবে ৰাজি হৈছে .... ?

ঃ ও কেৱল মাত্ৰ তোক চাব বিচাৰে ।

এই সীমান্ত সেই চাৰিআলিটোৰ সোঁফালে ঘূৰিবি। তাৰ পাচৰ পাঁচ নম্বৰ ঘৰটোৱেই আমাৰ গন্তব্য স্থান ।

○ ○ ○

টিং টিং ... টিং টিং

ঃ কাক বিচাৰিছে ?

ঃ বাইদেউ আছেনে ?

ঃ আহ ক আছে ... । আপোনালোক বহক মই মাতি দিছো ।

ঃ আণ্টি, আণ্টি .... চুমন তাইৰ পিছে পিছে সোমাই গ'ল ।

সীমান্ত তলমূৰ কৰি বহি থাকিল ।

ঃ দাদা, তোমালোক আহিলা

ঃ অ' আহিলো । কিবা কামত লাগি আছিলা ছাগে ।

ঃ নাই এনেয়ে .....

"মনা এয়া মোৰ বন্ধু সীমান্ত গগৈ । আৰু সীমান্ত এইয়া ... মনা । " অনুপে দুয়োকে চিনাকি কৰাই দিলে ।


সীমান্তই হাতযোৰ কৰি থিয় হৈ তাইৰ মুখলৈ চাই সি কঁপি উঠিল। তাৰ এনে লাগিল যেন বুকুৰ ভিতৰত ক'ৰবাত যেন এটা ক্ষুদ্ৰ বিস্ফোৰণ হে হৈছে ।

জ্যোতি ...... তুমি ..... ?? তাৰ মুখেৰে অকস্মাত ওলাই আহিল ।

সেই সময়ত পৃথিৱীৰ আটাইতকৈ স্তব্ধ মুহূৰ্ত্তো তাৰ ওচৰত ওলমি আছিল । □

বিঃ দ্রঃ ওপৰত উল্লেখিত কবিতাৰ পংক্তি বিলাক কিতাপৰ সহায় লোৱা হৈছে ।






আবেগ, অনুভৱৰ বহল মজিয়াত কবিতাৰ জন্ম । বাস্তৱ আৰু কল্পনাৰ মাজৰ উপলব্ধিৰ সেতুঁত কবিতাৰ স্বাধীন স্থিতি । কবিতা জীৱনৰ পথাৰত চিন্তাৰ পুৰঠ প্ৰকাশ, মগজু কপাঁই একোটা তীক্ষ্ণ শীতল প্ৰশ্ন । জাতি ধৰ্ম, বৰ্ণ ভাষা নিৰ্বিশেষে আদিম যুগৰে পৰা প্ৰবাহিত হৈ আহিছে কবিতাৰ বিমল ধাৰা । বিভিন্ন জনৰ হাঁহি কান্দোনৰ দৰে কবিতা অভিন্ন , যি গোটেই পৃথিৱীতে শিলৰ ৰেখাৰ দৰে আঁকি দিছে মহান অস্তিত্ব, বিশাল বুকুৰে যি সমতি লৈছে বিশ্বৰ চুকে কোণে বিয়পি থকা মানুহৰ মনৰ পৰিধি ।

— জনাৰ্দন গোস্বামী ( তেজ আৰু চকুলোৰে)

# ৰৌদ্ৰ দগ্ধ আকাশৰ তলত

শ্ৰীমতী ৰবী গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক (অসমীয়া বিভাগ)

ৰৌদ্ৰ দগ্ধ আকাশৰ তলত
মাতৃহাৰা ল'ৰামখাৰ শাওনীয়া আশাবোৰ
এতিয়া পথাৰজুৰি পৰি আছে
কণ কণ কঠিয়াকেইডালিত।

সিহঁতেই কিজানি বুজি পায়
দৰিদ্ৰ কৃষকৰ পেটত
কি ভাষা লিখা আছে,
বুজিপায় মাকলৈ চাই থকা
ল'ৰাহঁতৰ মুখৰ ভাষা ..... ।

সেয়েহে সিহঁত
ভাদৰ বানত কঁকাল ভাগিও
সজাল ধৰে আহিনত।
কাতিৰ বতাহে
দলিচা পাৰি শুৱাই থ'লেও
বেদনাৰে বৈ যায়
গেৰেলি ধানৰ বোজা।

সিহঁতে জানে
কাকতি ফৰিং আৰু মহাজনহঁত কোন
সেয়েহে হ'বলা
আঘোনৰ পথাৰে সিহঁতৰ সোণগুটি গাত
দুকাষে পিন্ধাই দিয়ে দুখন
গৰুণ পখীৰ তীক্ষ্ণ তৰোৱাল। •••

# প্ৰতীক্ষা

শ্ৰীমতী অঞ্জনা গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক
(অসমীয়া বিভাগ)

কাতিৰ নিয়ৰসিক্ত এটি পুৱাত
চাৰিওদিশে ধূসৰিত পথাৰ,
সেউজ ধানৰ থোকটিয়ে
কুঁহি মেলিছে
নৱজাত শিশুটোৰ দৰেই।
মোৰ মন দাপোণত
কোন তাই ?
বুকুত নীলা বেদনাৰ মণি
চকুত অনলৰ দাবানল।
তথাপি,
তাইৰ চকুত ক্ৰোধ নাই
আছে সাগৰৰ ধৈৰ্য্য।
মোলৈ চাই ৰৈছে
একেথৰে
শেতাঁ হাঁহি মাৰি
মোক চিনি পোৱাৰ
অদম্য প্ৰতীক্ষাত। •••

# মতিভ্ৰম

শ্ৰী বিশ্বজিৎ গঁগৈ
প্ৰাক্তন ছাত্ৰ

মই নোৱাৰিলোঁ, দুহাত মেলিও
নাপালোঁ ঢুকি
স্বচ্ছলতাক,
তুমি ছাগে ভাবিছা ,
অভিভূত হৈছা
সুখবোৰক স্পৰ্শ
কৰাৰ আনন্দত ।
ক্ষন্তেকীয়া ৰংবোৰ মিছাতেই
নিজৰ গাত কিয় (?)
সানি লৈছা ,
পাৰিবা জানো কৃত্ৰিম প্ৰেমেৰে
বন্দী কৰি থব
ৰংবোৰক ।
পাহৰাৰ চেষ্টা কিয় কৰিছা
অতীতৰ প্ৰতিশ্ৰুতিবোৰক
আৰু নিষ্ঠুৰ ভৱিষ্যতটোক,
নিষ্ঠুৰতাবোৰক বশ কৰাটো জানো
ইমান সহজ
তোমাৰ বাবে ।
কেতিয়াবা মৰুভূমি দেখিছানে (?)
সেইযে বালিময়,
মৰীচিকা পূৰ্ণ,
মোৰ বোধেৰে তুমিও নিজকে
পথভ্ৰষ্ট পথিক সজাইছা
তোমাৰেই অজানিতে । •••

# " The Voice of God "

*Nobiur- Rohman Borah*
T. D. C. 1st Year (Arts)

*I bent again upto the ground,*
*And I heard the quiet sound*
*Which the geasses make when they,*
*Come up laughing from the clay.*
*We are the Voice of God ! they said:*
*There upon I bent my head*
*Down again that I might see*
*If they truly spoke to me.*
*But , around me, everywhere*
*Grass and tree, and mountain were*
*Thundering in mighty glee,*
*We are the Voice of Deity !*
*And I leapt from where I lay :*
*I danced upon the laughing clay ;*
*And, to the rock that sang beside,*
*We are the voice of God ! I cried.*



# 'প্ৰতিচ্ছবি'

পূৰবী শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

এইয়া মোৰ হৃদয় কেনভাচত
তোমাৰ ছবিখন আঁকি লৈছো
কৃষ্ণচূড়াৰ তলত প্ৰথম দেখাৰ।

তোমাৰ অবুজ চাৱনিৰ চকু যুৰিত
বহু কষ্টেৰে তুলিকাৰ বোল দিছো।
মনত পৰেনে তোমাৰ
প্ৰথম চিনাকিৰ সেই দিনটো?


তোমাৰ প্ৰতিশ্ৰুতিয়ে
মোৰ হৃদয়ৰ দলিচাত
ৰঙা গোলাপৰ পাহি
চটিয়াই দিছিল।
এটা সেউজীয়া আভাই
তোমাক আৰু মোক যে
চিৰসেউজীয়া কৰি তুলিছিল।
তোমাৰ বাৰু মনত পৰেনে

সেউজীয়া সপোন ৰচি
আমাৰ স্বপ্নবিষ্ট মন
চাপলি মেলিছিল দূৰ দিগন্তলৈ।

এদিন তুমি গুচি যাবা
তোমাৰ বাটেৰে
স্মৃতিবোৰ তেতিয়া চিৰসেউজ বহাগ হব ।
নিয়ৰ সিক্ত সেমেকা ৰাতিয়ে
হয়তো তোমাকেই সোঁৱৰাই দিব ।

কিন্তু হেজাৰ স্বপ্নেৰে আলোকিত কৰা
মোৰ এই হৃদয় আজি তোমাৰ অবৰ্তমানত
উকা হৈ ৰ'ব ।

আজি মোৰ সকলো আছে
বিশাল আকাশত জোনটোৰো লগৰী আছে
কিন্তু নাই তুমি !



# মানুহৰ ছবি

যোগেশ্বৰ সোণোৱাল
প্ৰাক্তন ছাত্ৰ

মানৱতাৰ এতিয়া মৃত্যু ঘটিছে
পৃথিৱীৰ শ্ৰেষ্ঠ জীৱ মানুহ
এতিয়া উশৃংখল সামাধিষ্ট নৈতিকতা
এতিয়া পক্ষীৰ কাকলি ত ৰাতি নোপুৱায়
পুৱায় বাৰুদৰ শব্দত।
পুৱাৰ সমীৰে কঢ়িয়াই নানে ইয়ালৈ
শেৱালিৰ সুবাস, ফাগুনৰ পচোৱায়ো
শাঁত নেপেলায় মানুহৰ বুকু
আজি সকলোতে শঙ্কা
সকলোতে কেঁচা তেজ আৰু পোৰামঙহৰ গোন্ধ।
প্ৰতি পলে পলে থমকি ৰয়
মানুহৰ প্ৰতি মানুহৰ প্ৰেমৰ নিজৰা।
স্বাৰ্থ আজি সকলোৰে বাবে সুচল বাট
কামনাৰ দাবানতল জ্বলে,
দয়া-মমতা, প্ৰেম-ভালপোৱা,
ভদ্ৰ হৈ, সাধু হৈ কোনেও বাচি থাকিব নোখোজে
মানুহ আজি ধনৰে পণ্য।
এয়ে হয়তো কুৰি শতিকাৰ মন্ত্ৰ
ধৰ্ষিতা হয় বাই-ভনীবোৰ
বিস্মৃতিত বিলিন হয় ইতিহাস
দেশতকৈ মোমাই ডাঙৰ হয় প্ৰতিজন মোমাই
ফু-মাৰি উৰি যায় দেশৰ দায়িত্ব
এতিয়া মোৰ দেশত মোমায়েই মহাৰজা
দেশখন ভৰিৰ তল ত
মৃত্যুৰ ফাকু খেলি প্ৰিয়জন-স্বজন এতিয়া হেতালিৰ গুটি।

# শৰতৰ আগমন

মিনাক্ষী কটকী
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

শৰতৰ তেজোদীপ্ত এটি
দিগন্ত বিয়পা আবেলিৰ বুকুত
হেৰাই গ'লো মই ।
আৰু,
হেৰাই গ'ল মোৰ জীৱনৰ
আন্ধাৰৰ বিষাদ কালিমা।
উন্মুক্ত নয়নেৰে; সন্ত্ৰস্ত গতিৰে
চাই ৰ'লো মই
আবেলিৰ সৌন্দৰ্য্য।
কিন্তু,
হেঙুল জ্যোতিময় আবেলিটো
নিমিষতে হেৰাই গ'ল
সন্ধিয়াৰ বুকুত।
হেঙুল কিৰণবোৰ এতিয়া আঁতৰি গ'ল ;
ছাতি ধৰিলেহি আন্ধাৰৰ আৱৰণে।
এতিয়া,
দুৰৰিৰ আঁৰে আঁৰে
এমুঠি খৰিংখুটা জোনাকৰ
মাথো পয়োভৰ।
জোনাকৰ জোনালীত
তিৰবিৰাই জ্বলি উঠিছে
বেদনাসিক্ত নিয়ৰৰ এটি কণা।
আৰু,
দুৰৰিৰ দলিচাত শুই পৰিছে
কণমানি এটি শেৱালীৰ পাহি।
স্নিগ্ধ সুবাসিত মলয়াজাকে
কৈ যায় কাণে কাণে
এইয়া শৰতৰ আগমন।
মোৰ জীৱনৰ আঁহে - আঁহে,
কল্লোলিত যৌৱনৰ কোঁহে-কোঁহে
বৈ যায় এক অজান শিহৰন।
আঃ
শৰতৰ কি মিঠা স্পন্দন !



# আগবাঢ়, আগবাঢ়

শ্ৰী উজ্জ্বল ফুকন
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

হে মোৰ দেশৰ সন্তান
মোৰ দুখুনী আইৰ চোতালত
কিনো খেলা খেল তই ?
ভাতৃ শোণিতেৰে ৰাঙলী কৰি
ধৰিত্ৰী মোৰ
মানৱ হৈও খেল দানৱী খেল
পাতিব খুজিছ মৃত্যুৰ বেহা।
লাঞ্ছিত আজি লাচিতৰ নাতিনী
সুলকি পৰিল ক'ত
নাতিৰ কৰ্কালৰ টঙালি ?
সমুখতে ক'ত বিধৱা হ'ল
মাতৃৰ আঁচল শোণিতেৰে বোৱাই
ডেকা দেহ উৰলি গ'ল
তাৰো জানো বুজ নলবি তই ?
আহচোন আহ্
আকৌ এবাৰ ওলাই আহ
বীৰসাজে লাচিতৰ
বুকুডাঠ, উচ্চ শিৰে
দুৰাচাৰীক কৰো বধ
গাওঁ সমস্বৰে
জয় জননী, জয় মাতৃৰ
আগবাঢ়, আগবাঢ় । ●●●

# আমাৰ জন্মভূমি

বিজন্ত বৰা
স্নাতক তৃতীয় বৰ্ষ (উদ্ভিদ বিদ্যা বিভাগ)

মোৰ জন্মভূমি, অ' মোৰ আই অসমী
তোৰ বাবেই জীয়াই থাকো
আৰু বাৰে বাৰে অন্ত সত্বা হওঁ
ধাৰণ কৰো মোৰ অগ্নি -গৰ্ভত
নৱসৃষ্টিৰ এটা নতুন সূৰ্য্য
আন্ধাৰতে সাচোঁ এটা নতুন দিন।
আই,
তোৰ বাবেই মই আজিও
সিহঁতে পতা শিয়ালৰ সভাবোৰলৈ
যোৱা নাই ;
শুনা নাই সিহঁতৰ মুখে ৰচা
স্বদেশপ্ৰেমৰ কথাবোৰ।
মোৰ এই বিপন্ন অৱস্থাত
বঞ্চিত, লাঞ্চিত সকলোই
বুকুৰ আপোন।
সিহঁতে মাতিলেই আজিও মই
উতলা হৈ ওলাই আহোঁ, আহ্ বুলিলেই।
বোৱাই দিব খোজো এজাক বতাহ
মোৰ দেশৰ সেউজীয়া গছৰ ওপৰেৰে।
অ' মোৰ আই,
তোৰ বাবেই এনেদৰে
বাৰে বাৰে জীয়াই থাকো
অন্তঃ সত্বা হওঁ,
ধাৰণ কৰো গৰ্ভত এটা নতুন প্ৰহৰ । ●●●

# ডাৱৰে আৱৰা বিষাদত

নিজুমণি চাংমাই
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

ডাৱৰে আৱৰা এখন বিশাল
অন্ধকাৰছন্ন আকাশৰ তলত
দুহাতেৰে আকোৱালী ল'লো
এটা বন্দী জীৱন।
ইয়াত মাথো দানৱী নিশাৰ প্ৰলয় নামে,
বুকুৰেদি সৰকি যায় এপাত বৰ্শা
প্ৰতিহিংসাৰ ।
এতিয়া ইয়াত ভাই বুলি ভনী বুলি
তোমাৰে মোৰে কোনো সম্বন্ধ নাই ।
হৃদয়ৰ সেই অচিন শব্দবোৰ
সিদিনাযে তুমি মোৰ হাতত
গুজি দিছিলা, এথোপা ফুলৰ দৰে
সেইবোৰ এতিয়া হাতৰ মুঠিতে শুকাল
লুইতৰ পাৰৰ এজাক অচিনাকী বতাহে
লৈ যায় উটাই বুৰাই কোনো এক
অচিন পৃথিৱীলৈ, শুকান পাহিবোৰ। •••

# বসন্ত

শ্ৰী লোহিত গগৈ
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

যেতিয়া বসন্ত আহে
তেতিয়া হাঁহি উঠে তাইৰ
কঁপি থকা ৰক্তিম ওঠদুটি।
উদং বুকুখনিত প্ৰেমৰ জোৱাৰ উঠে,
সংগোপনে হৃদয়ৰ এটি কোণত
আনন্দত সপোন ৰচে ।
তেতিয়া নাচি উঠে তাইৰ
সুকোমল সুন্দৰ দেহা
প্ৰকৃতিৰ নয়নাভিৰাম
ৰাঙলী পলাশ ফুলজুপি,
প্ৰকৃতিজনীৰ উলংগ দেহাত
পিন্ধে তাই সেউজী বসন,
কুলি কেতেকীৰ সুমধুৰ সুৰে
তোলে এটি মধুৰ শিহৰণ।
কৃষকৰ কেঁচা ঘামে,
ধৰণীক জীপাল কৰি ৰাখে;
কেতেকী , সুৱাগীহঁতৰ
বুটা বচা গামোচাবোৰে বৈ থাকে
আঁহতৰ তলত বিহুমৰা বিহুৱালৈ।
বাউলী হৈ উঠে বৰদৈচিলাজনী
প্ৰেমিকৰ বিৰহত আতুৰ হৈ !
বসন্ত, তুমি জানো আহিবা? •••



# নতুনৰ অপেক্ষাত

মূলঃ ইংৰাজ কবি জন ডান
অনুবাদ

মানসী ৰাজখোৱা
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)

এডাল কম্পাছ দিয়া মোক
কেন্দ্ৰবিন্দুটো আছে
এটা বৃত্ত সাজো।
য'ত সূৰ্য্যইও কক্ষপথচ্যুত হৈ ঘূৰিব,
জোনবাইয়ে মিচিকিয়াই হাঁহিব,
বৈ যাব, সামুদ্ৰিক বতাহজাক
তোমাক আৰু মোক চাই চাই।
গছবোৰলৈ অলপ ৰ'লাগি চোৱাচোন !
পাতবোৰ হালধীয়া হৈছে
সৰিছে,
আকৌ কুঁহিপাত মেলিছে
সেউজীয়া হৈছে।
ইমান তীব্ৰ পোহৰ
খিড়িকীখন বন্ধ কৰি দিয়া
চকুদুটা মুদ খাই যাব।
অ' মোৰ ডিঙিৰ নেক্‌লেচডাল,
মণিবেগৰ ইলাচী-ডালচেনীকেইটা
দেখোন নাই !
হৰিকাইহঁত ঘৰলৈ গ'ল,
যোৱাচোন আনাগৈ
ড্ৰেচিংটেবুলতে টৰ্চটো আছে
পোহৰত কিজানিবা নেক্‌লেচডাল জিলিকেই।
অস্ নালাগে , মনত পৰিছে
সেইদিনাযে দৰ দাম কৰিছিলো
এডাল কম্পাছ দিয়া মোক
এটা বৃত্ত সাজো । •••

# ছাত্ৰ একতা সভাৰ হৈ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

অপাৰ জ্ঞান সাগৰত এধানি পোহৰ সন্ধানত মিলন তীৰ্থৰ সোণাৰি মহাবিদ্যালয়ৰ ইতিহাসৰ বুকুত দীপ্ত মানিক। এই শুভক্ষণৰ পবিত্ৰ মুহূৰ্ত্তত যি সকল বীৰ-বীৰঙ্গনাই নিজৰ দেহকো তুষ্ট ভাবি দেশৰ হকে প্ৰাণ আহুতি দিলে লগতে পুণ্য তীৰ্থ স্থাপন কৰোতা মনীষিসকলৰ ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাক সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাৰম্ভানিতে শ্ৰদ্ধাৰে সুঁৱাৰা লগতে অশ্ৰুঞ্জলী যাচিছো ।

বিভিন্ন ভাষিক আৰু জনগোষ্টিৰ ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ আমাৰ এই সোণাৰি মহাবিদ্যালয়। চৰাইদেউ মহকুমাৰ ভিতৰত বৌদ্ধিক চিন্তাচৰ্চ্চা তথা উচ্চ শিক্ষাৰ একমাত্ৰ কেন্দ্ৰস্থল বুলি ক'লেও বঢ়াই কোৱা নহয় ।এই জ্ঞানৰ সাগৰত লুকাই আছে বহুজনৰ জীৱনৰ ইতিহাস আৰু ভবিষ্যত জীৱন ।

সময়ৰ বেগীঘোঁৰাক প্ৰত্যাহ্বান জনোৱাৰ সাহস কাৰো নাই । সেইবাবেই নিৰলস গতিযুক্ত সময়ৰ আহবানতেই বিবেকশীল মানবে আহ্বান উপেক্ষা নকৰি সময়ৰ স্বাগত জনাই সন্ধানত ভ্ৰমি ফুৰে, ফলত অভিজ্ঞতাৰ আধাৰত প্ৰকাশিত আৰু গৃহীত হয় জ্ঞান।

এই মহাবিদ্যালয়লৈ আজিৰ পৰা একুৰি আঠ বছৰে জ্ঞান সন্ধানী সোণসেৰীয়া পথেৰে চামে চামে আহি আছে। আৰু আহি থাকিব আলোক সন্ধানী দল। সেইবাবে মহাবিদ্যালয়ৰ পৰম্পৰাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯৮- ৯৯ চনৰ ছাত্ৰ একতা সভাৰ মুখ্য দায়িত্ব এই অভাজনৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচনৰ জৰিয়তে অৰ্পণ কৰে। এই নেতৃত্বৰ গুৰি ধৰাৰ প্ৰাক্মুহূৰ্ত্তত দৃঢ়তা আত্মবিশ্বাস আগত ৰাখি ব্ৰতি হৈছিলো। অপৈনত অভিজ্ঞতাৰ পৰিপেক্ষীতত কাৰ্য্যক্ষেত্ৰত কিমান কিমান দূৰ সফল হৈছিল সেইটো আপোনালোকৰ বিবেচনাৰ বিষয় । বিভিন্ন সময়ত মহাবিদ্যালয়ৰ বন্ধু-বান্ধবী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহায় সহযোগিতা আৰু দিহা পৰামৰ্শৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো । ক্ষুদ্ৰ জ্ঞান আৰু সীমিত অভিজ্ঞতাৰ বাবে বিভিন্ন সময়ত অনিচ্ছাকৃত ভুল ক্ৰটীৰে ক্ষমা প্ৰাৰ্থনা কৰজোৰে নিবেদন জনাই প্ৰতিবেদন আৰম্ভ কৰিবলৈ লৈছো ।

১) মই মহাবিদ্যায়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই প্ৰথমে শৈক্ষিক পৰিবেশৰ আৰু একক সাজ-পোছাকৰ লগতে শ্ৰেণী সমূহ নিয়মীয়া কৰাৰ ব্যৱস্থা হাতত লৈছিলো ।
২) মোৰ কাৰ্য্যকালতে পুথিভঁৰাল উন্নতি কৰণৰ লগতে পাঠ্যপুথি যোগানৰ সু-ব্যৱস্থা কৰা হৈছিল ।
৩) ছাত্ৰ জিৰণি চ'ৰাৰ উন্নত কৰা হয় ।
৪) ছাত্ৰাবাসৰো মেৰামতি কৰা হয় ।
৫) মোৰ কাৰ্য্যকালৰ দিনতে প্ৰাক্তন সাংসদ ভদ্ৰেশ্বৰ গোহাঁইদেৱে বিজ্ঞানাগাৰৰ দুটা কোঠা তেওঁৰ সাংসদ পূজিৰ পৰা আৱণ্টত দিয়াৰ লগতে উন্মোচন কৰে।
৬) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া কিতাপ যোগান ধৰা হৈছিল ।
৭) মহাবিদ্যালয়ৰ পানী-যোগান আচনি ইতিমধ্যে আৰম্ভ কৰা হৈছে ।
৮) মোৰ কাৰ্য্যকালতেই শ্বহীদ বেদী উন্মোচন কৰি মহাবিদ্যালয়ৰ বহুদিনীয়া অভাৱ পূৰণ কৰা হয় ।



বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ থকা আমাৰ মহাবিদ্যালয়খনৰ এই সমস্যাসমূহ আশুসমাধানৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আহিছো । তথাপিও কিছুমান তথাপিও কিছুমান সমস্যা আমাৰ কাৰ্য্যকালৰ সময় ছোৱাত সমাধান নহ'ল। বা আধাৰুৱা হ'ল। সেয়ে এই সমস্যাসমূহ সমাধানৰ বাবে কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আগন্তুক একতা সভালৈ আহবান জনালো । এই আধাৰুৱা কামবিলাক হ'ল ।

১) স্থায়ী ভাবে এটা ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় নিৰ্মাণ ।
২) মহাবিদ্যালয়ৰ চৌহদত কাটাতাঁৰৰ ব্যবস্থা কৰা ।
৩) এখন কেন্‌টিনৰ ব্যৱস্থা কৰা ।
৪) মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস বিশেষকৈ ছাত্ৰাবাসটো উন্নতি কৰিব লগা আছে ।
৫) ছাত্ৰী নিবাসৰ চাৰিওফালে দেৱাল দিয়াৰ ব্যৱস্থা কৰিব লাগে ।
৬) মহাবিদ্যালয়ৰ বিজ্ঞানাগাৰৰ পিছফালে থকা কচাইখানাটো অতি শীঘ্ৰে স্থানান্তৰকৰণ ।
৭) মহাবিদ্যালয়ৰ খেলপথাৰ উন্নতকৰণ ।
৮) মহাবিদ্যালয়ত ক্ৰীড়াৰ সা-সামগ্ৰীসমূহ বৃদ্ধি কৰিব লাগে ।

উপৰোক্ত দাবীসমূহ পৰম্পৰাগত ভাবেই উত্থাপন কৰি অহা পৰিলক্ষিত হৈছে । কিন্তু কৰ্তৃপক্ষৰ হেমাহি বা অন্য কিবা কাৰণে স্থায়ী সমাধান হোৱা নাই । গতিকে এই সমস্যা অচিৰেই সমাধান কৰিব বুলি মই আশা কৰিছো ।

আমাৰ ছাত্ৰ একতা সভাৰ ভাতৃত্ব বোধৰ সকলো বিলাক কাম কাজ কৰিছিলো । দাঁত দুপাৰিৰ মাজত জিভাখন কামুৰি পোৱাৰ দৰে কেতিয়াবা কিছুমান কামত কিছু বেমেজালি আহি পৰিছিল । তথাপিতো পিছলৈ সকলো বেমেজালি আতঁৰিল । মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী আমাৰ একতা সভাৰ সদস্য সকলক আৰু ছাত্ৰ-ছাত্ৰী সহায় সহযোগিতাক মই কৃতজ্ঞতা জ্ঞাপন কৰিছো । মোৰ এই কাৰ্য্যকালত বিভিন্ন ধৰণে সহায় সহযোগ কৰাত বিশেষকৈ বিতু সোণোৱাল , ৰাজীৱ পুৰি, উৎপল শেনছোৱা, নৃপেন গোঁহাই, ভূ বন নেওগ , বিশ্বজিৎ গগৈ, বিপুল গগৈ, দেৱজিৎ লাহন, ৰভিজিৎ ফুকন, শুভ্ৰজিৎ সোণোৱাল, সিদ্ধাৰ্থ দত্ত, নিপুল শইকীয়া, অসীম ৰঞ্জন ফুকন, জিতু গগৈ, নলিন গগৈ , মনোজ চেতিয়া, প্ৰতাপ টিপমিয়া, ৰাজলক্ষী গগৈ, ভাই মুন চন্দন, বান্ধবী কৰবী পাচনি, কবিতা ফুকন, বৰ্ণালী ফুকন, ৰূপশ্ৰী বৰা, ববী গগৈ, মিনাক্ষী বৰা, ভণ্টী দিপাঞ্জলী গগৈ, দিপজ্যোতি সোনোৱাল, জিতেন সোনোৱাল আদি বহুতো বন্ধু-বান্ধবীৰ ওচৰত চিৰ ঋণী হৈ ৰ'ম ।

সামৰণি ঃ- বিজ্ঞান আৰু কলা দুয়োটা বিষয়তে সোণাৰি সন্মানীয় বিষয় সমূহ এখনি পূণাঙ্গ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে যদি বিভিন্ন সমস্যাৰে জৰ্জৰিত। এই সমস্যা বিলাক আচিৰে সমাধান হ'ব বুলি মই আশা কৰিছো । অজানিতে বৈ যোৱা ক্ৰটী-বিচ্যুতি বাবে ছাত্ৰ একতা সভাৰ হৈ মই সম্পাদকৰ মেজৰ পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছো ।

জয়তু সোণাৰি মহাবিদ্যালয়
ছাত্ৰ একতা সভা

*শ্ৰী গিৰীশ গগৈ*
সাধাৰণ সম্পাদক

"God gave every people a cup, a cup of clay and from this cup they drank their life. They all dripped in the water, but their cups were differents our cups is broken now. It has passed away."— *Rath Benedict.*

"Everymen is in some aspects'
Like all other men ;
Like some other men ;
Like no other men.— *Clyde Kluckhohn.*

"A person who has no foe and realise it, has no future' — *Ben Johnson.*

"Affication teacheth a wicked person sometimes to pray; prosperity never.' — *Ben Johnson*

"A graceful taunt is worth a thousand insults."— *Louies Nizer.*

"Of all the ridey that we hungs, of all the pleasures we enjoys, we can carry no more out of this world than out of a dream."— *James Bonnell.*

"He who can conceal his joys is greater than he who can hide his griefs."— *Johann Kasper Lavater.*


## সোণাৰি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকল ঃ



শ্ৰীযুত সুৰেশ দাস
সভাপতি



শ্ৰীবিতু সোনোৱাল
উপসভাপতি




শ্ৰী গিৰিন গগৈ
সাধাৰণ সম্পাদক




শ্ৰী বিশ্বজিৎ গগৈ
আলোচনী সম্পাদক




শ্ৰী শুভ্ৰজিৎ সোনোৱাল
সহকাৰী সম্পাদক




শ্ৰী নিপেন বৰগোঁহাই
লঘু খেল বিভাগৰ সম্পাদক



শ্ৰী বিদ্যুৎ বুঢ়াগোঁহাই
গুৰু খেল বিভাগৰ সম্পাদক



শ্ৰী ৰুবুল গগৈ
সংগীত সম্পাদক



শ্ৰী ৰাজীৱ পুৰী
তর্ক সম্পাদক



শ্ৰী দীপজ্যোতি সোনোৱাল
সাংস্কৃতিক সম্পাদক




শ্ৰী পৰাগ দত্ত
শৰীৰ চর্চা সম্পাদক



শ্ৰীভুৱন নেওগ
সাহিত্য সম্পাদক



শ্ৰী চন্দন বৰগোঁহাই
সমাজসেৱা সম্পাদক



শ্ৰী বলিন চাংমাই
ছাত্ৰ জিৰণি চ'ৰা সম্পাদক



শ্ৰী মতী দিপাঞ্জলী গগৈ
ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা

## সম্পাদনা সমিতি



শ্ৰীযুতা ৰতিপ্ৰভা গগৈ - উপদেষ্টা



শ্ৰীযুত সুৰেশ দাস -- সভাপতি



শ্ৰীযুতা দিপাঞ্জলী গগৈ - উপদেষ্টা



শ্ৰী গিৰিণ গগৈ - সদস্য




শ্ৰী বিশ্বজিৎ গগৈ - সম্পাদক




শ্ৰী বিপুল গগৈ - সদস্য



শ্ৰী নলীন গগৈ -সদস্য



শ্ৰী দীপজ্যোতি বৰা - সদস্য




শ্ৰী দেবজিৎ লাহন - সদস্য




শ্ৰী মতী জ্যোতি ৰেখা গগৈ - সদস্যা


# প্ৰতিভাৰ চিনাকি



**শ্ৰীৰামেশ্বৰ কুৰ্মী ঃ** এওঁ ১৯৯৮ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ( ২+১) পৰীক্ষাৰ প্ৰথম খণ্ডত বুৰঞ্জী বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ সু-নাম কঢ়িয়াই আনে ।



**শ্ৰীজ্ঞানেন্দ মিলি ঃ** এওঁ ১৯৯৮ চনত কেৰেলাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত তৃতীয় স্থান দখল কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে । এওঁ ১৯৯৬ চনত বিশ্ব পাঞ্জা প্ৰতিযোগিতাত ভাগ লবলৈয়ো নিৰ্বাচিত হৈছিল।



**শ্ৰী মুলেন বৰগোঁহাই ঃ** এওঁ ১৯৯৬ চনত দিল্লীৰ আম্বেডকাৰ ষ্টেডিয়ামত অনুষ্ঠিত ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত অসম দলৰ হৈ ভাগ লৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে ।



**শ্ৰীউত্তম চাংমাই ঃ** বেটুপাত অংকণ কৰোতা ।